মূৰ্খ ব্যক্তিক সন্তুষ্ট কৰা কিমান কঠিন, এই কথা ক'বৰ বাবে কবিয়ে কৈছে— ভয়ংকৰ জলজন্তু ঘঁৰিয়ালৰ মুখগহ্বৰস্থিত দাঁত দুপাৰিৰ মাজৰ পৰা বলপূৰ্বকভাৱে মণি উদ্ধাৰ কৰিব পাৰি আন্দোলিত তৰঙ্গ ৰাশিৰ দ্বাৰা বিক্ষুব্ধ সমুদ্ৰকো সাঁতুৰি পাৰ হ'ব পাৰি, ক্ৰুদ্ধ সৰ্পকো ফুলৰ দৰে মস্তকত ধাৰণ কৰিব পাৰি, কিন্তু বিপৰীত চিন্তাসম্পন্ন মূৰ্খ ব্যক্তিৰ মনক কোনোপধ্যে প্ৰসন্ন কৰিব নোৱাৰি। ঠিক সেইদৰে অনবৰত যত্ন বা প্ৰচেষ্টাৰ ফলত মৰ্দন কৰি বালিৰ পৰাও তেল লাভ কৰিব পৰা যায়। অত্যধিক তৃষ্ণাপীড়িত ব্যক্তিয়ে মৰীচিকাৰ পৰাও জল পান কৰিব পাৰে। ভ্ৰমণ কৰি কৰি কেতিয়াবা শহাৰ শিং লাভ কৰি পাৰে, কিন্তু বিপৰীত ধাৰণাসম্পন্ন মূৰ্খ মানুহৰ চিত্তক কোনোপধ্যে সন্তুষ্ট কৰা সম্ভৱ নহয়। সকলো সমস্যাৰ সমাধান শাস্ত্ৰত উল্লেখ আছে, কিন্তু মূৰ্খতাৰ কোনো ঔষধ নাই। অসংখ্য শাস্ত্ৰ অধ্যয়ন কৰিলেও কোনেও মূৰ্খৰ সমাধান কৰিববৈলে সমৰ্থ নহয়। ভৰ্ত্তৃহৰিয়ে পুনৰ কৈছে যে জুইক পানীৰে শান্ত কৰিব পাৰি, সূৰ্যৰ তাপক (ৰ'দক) ছাতিৰে নিবাৰণ কৰিব পাৰি, মদমত্ত হাতীকো তীক্ষ্ণ অংকুশেৰে, ৰোগ-ব্যাধিক ঔষধেৰে, বিবিধ মন্ত্ৰৰে (সাপৰ) বিহকো নাশ কৰিব পাৰি— এইদৰে সকলোৰে শাস্ত্ৰবিহিত ঔষধ আছে, কিন্তু মূৰ্খতাৰ ঔষধ নাই।

**শক্যো বাৰয়িতুং জলেন হুতভুচ্ছত্ৰেণ সূৰ্য্যাতপো,**
**নাগেন্দ্ৰো নিশিতাঙ্কুশেন সমদো দণ্ডেণ গোগৰ্দভৌ।**
**ব্যাধিভৈষজসংগ্ৰহৈশ্চ বিবিধৈৰ্মন্ত্ৰপ্ৰয়োগৈৰ্বিষম্**
**সৰ্বস্যৌষধমস্তি শাস্ত্ৰবিহিতং মূৰ্খস্য নাস্ত্যৌষধম্।।**
(নীতিশতক-১১)

**বিদ্যাৰ মাহাত্ম্য ঃ**

মানৱ বিকাশত বিদ্যাৰ স্থান অতি গুৰুত্বপূৰ্ণ। উন্নত, শুদ্ধ আৰু সফল জীৱন লাভ কৰিববৈলে জ্ঞানৰ অত্যন্ত প্ৰয়োজন। জ্ঞান অবিহনে বিকাশৰ কল্পনা কৰিব নোৱাৰি। বিদ্যাৰ বাহিৰে জ্ঞানৰ অন্য কোনো মাৰ্গ নাই। মানুহৰ পৰম লক্ষ্য হৈছে বুদ্ধি আৰু বিবেকৰ বিকাশ কৰা। বুদ্ধি বিকাশৰ অভাৱত মনুষ্য অন্য পশুৰ দৰে নেজ আৰু শিং নথকা পশু। চিন্তন-শক্তিৰ বাবেহে মনুষ্য অন্য প্ৰাণীতকৈ শ্ৰেষ্ঠ। চিন্তন শক্তি, বুদ্ধি আৰু বিবেকৰ বিকাশ বিদ্যা অধ্যাৱসায়ৰ দ্বাৰাহে সম্ভৱ। উত্তমোত্তম গ্ৰন্থৰ অধ্যয়নৰ দ্বাৰাহে মনুষ্যই নিৰন্তৰ বাহ্যিক বিকাশ সাধন কৰিব পাৰে। সমাজত কিছুমান মানুহে নিজৰ সৌন্দৰ্যৰ প্ৰভাৱ বৰ্ধন কৰিববৈলে বহুবিধ অলংকাৰ ধাৰণ কৰে। ভৰ্ত্তৃহৰিৰ দৃষ্টিত সকলোবোৰ অলংকাৰ খন্তেকীয়া বাবে ব্যৰ্থ। বাহুৰ অলংকাৰ, চন্দ্ৰৰ দৰে উজ্জ্বল হাৰ, স্নান চন্দনৰ প্ৰলেপ, ফুলৰ মালা বা শুৱনি কেশ গুচ্ছয়ো মানুহক অলংকৃত নকৰে। লোকপ্ৰসিদ্ধ এই অলংকাৰসমূহ কালক্ৰমত বিনাশপ্ৰাপ্ত হয়। কিন্তু মানুহে আয়ত্ত কৰা সুপৰিষ্কৃত, সুসংস্কৃত বাণীহে প্ৰকৃত যুগমীয়া অলংকাৰ। এই বাণী বিদ্যাৰ দ্বাৰাই সম্ভৱ। সেইবাবে ভৰ্ত্তৃহৰিয়ে কৈছে যে বিদ্যা মানুহৰ প্ৰকৃত সৌন্দৰ্য, গুপ্ত ধন, ভোগ-ঐশ্বৰ্যৰ প্ৰদায়ক, গুৰুৰো পূজনীয়, বিদেশত বন্ধুতুল্য, সৰ্বোত্তম দেৱতা। ৰাজসভাত বিদ্যাৰ দ্বাৰাহে প্ৰতিষ্ঠা লাভ কৰা সম্ভৱ, ধনৰ দ্বাৰা লাভ কৰা সম্ভৱ নহয়।

**বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনম্**
**বিদ্যা ভোগকৰী যশঃ সুখকৰী বিদ্যা গুৰূণাং গুৰুঃ।**
**বিদ্যা বন্ধুজনো বিদেশগমনে বিদ্যা পৰা দেৱতা**
**বিদ্যা ৰাজসু পূজ্যতে ন তু ধনং বিদ্যাবিহীনঃ পশু।।**

(নীতিশতক-২০)

**সদ্‌গুণ মহিমা ঃ**

সমাজত সৎ লোকৰ ব্যৱহাৰ আদৰ্শদায়ক আৰু প্ৰশংসনীয়। তেওঁলোকৰ গুণসমূহ সকলোৱে অনুসৰণ কৰা উচিত। কোনো এজন লোকে তেওঁৰ মাজত থকা গুণ অনুসৰি আচৰণ কৰে। আচৰণৰ দ্বাৰাই তেওঁৰ চৰিত্ৰৰ বিষয়ে জনা যায়। সদ্‌গুণযুক্ত সজ্জন প্ৰতিষ্ঠা সৰ্বত্ৰ দেখিবলৈ পোৱা যায়। দুৰ্জন লোকৰ স্থান ক'তো দেখিবলৈ পোৱা নাযায়। প্ৰভূত্বকাৰণবশতঃ অথবা ধনবশতঃ কালবিশেষে অথবা স্থান বিশেষে ইচ্ছাকৃতভাৱে অথবা অনিচ্ছাকৃতভাৱে দুৰ্জনে সন্মান লাভ কৰিলেও কিন্তু অৱশেষত অপমানিত হয়। দুৰ্জনক কোনেও বিশ্বাস নকৰে। সুখ-শান্তি লাভৰ বাবে আমি সকলোৱে পৰমাত্মাৰ জ্ঞান লাভ কৰা ভক্তৰ সদ্‌গুণসমূহ আহৰণ কৰিব লাগে। ভৰ্তৃহৰিৰ মতানুযায়ী জীৱ হত্যাৰ পৰা দূৰত থকা, আনৰ ধন হৰণৰ পৰা মনক সংযত কৰা, সত্যবাদিতা, যথা সময়ত যথাশক্তি দান কৰা, পৰস্ত্ৰীৰ চৰ্চা কৰাৰ সময়ত মৌনতা অৱলম্বন কৰা, লোভৰ প্ৰৱাহক প্ৰতিৰোধ কৰা সকলো প্ৰাণীৰ প্ৰতি দয়াভাব দেখুওৱা, এইবোৰেই শাস্ত্ৰৰ অনুপহত বিধান আৰু সৰ্বজন কল্যাণকৰ পথ অথবা মাৰ্গ প্ৰস্তুত কৰে—

প্ৰাণঘাতান্নিবৃত্তিঃ পৰধনহৰণে সংযমঃ সত্যবাক্যং
কালে শক্ত্যা প্ৰদানং যুৱতিজনকথামূকভাৱঃ পৰেষাম্।
তৃষ্ণাস্ৰোতো বিভাঙ্গা গুৰুষু চ বিনয়ঃ সৰ্বভূতানুকম্পা
সামান্যঃ সৰ্বশাস্ত্ৰেস্বনুপহতবিধিঃ শ্ৰেয়সামেষ পন্থাঃ।।

(নীতিশতক-২৬)

**কৰ্মবিচাৰ ঃ**

ভাৰতীয় দৰ্শনত পুৰুষাৰ্থ চতুষ্টয়ৰ মূল আধাৰ হ'ল কৰ্ম। মানুহে কৰ্মৰ বলত সকলো প্ৰকাৰ সিদ্ধি লাভ কৰে। কৰ্ম নকৰাকৈ কোনো মানুহে অভীষ্ট ফল লাভ কৰিব নোৱাৰে। কৰ্মৰ ফলতেই সজ্জনসকল সদায় প্ৰশংসিত হয় আৰু দুৰ্জনসকল নিন্দিত হয়। ব্যাসদেৱে কৈছে—

না ভুক্তং-ক্ষীয়তে কৰ্ম কল্পকোতিশতৈৰপি।
অৱশ্যমেব ভোক্তব্যং কৃতং কৰ্ম শুভাশুভম্।।

প্ৰকৃতাৰ্থত আমি নিজৰ কৰ্মক নিয়ন্ত্ৰিত কৰিব পাৰোঁ, কিন্তু ফল নিয়ন্ত্ৰিত কৰিব নোৱাৰোঁ। যিহেতু ফলত কাৰো অধিকাৰ নাথাকে। শ্ৰীমদ্ভাগৱদগীতাতো কোৱা হৈছে— "কৰ্মণ্যেবধিকাৰস্তে মা ফলেষু কদাচন।"

ভৰ্তৃহৰিয়ে কৰ্মৰ মাহাত্ম্য বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে। তেওঁৰ মতে বিধাতাও মানুহৰ কৰ্ম অনুসৰি ফল দান কৰে। বিধাতাই কৰ্ম নকৰাকৈ কাকো ফল নিদিয়ে। যিহেতু কৰ্ম বিধাতাৰ অপেক্ষা বলবান। কৰ্মৰ দ্বাৰাই সম্পূৰ্ণ জগত নিয়ন্ত্ৰিত হয়। কৰ্মৰ ফলতেই ব্ৰহ্মাণ্ড কুমাৰৰ দৰে সৃষ্টিকৰ্মত লাগিবলগীয়া হৈছিল, বিষ্ণুও দশাৱতাৰৰ শৃংখলাত জোট-পোট খাবলগীয়া হৈছিল, শংকৰে হাতত ভিক্ষাপাত্ৰ লৈ ঘূৰিবলগীয়া হৈছিল আৰু সূৰ্যও প্ৰতিদিনে অক্লান্ত ৰূপে ভ্ৰমণ কৰিবলগীয়া হৈছিল। হে সাধু! যি কৰ্মই দুষ্টক সাধু কৰে, মূৰ্খক বিদ্বান কৰে, বিদ্বেষীজনক হিতৈষী কৰে, আগত নেদেখাজনক দেখা কৰে, বিষক অমৃতত পৰিণত কৰে, বাঞ্ছিত ফল ভোগ কৰিবলৈ হ'লে ভগৱতীৰ সৎক্ৰিয়াক আৰধনা কৰা মানুহৰ বুদ্ধিও ক্ৰমানুসৰি হয়, সেয়েহে বুদ্ধিমান লোকক নিৰন্তৰ কৰ্মৰ ফল সম্পৰ্কে চিন্তা কৰি আৰু ভালদৰে বিচাৰ-বিবেচনা কৰি কৰ্ম কৰা উচিত। নহ'লে বৰ বেগেৰে আৰু অবিবেকেৰে কৰা কামৰ পৰিণামে আমৰণ আজীৱন হৃদয়ক দগ্ধ কৰিব পাৰে—

**গুণবদগুণৱদ্বা কুৰ্বতা কাৰ্যমাদৌ**
**পৰিণতিৰবধাৰ্যা যত্নতঃ পণ্ডিতেন।**
**অতিৰভসকৃতানাং কৰ্মণামাৰিপত্তে**
**ভৱতি হৃদয়গ্ৰাহী শল্যতুল্যে বিপাকঃ।।**

(নীতিশতক-৯৯)

**উপসংহাৰ ঃ**

চাৰিত্ৰিক বিকাশৰ মাৰ্গ দৰ্শনৰ প্ৰাচুৰ্য সংস্কৃত সাহিত্যত দেখিবলৈ পোৱা যায়। কাব্যত বিশেষকৈ তথা নাটকত সদাচাৰপূৰ্ণ অনেক তথ্য পোৱা যায়। কিন্তু ভৰ্তৃহৰিৰ নীতিশতকত মনুস্মৃতি সদৃশ শিক্ষা, মহাভাৰত সদৃশ উপদেশ, পুৰাণ সদৃশ ৰসাস্বাদন, দৰ্শন সদৃশ তৰ্কশীলতা দেখিবলৈ পোৱা যায়। আনহাতে কালিদাসৰ উপমা, দণ্ডিৰ পদলালিত্য আৰু ভাৰবিৰ অৰ্থগাম্ভীৰ্যও

পোৰা যায়। মানৱৰ বাবে নীতিশতকখন হৈছে মধুৰ ঔষধ। বালক, বৃদ্ধ সকলোৱে বিনাকষ্টে তথা আনন্দৰে নীতিশতকৰ বাণীসমূহ পান কৰিব পাৰে। ভৰ্ত্তৃহৰিয়ে নীতিশতকৰ মাধ্যমত এক বিশিষ্ট জীৱন দৰ্শন প্ৰদান কৰিছে। নীতিশতকৰ পদ্যসমূহে প্ৰতিটো খোজতে আমাক প্ৰহৰী ৰূপত জাগৰিত কৰি যোগ্য পথলৈ আনি দিব্য আৰু ভব্য জীৱন যাপন কৰিবলৈ প্ৰেৰিত কৰে। এই গ্ৰন্থখন কেৱল সংস্কৃতজ্ঞসকলৰ বাবেই নহয়, সকলোৰে বাবেই হৈছে প্ৰিয়তম কণ্ঠাভৰণ। নীতিশতকখনে ছাত্ৰসকলক, ব্ৰহ্মচাৰীসকলক, সন্ন্যাসীসকলক, গৃহস্থসকলক, জৈন-বৌদ্ধ আদি তথা আন লোককো সমৰূপত মাৰ্গ দৰ্শন কৰাই তেওঁলোকক উন্নতিৰ উচ্চ শিখৰলৈ লৈ যায়। ইয়াৰ দ্বাৰা মানুহে নিজৰ দায়িত্ব জানি লৈ কৰ্তব্যপৰায়ণ হয়। তাৰ ফলত চাৰিত্ৰিক বিকাশৰ লগতে সমাজৰ, দেশৰ, ৰাষ্ট্ৰৰ আৰু বিশ্বৰ বিকাশ সাধন কৰিব পাৰে। ❑

**সহায়ক গ্ৰন্থ ঃ**

১. জানা সুনীল কুমাৰ ঃ কাব্যপ্ৰকাশ, সংস্কৃত বুক ডিপো, ২৮/১ বিধান সৰণী, কলকাতা-৬ জানুৱাৰী-২০২১
২. বেপাৰী ড° বিপুল চন্দ্ৰ ঃ নীতিশতক, Concept Publishing Company Pvt. Ltd., New Delhi-110059, 2020.
৩. শৰ্মা ড° থানেশ্বৰ ঃ ভৰ্ত্তৃহৰিৰ নীতিশতক, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, ২০২০
৪. শাস্ত্ৰী ডা° ৰাকেশ ঃ নীতিশতক, পৰিমল পাব্লিকেশন, দিল্লী-১১০০০৭, ২০২২
৫. শৰ্মা ডা° গোপাল ঃ নীতিশতকম্, হংসা প্ৰকাশন, জয়পুৰ, ২০০২
৬. আনন্দস্বৰূপ ঃ উত্তৰামচৰিতম্ ঃ মোতীলাল বনাৰসী দাস, দিল্লী, ২০০২
৭. মিশ্ৰ প° শ্ৰীবিজয়শঙ্কৰ ঃ নীতিশতকম্, চৌখম্বা সংস্কৃত সীৰিজ আফিস, বাৰানসী, ২০১৯
৮. প্ৰাগুক্ত গ্ৰন্থ, শ্লোক সংখ্যা-১০, পৃষ্ঠা সংখ্যা-৮
৯. প্ৰাগুক্ত গ্ৰন্থ, শ্লোক সংখ্যা-২৮, পৃষ্ঠা সংখ্যা-২৩
১০. প্ৰাগুক্ত গ্ৰন্থ, শ্লোক সংখ্যা-৭৫, পৃষ্ঠা সংখ্যা-৬০
১১. প্ৰাগুক্ত গ্ৰন্থ, শ্লোক সংখ্যা-৩, পৃষ্ঠা সংখ্যা-৩
১২. প্ৰাগুক্ত গ্ৰন্থ, শ্লোক সংখ্যা-১১, পৃষ্ঠা সংখ্যা-৯
১৩. প্ৰাগুক্ত গ্ৰন্থ, শ্লোক সংখ্যা-২০, পৃষ্ঠা সংখ্যা-১৬
১৪. প্ৰাগুক্ত গ্ৰন্থ, শ্লোক সংখ্যা-২৬, পৃষ্ঠা সংখ্যা-২২
১৫. প্ৰাগুক্ত গ্ৰন্থ, শ্লোক সংখ্যা-৯৯, পৃষ্ঠা সংখ্যা-৮১

**প্ৰসংগ সূত্ৰ ঃ**

বিশ্বেশ্বৰ আচাৰ্য, কাব্যপ্ৰকাশ, জ্ঞানমণ্ডল লিমিটেড, বাৰানসী ১৯৬০

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# পদ্মৰাম শালৈৰ 'শালৈ জাতিৰ ঐতিহ্য বিচাৰ'ৰ এক বিশ্লেষণাত্মক অধ্যয়ন



**ভনিতা বৈশ্য**

গৱেষক ছাত্ৰী
আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য
অধ্যয়ন বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়, অসম
৯৮৫৪৯৮৭৬৭৩
bhanitabaishya193@gmail.com



**ড° জ্যোৎস্না ৰাউত**

অধ্যাপক
আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য
অধ্যয়ন বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়, অসম
ম'বাইল ঃ ৯৭০৬৮৮০০৪৮

**সংক্ষিপ্তসাৰ ঃ**

অসমৰ সাহিত্যিকসকলৰ ভিতৰত পদ্মৰাম শালৈ এগৰাকী উল্লেখযোগ্য সাহিত্যিক। তেওঁ শিক্ষকতাৰ সমান্তৰালভাৱে সাহিত্যচৰ্চা, সাংবাদিকতা, সমাজ সেৱাৰ জৰিয়তে অসমীয়া সমাজ জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই গৈছে। প্ৰাঞ্জল ভাষাত ৰচিত তেওঁৰ ৰচনাৰ আলোচনা সততে দেখিবলৈ পোৱা নাযায় যদিও সেইসমূহৰ এক বিশেষ মূল্য আছে। তেওঁ ভক্তিধৰ্মমূলক, প্ৰাচ্য-পাশ্চাত্যমূলক, দেশপ্ৰেমমূলক, অনুবাদমূলক, আত্মজীৱন চৰিত, জাতীয় ঐতিহ্য বিচাৰমূলক ইত্যাদি বিভিন্ন বিষয়ক গ্ৰন্থ লেখি অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি গৈছে। জাতীয় চেতনাৰে উদ্বুদ্ধ শালৈয়ে নিজৰ স্বকীয় অস্তিত্ব ৰক্ষাৰ স্বাৰ্থতে জাতীয় ঐতিহ্য বিচাৰমূলক গ্ৰন্থ ৰচনা কৰি গৈছে। সেই শ্ৰেণীৰ প্ৰকাশিত গ্ৰন্থ দুখন হ'ল 'শালৈ জাতিৰ ঐতিহ্য বিচাৰ' আৰু 'শালৈ সন্মিলনৰ সভাপতিৰ অভিভাষণ'। আমাৰ এই আলোচনা-পত্ৰত 'শালৈ জাতিৰ ঐতিহ্য বিচাৰ' গ্ৰন্থখনৰ জৰিয়তে শালৈ জাতিৰ আঁতিগুৰি, বৰ্তমান অসমীয়া সমাজত তেওঁলোকৰ স্থিতি সম্পৰ্কে বিচাৰ কৰাৰ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ**

শালৈ জাতি, ঐতিহ্য, সংস্কৃতি, অসমীয়া জাতি, মিষ্টান্ন, চাৰি বৰ্ণ, হিন্দু, ইণ্ডো-আৰ্য, শূদ্ৰ।

**০.০ অৱতৰণিকা ঃ**

অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ অন্যতম পুৰোধা ব্যক্তি হ'ল পদ্মৰাম শালৈ। হিন্দী, ইংৰাজী, অসমীয়া, সংস্কৃত, বাংলা ভাষাত থকা দখল তথা নিজৰ আশাশুধীয়া প্ৰচেষ্টাৰে তেওঁ অসমীয়া সাহিত্যৰ পৰিপুষ্টি সাধন কৰি গৈছে। সাহিত্যিক হিচাপে তেওঁৰ প্ৰকাশিত প্ৰথমখন গ্ৰন্থ হ'ল 'শ্বহীদ বীৰ মুকুন্দ কাকতি'। পৰৱৰ্তী সময়ত প্ৰকাশ হোৱা ৰচনাসমূহ হ'ল—প্ৰাচ্য-পাশ্চাত্যৰ সাহিত্যত এভুমুকি, অসমৰ শোষণকাৰী কোন?, শালৈ জাতিৰ ঐতিহ্য বিচাৰ, ইংৰাজী ৰোমাণ্টিক কাব্য-সাহিত্যৰ জিলিঙনি, বিয়াল্লিছৰ তিনিগৰাকী শ্বহীদ, ভক্তি ধৰ্ম আৰু ভক্তি কাব্যত এভুমুকি, ৰমন্যাসিক কবি

ৰঘুনাথ চৌধাৰী, চাকনৈয়াত হাবু-ডুবু, ট্ৰজান যুদ্ধ ইত্যাদি। ১৯৩০ চনৰ ৩ ছেপ্তেম্বৰত ৰঙিয়াৰ চনমাগুৰি গাঁৱত জন্ম গ্ৰহণ কৰা পদ্মৰাম শালৈৰ পিতৃ-মাতৃ আছিল দেবীৰাম শালৈ আৰু ৰাধিকা শালৈ। তেওঁ পেছা হিচাপে শিক্ষক বৃত্তিটো বাছি লৈছিল যদিও মৃত্যু পৰ্যন্ত সাহিত্যচৰ্চা অব্যাহত ৰাখিছিল। আমাৰ গৱেষণা-পত্ৰত পদ্মৰাম শালৈৰ অন্যতম গৱেষণাধৰ্মী গ্ৰন্থ 'শালৈ জাতিৰ ঐতিহ্য বিচাৰ'ৰ পুংখানুপুংখভাৱে আলোচনা আগবঢ়োৱা হ'ব।

**০.০১ অধ্যয়নৰ উদ্দেশ্য ঃ**

বহুমুখী প্ৰতিভাৰ গৰাকী পদ্মৰাম শালৈৰ এখন উল্লেখযোগ্য গৱেষণাধৰ্মী গ্ৰন্থ হৈছে শালৈ জাতিৰ ঐতিহ্য। লেখকে বিভিন্ন উৎসৰ আলম লৈ নিজৰ জাতি সম্পৰ্কে বিভিন্ন কথা গ্ৰন্থখনত সাৱলীল তথা মনোগ্ৰাহীকৈ ব্যাখ্যা কৰিছে। গতিকে এই গ্ৰন্থ সম্পৰ্কীয় আলোচনাটিৰ জৰিয়তে শালৈ জাতিৰ লগত জড়িত অনেক নজনা কথাৰ সন্ধেদ দিয়াটোৱেই ইয়াৰ উদ্দেশ্য।

**০.০২ অধ্যয়নৰ পদ্ধতি ঃ**

বিষয়টো অধ্যয়ন কৰোঁতে বৰ্ণনামূলক (Descriptive Method) তথা বিশ্লেষণাত্মক পদ্ধতিৰ (Analytical Method) সহায় লোৱা হৈছে। প্ৰাথমিক তথ্য সংগ্ৰহৰ বাবে উপেন্দ্ৰজিৎ শৰ্মাৰ দ্বাৰা সম্পাদিত পদ্মৰাম শালৈৰ ৰচনাৱলীৰ সহায় লোৱা হৈছে। লগতে বিষয়ৰ লগত সংগতি থকা বিভিন্ন গ্ৰন্থৰ আলমত গৌণ তথ্য সংগ্ৰহ কৰা হৈছে।

**১.০০ মূল বিষয়বস্তু ঃ**

শালৈ জাতি অসমৰ অন্যান্য পিছপৰা সম্প্ৰদায়ৰ অন্তৰ্গত এটা জাতি। থলুৱা অসমীয়া শালৈসকল কেতিয়া কেনেকৈ অসমত থিতাপি লৈছে তাৰ বিশদ বিৱৰণ ইয়াত উল্লেখ আছে। লেখকে গ্ৰন্থখনৰ পাতনিত উল্লেখ কৰিছে যে এসময়ত মেকুৰী নামৰ এটা জাতি আছিল। কিন্তু সেই জাতিৰ লোকসকলে নিজেই নিজৰ পৰিচয় দিবলৈ সংকোচ কৰাৰ ফলতে হয়তো কোনো উচ্চ জাতিৰ লগত চামিল হ'ল বুলি তেওঁ কৈছে। ঠিক তেনেদৰে শালৈ জাতিৰ জনসংখ্যা ১৮৮১ চনৰ লোকপিয়ল অনুসৰি ১২,০৯৩ জন আছিল যদিও সময় বাগৰাৰ লগে লগে এই সংখ্যা হ্ৰাস পাই ১৮৯১ চনত ৯,৩৫৬ জন হৈছিলগৈ।[১] ইয়াৰ কাৰণ হিচাপে ১৮৯১ চনৰ লোকপিয়লৰ প্ৰতিবেদনত এনেদৰে উল্লেখ আছে—I am unable to explain this Variation and can only suggest that some of the salais of 1881 have since succeeded in obtaining recognition as members of higher castes.[২]

সেয়েহে শালৈ জাতিৰ লোকসকলৰ পৰিচয়ৰ ক্ষেত্ৰত দেখা দিয়া এনে অসুবিধাৰ কথা অনুভৱ কৰি সদৌ অসম শালৈ সন্মিলনীয়ে শালৈ জাতিৰ ঐতিহ্যমূলক গ্ৰন্থ এখন ৰচনা কৰাৰ উদ্যোগ হাতত লৈছিল। শালৈ সন্মিলনীৰ বিশেষ অভিৱৰ্তন উপলক্ষে পদ্মৰাম শালৈক এই গ্ৰন্থ লেখাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল।

গ্ৰন্থখনত উল্লেখ থকা শালৈ জাতি সম্পৰ্কে আলোচনা কৰাৰ আগতে ভাৰতীয় আৰ্যসকলৰ বিষয়ে কিছু কথা উল্লেখ কৰা হ'ল।

বৈদিক সাহিত্যৰ জৰিয়তে ভাৰতীয় আৰ্যসকলৰ বিষয়ে বিভিন্ন কথা গম পোৱা যায়। ঋকবেদৰ শ্লোক অনুসৰি সৃষ্টিকৰ্তাৰ মুখৰপৰা ব্ৰাহ্মণৰ, বাহুৰপৰা ক্ষত্ৰিয়ৰ, উৰুৰপৰা বৈশ্যৰ আৰু ভৰিৰপৰা শূদ্ৰৰ জন্ম হয়। ইয়াৰ সৃষ্টিকৰ্তাৰ মুখ, বাহু, উৰু আৰু ভৰি গুণ বা বৃত্তি বিষয়ক ৰূপকহে। ব্ৰাহ্মণসকলে মুখৰ শক্তিৰে যাগ-যজ্ঞ, পূজা-পাতল আদি কৰিব সকলোৰে মঙ্গলৰ কাৰণে, ক্ষত্ৰিয়ই বাহুৰ বলেৰে ৰাজ্য শাসন আৰু বাহিৰা শত্ৰুৰ পৰা প্ৰজাসকলক ৰক্ষা কৰিব, উৰুৰ শক্তিৰে বৈশ্যসকলে বেহা-বেপাৰ কৰি ৰাজ্যৰ আৰ্থিক সাধিব আৰু ভৰিৰ শক্তিৰে শূদ্ৰসকলে খেতি-বাতি কৰি উৎপাদন বঢ়াব।[৩] এনেধৰণে ভাৰতীয় আৰ্য লোকসকলৰ মাজত চাৰিবৰ্ণৰ সৃষ্টি হৈছিল। সমগ্ৰ উত্তৰ ভাৰতত আৰ্যলোকসকল সিঁচৰতি হৈ পৰাৰ পাছত বিভিন্ন কাম-কাজ নিয়াৰিকৈ পালন কৰাৰ উদ্দেশে মানুহৰ গুণ আৰু কৰ্মশক্তি অনুসৰি বৰ্ণবোৰ উদ্ভৱ হোৱা বুলি ঋকবেদৰ জৰিয়তে জানিব পৰা যায়। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য ভাৰতীয় আৰ্যগোষ্ঠীৰ বংশধৰ বুলি আমি পূৰ্বতে উল্লেখ কৰি আহিছোঁ। এই ভাৰতীয় আৰ্য লোকসকল সমগ্ৰ ভাৰতত সিঁচৰতি হোৱাৰ পিছত যিসকল থলুৱা লোকে তেওঁলোকৰ শৰণাগত হৈ পৰিছিল, সেইসকলক শূদ্ৰ বুলি জনা যায়। সময়ক্ৰমে ব্ৰাহ্মণৰ বাদে ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰৰ মাজত বৃত্তি অনুযায়ী ভিন ভিন জাতিৰ উৎপত্তি হৈছিল।

শালৈয়ে আলোচ্য গ্ৰন্থখনৰ আৰম্ভণিতে চৌত্ৰিশটা জাতিৰ সুসমন্বয়ৰে অসমীয়া সমাজ সংস্কৃতি গঢ়ি উঠা বুলি মহেশ্বৰ নেওগে কোৱা কথাষাৰ উনুকিয়াইছে। লগতে শালৈ জাতিটোও এই চৌত্ৰিশটা জাতিৰ ভিতৰৰ অন্যতম বুলি জানিব পৰা যায়।[৪] বিভিন্ন উৎসৰ জৰিয়তে অতীজৰে পৰা

অসমত নানা জাতি--জনজাতি বাস কৰি অহাৰ বিষয়ে গম পোৱা যায়। অসমীয়া সাহিত্যৰ দুগৰাকী পুৰোধা ব্যক্তি শংকৰদেৱ আৰু মাধৱদেৱৰ গ্ৰন্থাৱলী তথা চৰিত পুথিসমূহতো বিভিন্ন জাতিৰ কথা উল্লেখ আছে। শালৈয়ে শংকৰদেৱৰ ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্দৰ দ্বিতীয় অধ্যায়ৰ শ্লোকটো উল্লেখ কৰি সেই সম্পৰ্কে জানিবলৈ মহেশ্বৰ নেওগৰ 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি'ৰ সহায় লৈছে। শ্লোকটিৰ মূলতঃ উল্লেখ থকা 'হূণ', 'অন্ধ্ৰ', 'পুলিন্দ', 'পুক্কস', 'আভীৰ', 'খশ' আদি জাতিৰ নামৰ পৰিৱৰ্তে কিৰাত, কছাৰী, খাছী, গাৰো, মিৰি, গোৱাল, চণ্ডাল (চঁড়াল), ৰজক (ধোবা)- অসমীয়া জাতিৰ নাম শংকৰদেৱে ব্যৱহাৰ কৰিছে। কিন্তু তাত উল্লিখিত 'কঙ্ক' আৰু 'মুলুক' শব্দ দুটিৰ সম্পৰ্কে মহেশ্বৰ নেওগে কোনো দৰে শালৈয়েও একো ক'ব নোৱাৰিলে। আন এটি শব্দ 'যৱন'ৰ অৰ্থ স্পষ্টকৈ বুজা টান বুলি নেওগে কৈ 'যোগিনী তন্ত্ৰ'ত যৱন নামে এজাতি লোকৰ উল্লেখ আছে বুলি তেওঁ মন্তব্য কৰিছে।[৫] যৱন শব্দটিৰ অৰ্থ হেমকোষ অভিধানত এনেদৰে আছে—ভাৰতৰ বাহিৰৰ লোক। যৱন শব্দই গ্ৰীকসকলক বুজাইছিল।[৬] তাৰ উপৰি 'অসম'ৰ দ্বাৰা আহোমক, 'তুৰক'ৰ দ্বাৰা মুছলমানক 'কুৱাচ'ৰ দ্বাৰা কোচক, 'ম্লেছ'ৰ দ্বাৰা মেচ জাতিক বুজোৱা হৈছে বুলি নেওগে উল্লেখ কৰিছে। নেওগে মন্তব্য কৰা চৌত্ৰিশটা জাতিৰ ভিতৰত উল্লিখিত এই জাতিকেইটাৰো পুৰণি অসমীয়া সংস্কৃতি গঢ়ি তোলাত অৱদান থকা বুলি শালৈয়ে মত ব্যক্ত কৰিছে।

শালৈয়ে 'দৰং ৰাজবংশাৱলী'ৰ তথ্য দাঙি ধৰি কৈছে যে কালাপাহাৰে কামাখ্যা মন্দিৰ ধ্বংস কৰাৰ পিছত কোচৰজা নৰনাৰায়ণে কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰি উলিয়ায়। ৰজা নৰনাৰায়ণে ভায়েক চিলাৰায়ৰ সৈতে মন্দিৰত পূজা-অৰ্চনা কৰাই ম'হ, ছাগলী, হাঁহ, পাৰ, কাছ, হৰিণ আদিৰ একলাখ বলি আৰু তিনিলাখ হোম দিয়াৰ লগতে মন্দিৰৰ কাম-কাজ সুচাৰুৰূপে পালন কৰিবলৈ সাত কুড়ি পাইক পৰিয়াল আনিছিল। শালৈসকল এই পৰিয়ালৰ অন্তৰ্গত আছিল। শালৈৰ বাহিৰে তাত উল্লিখিত ব্ৰাহ্মণ, তাঁতী, মালী, কমাৰ, সোণাৰী আদি অন্যান্য জাতিবোৰ বৃত্তিগত বুলি জানিব পৰা যায়। যিহেতু জাতি নৃ-গোষ্ঠীগত, বৃত্তিগত, ভাষাগত, দায়িত্বমূলক ইত্যাদি বিভিন্ন বিষয়ক হ'ব পাৰে। কিন্তু বংশাৱলীখনত লেখকে শালৈসকলৰ বৃত্তি সম্পৰ্কে উল্লেখ নথকা বুলি কৈছে। আনহাতে ইতিহাসবিদ কনকলাল বৰুৱাই 'দৰং ৰাজবংশাৱলী'ত উল্লিখিত জাতিকেইটা Early History of Kamrupaত এনেদৰে উল্লেখ কৰিছে —

"the king offered three lakhs of hom and one lakh sacrifices and dedicated to the temple the families of 140 paiks, for service in the temple, by means of a copper-plate grant....the king gave as she baits or paiks families of Brahmans Ganaks, Nats, Bhats, Tanties, Malis, Kamars, Kahars, Barhoi (Carpenters), washermen, Oil Pressers, Sweet-meat makers, gold-smiths, potters, leather-workers, Fishermen and Scavangers. Evidently these constituted the 140 families of paiks." ৭

তেখেতৰ আন এখন গ্ৰন্থ 'Studies in The Early History of Assam' ত এনেদৰে দিয়া আছে—

"The subsequent stanzas mention that these *paiks* included men of the following castes or professional groups, *viz.*, Brahman, Daivajna, Nat (dancer), Bhat (singer), Tantis (weaver), Mali (garland-maker), Kamar (blacksmith), Kahar (bell-metal worker), Barhai (carpenter), Dhoba (washerman), Salai (sweet-meat-maker). Teli (oil-presser), Sonari (gold-smith), Kumar (potter, who uses the wheel), Hira (potter, who does not use the wheel), Kaivarta (fisherman), Chamar (one who skins a dead animal), Muchiyar (leather-worker) and Hadi (scavenger)".[৮]

গ্ৰন্থখনত প্ৰত্যেকটো জাতিৰ নাম উল্লেখ কৰি বন্ধনীৰ ভিতৰত দিয়া অৰ্থৰ জৰিয়তে জাতিটোৰ বৃত্তি সম্পৰ্কে জানিব পৰা যায়। গ্ৰন্থখনত 'Salai' শব্দটি উল্লেখ কৰি (Sweet-meat-maker) বুলি অৰ্থ দিয়া আছে। ইয়াৰ অসমীয়া অৰ্থ হৈছে 'মিষ্টান্ন তৈয়াৰ কৰোঁতা'। শালৈয়ে এই গ্ৰন্থখনত উল্লেখ কৰা জাতিকেইটা 'দৰং ৰাজবংশালী'ত উল্লেখ কৰা জাতিকেইটাৰ সৈতে মিলাই চালে একে হয় বুলি কৈছে। সেয়ে তেওঁ শালৈ জাতিৰ লোকসকলে ভোগ ৰান্ধিছিল অথবা তেওঁলোকে তৈয়াৰ কৰা মিষ্টান্ন দেৱীৰ প্ৰসাদ হিচাপে ব্যৱহাৰ হৈছিল বুলি মন্তব্য কৰিছে। উল্লিখিত সাতকুড়ি পৰিয়ালকেইটা ৰজা নৰনাৰায়ণে ক'ৰ পৰা আৰু কেনেদৰে সংগ্ৰহ কৰি আনিছিল সেই বিষয়ে প্ৰশ্ন তুলি লেখকে নিজেই সমাধান কৰাৰ চেষ্টা কৰিছে। বিভিন্ন পণ্ডিতে ভাৰতত ইণ্ডো আৰ্যৰ প্ৰৱেশকাল প্ৰায় খৃঃ ১২০০ বুলি

অনুমান কৰে।[৯] সেয়ে লেখকে ইতিহাসৰ গাত ভেজা দি অসমত ব্ৰাহ্মণ মানুহ আগৰপৰাই থকাৰ কথা কৈছে লগতে অসমত থকাৰ ক্ষেত্ৰত অন্য জাতিকেইটাৰ ইতিহাস স্পষ্ট নহয় বুলি উল্লেখ কৰিছে।

শালৈ জাতিৰ লোকসকল প্ৰথম অৱস্থাত অবিভক্ত কামৰূপ আৰু মঙ্গলদৈ অঞ্চলতহে বাস কৰিছিল আৰু এই দুই অঞ্চলৰ পৰাই বৰ্তমান অসমৰ ভিন ভিন ঠাইত সিচঁৰতি হৈ পৰিছে বুলি কৈছে। এনেদৰে মহাৰাজ নৰনাৰায়ণে পশ্চিমৰ পৰা ভিন ভিন বৃত্তিৰ পৰিয়ালৰ উপৰি শালৈ উপাধিৰ পৰিয়ালকেইটা কামাখ্যা মন্দিৰৰ আশে-পাশে বহুৱাইছিল বুলি লেখকে অনুমান কৰিছে। প্ৰসংগক্ৰমে বিহাৰৰ সাও জাতিটোৰ পূৰ্বপুৰুষ ‘শালৈ’ আছিল বুলি কৈ নৰনৰায়ণে সালৈ কেইঘৰমান অসমলৈ আনিছিল বুলি অভিমত প্ৰকাশ কৰিছে। এওঁলোক অৰ্থাৎ সাও লোকসকলৰ (বহুতে সাহু বুলিও লিখে) প্ৰধান ব্যৱসায় মিঠাই প্ৰস্তুত কৰাটো আজিকোপতি চলি থকা বুলি শালৈয়ে উল্লেখ কৰিছে। এওঁলোকৰ পূৰ্বপুৰুষসকল ৰাজঘৰীয়া মিঠাই যোগানধাৰী আছিল বুলি জনা যায়। গতিকে বিভিন্ন কাৰণত যেনেদৰে ম্লেছ>মেছলৈ পৰিৱৰ্তিত হ’ল, তেনেদৰে সালৈ > সাও > সাহু হ’ব পাৰে বুলি লেখকে আনুমানিক ৰূপ প্ৰকাশ কৰিছে।

ভাৰতৰ বহুতো ঠাই ভ্ৰমণ কৰি সমল গোটোৱা যাদৱ চন্দ্ৰ দাস নামৰ ব্যক্তিগৰাকীৰ তথ্যৰ আলমত লেখকে উল্লেখ কৰিছে যে বিহাৰত বাস কৰা হালুৱৈসকলে আগৰে পৰা ৰজা তথা সম্ভ্ৰান্ত ঘৰৰ লোকৰ বাবে প্ৰস্তুত কৰা মিঠাই যোগান ধৰি জীৱিকা নিৰ্বাহ কৰিছিল আৰু এতিয়াও সেই পৰম্পৰাৰ ৰক্ষা কৰি আহিছে। অসমৰ বৰপেটা, অভয়াপুৰীত থকা শালৈ জাতিৰ প্ৰায়ভাগ মানুহেই মিঠাই ব্যৱসায়ৰ লগত জড়িত বুলি জনা যায়। এইবোৰ সমলৰ ওপৰত ভিত্তি কৰি লেখকে হালুৱৈৰ উচ্চাৰণ বিভ্ৰাট ঘটি সালৈ>হালৈ>হালুৱৈ হ’ব পাৰে বুলি আনুমানিক ৰূপ প্ৰকাশ কৰিছে। মুঠতে এনেবোৰ তথ্যৰ আধাৰতে নৰনাৰায়ণে বিহাৰৰ ফালৰ পৰাই সালৈ লোকসকলক আনি পুৰণি কামৰূপত বহুৱাইছিল বুলি লেখক নিশ্চিত হৈছিল। ‘সালৈ’/‘শালৈ’ এই শব্দ দুটিৰ শুদ্ধাশুদ্ধ বিচাৰ কৰি কৈছে যে ‘শৰ্মা’ উপাধি লিখোঁতে যেনেদৰে ‘Sarma ’, ‘Sharma’ লিখে, ‘বশিষ্ঠ’ আৰু ‘বসিষ্ঠ’ শব্দ দুয়োটি একে অৰ্থসূচক তেনেদৰে ‘সালৈ’/‘শালৈ’ দুয়োটাই শুদ্ধ। এই শালৈ জাতিৰ সম্পৰ্কে জানিবলৈ চন্দ্ৰকান্ত অভিধানত চকু ফুৰাই লেখকে ‘সালৈ, হালৈ বি. অসমীয়া হিন্দুৰ এটা জাতি’[১০] বুলি জানিব পাৰিছিল। সেইদৰে ‘হেমকোষ’ অভিধানত ‘শালৈ— বি. অসমীয়া হিন্দুসকলৰ পৰিচয়জ্ঞাপক এটা উপাধি’ [১১] বুলি উল্লেখ আছে। তাতে ‘হালৈ১ বি. সন্দেশ আদি মিঠা বস্তু কৰা মানুহ আৰু হালৈ২ বি. অসমীয়া হিন্দু ফৈদৰ উপাধি’[১২] বুলি উল্লেখ আছে। ‘সামগ্ৰিক অসমীয়া শব্দকোষ’ অভিধানত ‘শালৈ বি. এটা অসমীয়া জাতি’[১৩] আৰু ‘হালৈ বি. অসমৰ এটা হিন্দু সম্প্ৰদায়’[১৪] বুলি উল্লেখ আছে। আনহাতে বিশিষ্ট লেখক উপেন ৰাভা হাকাচামৰ ‘অসমীয়া আৰু অসমৰ খিলঞ্জীয়া উপাধি’ শীৰ্ষক গ্ৰন্থত ‘শালৈঃ বৰ্ণ হিন্দু (বৃত্তি) কমাৰ, কঁহাৰ আদি বৃত্তিৰ লগত জড়িত’[১৫] আৰু ‘হালৈঃ হালোৱা কেওট(বৃত্তি)<হাল+উৱৈ/হালৈ (মিঠাই প্ৰস্তুতকৰ্তা)’[১৬] বুলি উল্লেখ আছে।

‘পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি’ শীৰ্ষক গ্ৰন্থত মহেশ্বৰ নেওগে প্ৰসংগ অনুসৰি ‘শালৈ’ শব্দটি স্পষ্টকৈ ব্যৱহাৰ কৰিছে। গতিকে ‘শালৈ’ বা ‘সালৈ’ আৰু ‘হালৈ’ একে জাতি নহয় বুলি লেখক নিশ্চিত হৈছে। সেয়ে শালৈসকল বংশোদ্ভৱ জাতি বুলি লেখকে যুক্তি প্ৰদৰ্শন কৰিছে।

অগ্ৰজ ব্যক্তিসকলে শালৈ জাতিৰ বংশধৰ সম্পৰ্কে কোৱা কথাৰ ভিত্তিতেই লেখকে নিজৰ যুক্তি দাঙি ধৰিছে। গিৰিন্দ্ৰ নাথ ঠাকুৰীয়া নামৰ ব্যক্তিগৰাকীয়ে আৱাহন আলোচনীত ‘অসমত শালৈ জাতি আৰু শাল জাতি’ নামৰ প্ৰবন্ধটিত শালৈ সম্প্ৰদায়ৰ উৎপত্তি সম্পৰ্কে এনেদৰে লিখিছে যে—

খ্ৰীষ্টিয় ৫ম শতিকাত প্ৰাগজ্যোতিষপুৰতেই শালস্তম্ভই ‘শালস্তম্ভ’ বংশ প্ৰতিষ্ঠা কৰিছিল। শালস্তম্ভ নৰক ৰাজপুত্ৰ ভগদত্তৰ বংশধৰ আছিল বুলি জনা যায়। পশ্চিম ভাৰতৰ পৰা নৰকে কিছু আৰ্য লোক আনি প্ৰাগজ্যোতিষপুৰত বহুৱাইছিল। ৰজা শালস্তম্ভ আৰ্যসম্ভুত আৰু পৰৱৰ্তী পৰ্যায়ত তেওঁৰ বংশধৰসকলেই শালৈ সম্প্ৰদায় হিচাপে পৰিচয় লাভ কৰিছিল।[১৭]

শালস্তম্ভ নামটোৰ অৰ্থ হৈছে ‘শাল কাঠৰ স্তম্ভ’।[১৮] শালৈয়ে এই শালস্তম্ভ বংশৰ আঁতিগুৰি বিচাৰ কৰিবলৈ ৰত্নপালৰ বৰগাওঁৰ লিপিৰ সহায় লৈছিল। এই লিপি মতে “নৰক বংশানুক্ৰমে কেবাজনো ৰজাই সমগ্ৰ দেশ শাসন কৰাৰ পিছত, ভাগ্যৰ বিপৰ্যয়ত এজন মুখ্য ম্লেছ নায়কে

ৰাজ্য অধিকাৰ কৰি লয়। এইজনেই আছিল শালস্তম্ভ। শালস্তম্ভই খ্রীঃ ৬৫৫ৰ পৰা ৬৭৫ খ্রীষ্টাব্দলৈ আৰু তেওঁৰ বংশধৰসকলে ৯৮৫ খ্রীষ্টাব্দলৈ প্রাচীন কামৰূপত ৰাজত্ব কৰিছিল।"[১৯] গতিকে গিৰিন্দ্র নাথ ঠাকুৰীয়াই ৫ম শতিকাৰ ৰজা বুলি কোৱা শালস্তম্ভক লেখকে ৭ম শতিকাৰ বুলি প্রমাণ সহকাৰে ব্যাখ্যা কৰিছিল। সেইদৰে ঠাকুৰীয়াই শালস্তম্ভক আৰ্যসম্ভুত বুলি কোৱা যুক্তিক খণ্ডন কৰি গেইটৰ মন্তব্য তুলি দিছে—

"With a reference to Narak "of the Asur race" who conquered Kamrupa and took up his abode in pragjyotisha, "the best of towns." He was followed by his son Bhagdatta, and the latter by others of his line for several generations. Then, "by an adverse turn of fate." the Kingdom was taken possession of by Sala Stambha,a great chief of the Mlechchhas."[২০]

পৰৱৰ্তী সময়ত স্লেচ পৰিয়ালৰ শালস্তম্ভৰ উত্তৰাধিকাৰীসকলে অহিন্দু মঙ্গোলীয়ৰ পৰা হিন্দু ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল বুলি শালৈয়ে উল্লেখ কৰিছে। তথাপি এই ম্লেচ্ছসকলৰ শৰীৰত 'মংগোলীয়' প্রজাতীয় লক্ষণবোৰ বিদ্যমান বুলি কৈছে। নৃতত্ত্ববিদসকলে মঙ্গোলীয়ৰ আৱয়বিক বৈশিষ্ট্যৰ বৰ্ণনা এনে ধৰণে দিছে—"চৰ্মবৰ্ণ পীত বা পীত পিংগল, কেশ ক'লা, ঋজু আৰু অমসৃণ। দাড়ি-গোফ আৰু গাৰ নোম তাকৰ। মুখমণ্ডল বহল আৰু চেপেটা। কপালোস্থি বৰ স্পষ্ট। নেত্র বক্র, নেত্র কোণ ঠেক। অন্তঃনেত্রচ্ছেদ বা সম্পূর্ণ মংগোলীয় নেত্রচ্ছেদ মংগোলীয়ৰ বিশেষ লক্ষণ।"[২১] গতিকে এনেধৰণৰ মঙ্গোলীয় লোকৰ শাৰীৰিক বৈশিষ্ট্য শালৈ লোকসকলৰ মাজত বিচাৰিলে পোৱা নাযায় বাবে শালৈসকল 'শালস্তম্ভ' বংশধৰ নহয় বুলি লেখকে মতামত ব্যক্ত কৰিছে।

নৰকে আৰ্য আনি তেওঁৰ ৰাজ্যত বহুৱাৰ কথা ইতিহাস সম্বন্ধীয় গ্রন্থত উল্লেখ আছে। সেয়ে শালৈ জাতিৰ সমল সংগ্ৰহকাৰী যাদৱ চন্দ্ৰ দাসে নৰকৰ দিনতে অহা আৰ্যসকলৰ লগতে শালৈসকলো আহি অসমত বসবাস কৰিবলৈ লয় বুলি প্রতিপন্ন কৰিবলৈ বিচাৰিছিল। কিন্তু শালৈয়ে এই ক্ষেত্ৰত বিখ্যাত চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ কামৰূপ সম্পৰ্কীয় টোকাৰ প্ৰসংগ দাঙি ধৰে। টোকাত এনেদৰে উল্লেখ আছে—"বৰ্তমানৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মা পুৰণি নাৰায়ণদেৱৰ বংশ। জাতিত তেওঁ ব্ৰাহ্মণ। .....ৰজাজনক ব্ৰাহ্মণ বুলি কোৱা হৈছে যদিও তেওঁ হিন্দু আছিল, বৌদ্ধ নহয়। বৰ্মন (বৰ্ম, ৰণুৱাই পিন্ধা লোৰ কৱচ) হ'ল ক্ষত্ৰিয়ৰ সাধাৰণ উপাধি আৰু সেয়ে আৰ্য আৰু অনাৰ্যমূলৰ সকলো ৰজায়েই এই উপাধি ধাৰণ কৰিছিল।"[২২] টোকাত ব্যক্ত কৰা ব্ৰাহ্মণ, ক্ষত্ৰিয়সকল বৈদিক সাহিত্যত উল্লিখিত চাৰিটা বৰ্ণ বা জাতিৰ অন্যতম বুলি শালৈয়ে কৈছে। তাত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ—এই চাৰি জাতিৰ বাহিৰে আন কোনো জাতিৰ উল্লেখ নাই। গতিকে বৃত্তিগত জাতিৰ ভাগবোৰ বহু পিছতহে সৃষ্টি হৈছিল বুলি কৈ শালৈ জাতিৰ লোকসকল নৰকৰ দিনতে অসমলৈ অহাটো বিশ্বাসযোগ্য নহয় বুলি তেওঁ মন্তব্য কৰিছে। পিছত লেখকে ভাৰতীয়ৰ মাজত থকা প্ৰজাতীয় উপাদান সম্পৰ্কে আলোচনা কৰি শালৈ জাতিৰ বংশধৰৰ সম্ভেদ কৰিছে। ভাৰতীয়ৰ প্ৰজাতীয় উপাদানৰ ক্ষেত্ৰত ড° বিৰজাশংকৰ গুহ, ড° শংশাকশেখৰ সৰকাৰ আদি বিভিন্ন নৃতাত্বিকবিদৰ মাজত বিভিন্ন মত থকা দেখা যায়। নৃতাত্বিকবিদসকলে পৃথিৱীৰ সকলো মানুহকে একগোট কৰি 'হম'ছেপিয়েন্স' নামৰ মানৱ জীৱগোষ্ঠী বুলি কৈছে। এই মানৱ গোষ্ঠীটোৱে ককেছীয়, মংগোলীয়, নিগ্ৰো, অষ্ট্ৰেলীয়—এই চাৰিটা মুখ্য প্ৰজাতিত বিভক্ত, লগতে 'আৰ্যগোষ্ঠী' এটাৰো সুকীয়া অস্তিত্ব আছে বুলি শালৈয়ে উল্লেখ কৰিছে। ইণ্ডো আৰ্যৰ আগমনত ভাৰতবৰ্ষৰ এটা নতুন যুগৰ সূচনা হয়, সাংস্কৃতিক আৰু প্ৰজাতীয় ইতিহাসৰ বিশেষ পৰিৱৰ্তন হয়। ইণ্ডো-আৰ্যসকল সাধাৰণতে আৰ্য নামেৰেই পৰিচিত। তেওঁলোকে স্বকীয় উন্নত সংস্কৃতিৰে পৰিপূৰ্ণ হৈ উত্তৰ-পশ্চিম কোণেৰে ভাৰতবৰ্ষত প্ৰৱেশ কৰে।[২৩] পিছলৈ এওঁলোক সিন্ধু উপত্যকা, গঙ্গা-যমুনা উপত্যকা, বিহাৰ, বঙ্গ, অসম আৰু তাৰ দাঁতি কাষৰীয়া অঞ্চললৈ সিচঁৰতি হৈ পৰে বুলি জনা যায়। ইণ্ডো আৰ্যসকলে ভাৰতলৈ অহাৰ আগতেই কৃষিকৰ্ম জানিছিল। ধাতুবিদ্যাত পাৰদৰ্শী আছিল আৰু অন্যান্য বিদ্যাও তেওঁলোকৰ আয়ত্তাধীন আছিল। এইদৰে স্বকীয় সাংস্কৃতিক বৈশিষ্ট্য আৰু আবয়বিক লক্ষণেৰে ইণ্ডো আৰ্য ভাৰতবৰ্ষৰ এটা স্বতন্ত্ৰ প্ৰজাতি গোট। তেওঁলোক আগৰ অষ্ট্ৰেলীয় আৰু ভূমধ্যসাগৰীয়ৰ পৰা পৃথক। ইণ্ডো-আৰ্যসকল ওখ। তেওঁলোকৰ চৰ্ম-বৰ্ণ আৰু নেত্ৰবৰ্ণ পাতল। কেশোও অষ্ট্ৰেলীয় কেশৰ নিচিনা ইমান ক'লা নহয়। ইণ্ডো-আৰ্যও দীৰ্ঘমস্তকী। কিন্তু তেওঁলোকৰ মস্তক দীৰ্ঘতৰ। আয়তনো বৃহৎ। কৰোটিধাৰণ ক্ষমতাও বেছি। দৈহিক গঠন অধিক দৃঢ় আৰু সৰল। .... পশ্চিম বিহাৰলৈ দীৰ্ঘমস্তকী ইণ্ডো-

আৰ্যৰ অখণ্ডিত বিস্তাৰ দেখি অহা হৈছে। পূব বিহাৰ, বংগ, অসম আৰু তাৰ দাঁতি কাষৰীয়া অঞ্চলত দীৰ্ঘমস্তকৰ স্থান ল'লে মধ্যমস্তকে। এই অঞ্চলৰ মানুহ মধ্যমীয়া উচ্চতাৰ। মধ্যকাম, মধ্যমস্তক, ইৰানো-চীথীয়ৰ অৱদান বুলি সৰকাৰে ক'ব খোজে।[২৪] এনেবোৰ তথ্যৰ ভিত্তিতেই শালৈয়ে আৰ্যৰ লগত শালৈসকলৰ শাৰীৰিক গঠন, সমাজ-ব্যৱস্থা, ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি আদিৰ সামঞ্জস্যতা থকা বুলি কৈছে। সেয়ে শালৈ জাতিৰ লোকসকল আৰ্যগোষ্ঠীৰহে বংশধৰ হ'ব পাৰে বুলি মন্তব্য কৰিছে।

এইখিনিতে উল্লেখ কৰিব লাগে যে শালৈ জাতিৰ উন্নতিৰ হকে ১৯২০ চনত জন্ম হোৱা অসম শালৈ সন্মিলনী নামৰ অনুষ্ঠানটি 'অসম আৰ্য শালৈ সন্মিলন' আৰু 'অসম শালৈ ক্ষত্রিয় সন্মিলনী' নামেৰে দুটা ভাগত বিভক্ত আছিল। পৰৱৰ্তী সময়ত বিভাজনসূচক শব্দ দুটাৰ সলনি অনুষ্ঠানটি 'অসম শালৈ সন্মিলনী' নামেৰে পৰিচিত লাভ কৰিলে। এই শালৈ জাতিৰ লোকসকলে নিজকে আৰ্য বুলি মানি লৈছে যদিও 'ক্ষত্রিয় সম্ভূত' হয় নে নহয় বিচাৰ কৰিবলৈ লেখকে ভাৰতীয় আৰ্যসকলৰ জাতি গঠনৰ প্ৰক্ৰিয়াটো আলোচনা কৰিছে। এনে বৰ্ণনাৰ পিছত লেখকে আমাৰ আলোচ্য জাতি শালৈসকল আৰ্যগোষ্ঠীৰ 'শল্য বা শালবৰ' বংশধৰ হ'ব পাৰে বুলি যুক্তি আগবঢ়াইছে। মহাভাৰত প্ৰসিদ্ধ 'শল্য' বা 'শালৱ' দুয়োগৰাকী ক্ষত্রিয় ৰজা আছিল। মদ্র দেশৰ ৰজা শল্য পাণ্ডুৰ দ্বিতীয়া পত্নী মাদ্ৰীৰ ককায়েক আছিল। সেইসূত্ৰে ৰজা শল্য পাণ্ডৱসকলৰ মোমায়েক হয়। কিন্তু মহাভৰতৰ শৈল পৰ্বত বৰ্ণিত অনুসৰি এওঁ পাণ্ডৱসকলৰ মোমায়েক হ'লেও কুৰুক্ষেত্ৰ যুদ্ধত কৌৰৱ পক্ষৰ হকে যুঁজি যুধিষ্ঠিৰৰ হাতত স্বৰ্গগামী হয়। লেখকে মহাভাৰতৰ দিনৰ মদ্র ৰাজ্যৰ বৰ্তমান অৱস্থিতি পঞ্জাব, হাৰিয়ানা হ'ব পাৰে বুলি কৈছিল। সেয়ে পূৱলৈ প্ৰব্ৰজন ঘটা আৰ্যসকলৰ মাজৰ কিছু সংখ্যক শল্য বংশধৰ উল্লিখিত অঞ্চলৰ পৰা বিহাৰলৈ আহিছিল বুলি তেওঁ ক'ব বিচাৰে।

আনহাতে মহাভাৰতত বৰ্ণিত শালৱ ৰজা সৌৱল দেশৰ ৰজা আছিল। তেওঁ সখী শিশুপালৰ দৰে কৃষ্ণ বিদ্বেষী আছিল আৰু তেওঁ কৃষ্ণৰ হাততেই মৃত্যুবৰণ কৰিছিল। লেখকে সৌৱল দেশৰ অৱস্থিতি সম্পৰ্কে জানিবলৈ মহাভাৰতত উল্লিখিত ৰজা জৰাসন্ধৰ প্ৰসঙ্গ আনিছিল। মগধৰ ৰজা জৰাসন্ধৰ বন্ধু আছিল শিশুপাল-শালবৰ। বনপৰ্বত উল্লেখ থকা অনুসৰি ৰজা শালবৰৰ আমন্ত্ৰণ পাই জৰাসন্ধ তেওঁৰ ৰাজ্যলৈ ৰাওনা হৈছিল। তেওঁ পাণ্ডৱসকলে বনবাসী হিচাপে জীৱন কটোৱা কাম্যক বন অতিক্ৰম কৰিহে শালৱ ৰাজ্যত উপস্থিত হৈছিল। 'Ancient Geography of India' গ্ৰন্থৰ লেখক আনন্দৰাম বৰুৱাই উল্লেখ কৰিছিল যে—"কাম্যক বন নহন (Nahan) আৰু অম্বলাৰ মাজত সৰস্বতী নদীৰ পাৰত সৌৱল সৰস্বতী আৰু যমুনা নদীৰ মাজৰ উপত্যকা অঞ্চলৰ উত্তৰ ভাগ।"[২৫] সেয়ে ভাৰতীয় আৰ্যসকল পূৱফাললৈ আহোঁতে উল্লিখিত অঞ্চলৰ পৰা শালৱৰ বংশধৰসকল আহি বিহাৰত প্ৰৱেশ কৰাৰ সম্ভাৱনীয়তাক লেখকে নসাৎ কৰিব পৰা নাই। তেওঁ ৰচনাটিৰ পৰৱৰ্তী পৰ্যায়ত শল্য বা শালবৰ বংশধৰসকলে 'শালৈ' উপাধি ব্যৱহাৰ কৰাৰ আঁৰৰ কাহিনী বৰ্ণনা কৰিছে। মানুহে জীয়াই থকাৰ উদ্দেশে সংগ্ৰাম কৰাৰ কাহিনী নকৈ ক'বলগীয়া নাই। গতিকে জীয়াই থকাৰ নিমিত্তে ৰাজবংশধৰ হ'লেও বিভিন্ন পৰিস্থিতিত সাধাৰণ মানুহৰ দৰে জীৱন অতিবাহিত কৰাৰ উদাহৰণ ইতিহাসত উল্লেখ আছে। শল্য বা শালবৰ বংশধৰসকলেও বিহাৰত প্ৰৱেশ কৰাৰ পাছতেই অন্য কাম নকৰি মিঠাই বনোৱা বৃত্তিটোক গ্ৰহণ কৰি বংশ অনুসৰি 'শালৈ' উপাধি ব্যৱহাৰ কৰিছিল। সেয়ে লেখকে কৈছে যে মহাৰাজ নৰনাৰায়ণেও বিহাৰৰ পৰা শালৈসকলৰ কেইটামান পৰিয়াল আনি কামাখ্যা মন্দিৰত মিষ্টান্ন তৈয়াৰ কৰা পাইক হিচাপে বহুৱাই দিলে। সময় বাগৰাৰ লগে লগে এওঁলোকে মিষ্টান্ন তৈয়াৰ কৰা বৃত্তিটোৰ জৰিয়তে চলিবলৈ অসুবিধা হোৱা বাবে খেতি-বাতি কৰি জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ চেষ্টা কৰিছিল।

উল্লিখিত বৰ্ণনাৰ পিছত লেখকে শল্য বা শালবৰ বংশধৰৰ কোনবোৰ চাৰিত্ৰিক বৈশিষ্ট্য কিছু পৰিমাণে হ'লেও শালৈসকলৰ মাজত দেখিবলৈ পোৱা যায় সেয়া জানিবলৈ বিচাৰিছে। কিয়নো মনস্তত্ববিদৰ মতে পূৰ্বপুৰুষৰ চাৰিত্ৰিক বৈশিষ্ট্য পৰৱৰ্তী বংশধৰৰ মাজত অলপ হ'লেও দেখিবলৈ পোৱা যায়। সেয়ে লেখকে ইয়াৰ জৰিয়তে শালৈসকল কোনটো বংশৰ হ'ব পাৰে সেয়া নিশ্চিত হ'বলৈ বিচাৰিছে। আগতে উল্লেখ কৰা হৈছে যে পাণ্ডৱসকলৰ মোমায়েক হোৱা সত্বেও বন্ধু অনুগত হোৱা বাবে শল্যই কুৰুক্ষেত্ৰ যুদ্ধত দুৰ্যোধনৰ পক্ষ লৈছিল। শল্যই এনে কৰাৰ কাৰণ হিচাপে মহাভাৰতৰ শান্তি পৰ্বত ভীষ্মই বৰ্ণনা কৰা কথাৰ অৱতাৰণা কৰিছে। মহাজ্ঞানী ভীষ্ম কৌৰৱ তথা পাণ্ডৱ উভয় পক্ষৰে পিতামহ গুৰু আছিল। ভীষ্মৰ পাণ্ডৱৰ প্ৰতি

আন্তৰিকতা অধিক থকাৰ পিছতো কৌৰৱৰ হকে যুদ্ধ কৰিছিল। শৰশয্যাত পৰি থকা ভীষ্মই পাণ্ডৱ সহিতে দ্ৰৌপদীয়ে দেখা কৰিবলৈ যাওঁতে তেওঁ দুৰ্যোধনৰ পাপান্ন খাই জীৱন ধাৰণ কৰাৰ বাবে দ্ৰৌপদীৰ পক্ষে হোৱা অন্যায়ত, পাশা খেলত হাৰি পাণ্ডৱক বনবাস দিয়া অন্যায়ৰ বিৰুদ্ধে আৰু কুৰুক্ষেত্ৰ যুদ্ধৰ সময়তো দুৰ্যোধনৰ বিৰুদ্ধে থিয় দিয়াৰ সাহস কৰা নাছিল। সেয়ে ভীষ্মই স্বীকাৰ কৰিছিল যে মহাশক্তিমান হ'লেও অন্যায়ৰ হকে যুঁজিলে ন্যায় আৰু ধৰ্মৰ হকে যুঁজোতাসকলৰ হাতত প্ৰাণ হেৰুৱাবলগীয়া হয়। কিন্তু ভীষ্ম, শল্য কৃষ্ণ বিদ্বেষী নাছিল। পাণ্ডৱৰ বিপক্ষে যুঁজ দিলেও তেওঁলোকে মনে-প্ৰাণে পাণ্ডৱৰ জয় হোৱাটো বাঞ্ছা কৰিছিল। আনহাতে অসমত বাস কৰা শান্তিপ্ৰিয় শালৈসকল শংকৰদেৱ-মাধৱদেৱ, দামোদৰদেৱ-হৰিদেৱে দেখুৱাই যোৱা সত্ৰীয়া সংস্কৃতিৰ সৈতে জড়িত বুলি লেখকে কৈছে। লগতে ধৰ্ম বিদ্বেষী লোক শালৈ সমাজত নাই বুলি তেওঁ মন্তব্য কৰিছে। অসমৰ বিখ্যাত মহাপুৰুষীয়া বৰপেটা সত্ৰত ফলিত লিখা সেৱক তালিকাত প্ৰথম সোতৰজনেই শালৈ জাতিৰ লোক আছিল বুলি শুনা যায়।২৬ গতিকে শালৈ জাতিৰ ভিতৰত কৃষ্ণবিদ্বেষী লোক নাই বাবে এওঁলোক শল্য বংশধৰ হয় বুলিহে লেখক নিশ্চিত হৈছে।

ইয়াৰ উপৰি শল্য ৰজা ক্ষত্ৰিয় হোৱা বাবে ক্ষত্ৰিয়ৰ মাজত থকা দুটি বিশেষ গুণ-স্বাৱলম্বিতা আৰু দেশপ্ৰেম শালৈসকলৰ মাজতো দেখা যায় বুলি কৈছে। এওঁলোকৰ মাজৰ বহুতো দুখীয়া পৰিয়ালে ঠগ-প্ৰৱঞ্চনা, চুৰি-ডকাইতি বেয়া কামৰ পৰা আঁতৰত থাকি যথাসাধ্য পৰিশ্ৰম কৰি আনৰ ওচৰত হাত নপতাকৈ জীৱন কটোৱাৰ কথা উল্লেখ কৰিছে। লগতে এওঁলোকৰ অন্তৰত দেশপ্ৰেম ভাৱনা থকাৰ বাবে দৰঙৰ পথৰুঘাটৰ ৰণ, ৰঙিয়াৰ কৃষক বিদ্ৰোহ, অসহযোগ আন্দোলন, ভাৰত ত্যাগ আন্দোলন, সমাজ-সেৱা আদিৰ ক্ষেত্ৰত আগভাগ লৈছিল। ৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ মুকুন্দ কাকতি, বিদেশী বহিষ্কাৰ আন্দোলনৰ শ্বহীদ সুনন্দ শালৈয়ে আমাক দেশপ্ৰেমৰ নিদৰ্শন দেখুৱাই থৈ গৈছে। লেখকে শালৈ জাতিৰ কিছুমান লোকৰ বাহিৰে বেছিভাগ লোকেই শালৈ উপাধিৰ সলনি অন্য উপাধি লিখাৰ ফলত শালৈ লোকসকলক চিনাক্ত কৰাত অসুবিধা হৈছে বুলি ৰচনাটিৰ শেষত আক্ষেপ কৰিছে। সেয়ে অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতি, শিক্ষা, ৰাজনীতি, স্বাধীনতা আন্দোলনত তেওঁলোকৰ অৱদান সম্পৰ্কে সঠিকভাৱে উল্লেখ কৰিব নোৱাৰিলে যদিও তেওঁ নিজৰ অভিজ্ঞতাৰে উল্লিখিত আটাইকেইটা দিশতে শালৈ জাতিৰ অৱদান এৰাই চলিব নোৱাৰা বিধৰ বুলি কৈছে।

**২.০০ উপসংহাৰ ঃ**

শালৈ জাতিৰ ঐতিহ্য জনাৰ ক্ষেত্ৰত এই গ্ৰন্থখনৰ এক বিশেষ ভূমিকা আছে। শালৈ জাতিৰ গৌৰৱময় ইতিহাসৰ জৰিয়তে লেখকে অন্য উপাধি গ্ৰহণ কৰা শালৈ লোকসকলৰ মাজত সচেতনতা বৃদ্ধি কৰি নিজৰ পৰিচয় সগৌৰৱে প্ৰদান কৰিবলৈ উৎসাহ প্ৰদান কৰিছিল। নিজৰ জাতি তথা জনমভূমিৰ প্ৰতি দায়িত্বশীল কৰি গঢ়ি তোলাৰ প্ৰচেষ্টাৰ লগতে তেওঁলোকৰ মাজত একতাৰ এনাজৰীডাল কটকটীয়া কৰিবলৈও লেখকে উঠি-পৰি লাগিছিল। সেয়ে শালৈ লোকসকলক অসমৰ অন্যান্য পিছপৰা সম্প্ৰদায় হিচাপে পিছ পৰি নাথাকি ভাষা-সাহিত্য, শিক্ষা, ৰাজনীতি, সংস্কৃতি আদি সকলো দিশতে আত্মবিশ্বাসেৰে নিজৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈ গ্ৰন্থখনৰ যোগেদি অনুপ্ৰেৰিত কৰিছে বুলি ক'ব পাৰি। ❑

**প্ৰসঙ্গ টোকা ঃ**

১. শৰ্মা, উপেন্দ্ৰজিৎ (সম্পা.) ঃ পদ্মৰাম শালৈ ৰচনাৱলী (প্ৰথম খণ্ড), পৃ. ৬৬২
২. সদ্যোক্ত, পৃ. ৬৬২
৩. সদ্যোক্ত, পৃ. ৬৭০
৪. সদ্যোক্ত, পৃ. ৬৬৫
৫. নেওগ, মহেশ্বৰ ঃ মহেশ্বৰ নেওগৰ ৰচনাৱলী (প্ৰথম খণ্ড), পৃ. ১৮৭
৬. বৰুৱা, দেৱানন্দ (সম্পা) ঃ নতুন সংস্কৰণহেমকোষ, পৃ. ১১২৮
৭. বৰুৱা, কনকলাল ঃ আৰ্লি হিষ্টৰী অফ কামৰূপা, পৃ. ২৯৯
৮. নেওগ, মহেশ্বৰ ঃ ষ্টাডিজ ইন দ্যা আৰ্লি হিষ্টৰী অফ আসাম, পৃ.১৬৮
৯. শৰ্মা, গিৰিধৰ ঃ অসমীয়া জাতিৰ ইতিবৃত্ত, পৃ. ২১
১০. গোস্বামী, মালিনী (সম্পা.) ঃ চন্দ্ৰকান্ত অভিধান, পৃ. ৮৩১

১১. বৰুৱা, দেৱানন্দ (সম্পা.) ঃ নতুন সংস্কৰণহেমকোষ, পৃ. ১২২০
১২. সদ্যোক্ত, পৃ. ১৩৭৪
১৩. পাঠক, ৰমেশ ঃ সামগ্রিক অসমীয়া শব্দকোষ, পৃ. ১২৯২
১৪. সদ্যোক্ত, পৃ. ১৪৬১
১৫. হাকাচাম, উপেন ৰাভা ঃ অসমীয়া আৰু অসমৰ খিলঞ্জীয়া উপাধি, পৃ.২১৯
১৬. সদ্যোক্ত, পৃ. ২২৭
১৭. শৰ্মা, উপেন্দ্ৰজিৎ (সম্পা.) ঃ পদ্মৰাম শালৈ ৰচনাৱলী (প্ৰথম খণ্ড), পৃ. ৬৬৭-৬৬৮
১৮. শৰ্মা, শচীন ঃ পুৰণি কামৰূপৰ চমু ইতিহাস, পৃ.৬৮
১৯. শৰ্মা, উপেন্দ্ৰজিৎ (সম্পা.)ঃ পদ্মৰাম শালৈ ৰচনাৱলী (প্ৰথম খণ্ড), পৃ. ৬৬৮
২০. গেইট, এডৱাৰ্ড ঃ এ হিষ্টৰী অফ আসাম, পৃ. ২৯
২১. শৰ্মা, গিৰিধৰ ঃ অসমীয়া জাতিৰ ইতিবৃত্ত, পৃ. ১৪
২২. শৰ্মা, শচীন ঃ পুৰণি কামৰূপৰ চমু ইতিহাস, পৃ.৬১-৬২
২৩. শৰ্মা, গিৰিধৰ ঃ অসমীয়া জাতিৰ ইতিবৃত্ত, পৃ. ২১
২৪. সদ্যোক্ত, পৃ. ২১-২২
২৫. শৰ্মা, উপেন্দ্ৰজিৎ (সম্পা.) ঃ পদ্মৰাম শালৈ ৰচনাৱলী (প্ৰথম খণ্ড), পৃ. ৬৭১
২৬. সদ্যোক্ত, পৃ. ৬৭২

**গ্ৰন্থপঞ্জী**

**অসমীয়া**

**মুখ্য সমল ঃ**

শৰ্মা, উপেন্দ্ৰজিৎ (সম্পা.)। পদ্মৰাম শালৈ ৰচনাৱলী (প্ৰথম খণ্ড)। প্ৰথম প্ৰকাশ, ছেপ্তেম্বৰ, ২০১৮, অসম সাহিত্য সভা, যোৰহাট-১, মুদ্ৰিত।

**সহায়ক গ্ৰন্থ ঃ**

গোস্বামী, মালিনী (সম্পা.)। চন্দ্ৰকান্ত অভিধান। চতুৰ্থ সংস্কৰণ, ২০১২, গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন, গুৱাহাটী-১৪, মুদ্ৰিত।
নেওগ, মহেশ্বৰ। মহেশ্বৰ নেওগৰ ৰচনাৱলী (প্ৰথম খণ্ড)। প্ৰথম সংস্কৰণ, ১৯৮৬, বাণী মন্দিৰ, ডিব্ৰুগড়-০১, মুদ্ৰিত।
পাঠক, ৰমেশ।সামগ্ৰিক অসমীয়া শব্দকোষ । দ্বিতীয় পৰিৱৰ্ধিত সংস্কৰণ, ২০২০, অশোক বুক ষ্টল, গুৱাহাটী, পাণবজাৰ, মুদ্ৰিত।
বৰুৱা, দেৱানন্দ (সম্পা.)। নতুন সংস্কৰণ হেমকোষ । পঞ্চদশ সংস্কৰণ, ২০১৩, গুৱাহাটী, চান্দমাৰী-৩, মুদ্ৰিত।
শইকীয়া, নগেন। অসমীয়া মানুহৰ ইতিহাস। দ্বিতীয় সংস্কৰণ, ২০১৬, কথা প্ৰকাশন, গুৱাহাটী-১, মুদ্ৰিত।
শৰ্মা, নবীন চন্দ্ৰ। দৰং ৰাজবংশাৱলী। প্ৰথম প্ৰকাশ, নৱেম্বৰ, ১৯৭৩, গুৱাহাটী, পাণবজাৰ-১, মুদ্ৰিত।
শৰ্মা, গিৰিধৰ। অসমীয়া জাতিৰ ইতিবৃত্ত । চতুৰ্থ প্ৰকাশ, জুলাই, ২০১১, বনলতা, গুৱাহাটী-১, মুদ্ৰিত।
শৰ্মা, শচীন। পুৰণি কামৰূপৰ চমু ইতিহাস । প্ৰথম প্ৰকাশ, ছেপ্তেম্বৰ, ২০২১, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, মুদ্ৰিত।
হাকাচাম, উপেন ৰাভা। অসমীয়া আৰু অসমৰ খিলঞ্জীয়া উপাধি । প্ৰথম সংস্কৰণ, নৱেম্বৰ, ২০১৩, ৰেখা প্ৰকাশন, গুৱাহাটী-১, মুদ্ৰিত।

**ইংৰাজী ঃ**

Barua, Bahadur, Rai, K.L., Early History of Kamrupa, 1933, Published by the Author, Shillong.
Gait, Sir Edward. A History of Assam, Second Edition,1926, Thacker, Spink & Co., Calcutta and Simla.
Neog, Maheswar (ed.). Studies in the Early History of Assam, Second Edition, 2009, Chandra Parakash, Guwahati.

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# প্ৰাক্-স্বাধীনতা কালৰ অসম সাহিত্য সভাৰ সভাপতিসকলৰ অভিভাষণত বিশ্বসাহিত্যৰ প্ৰসঙ্গ ঃ এটি অধ্যয়ন



**জুমি বৰ্মন**
গৱেষক ছাত্ৰী, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
৮০৯৯২৮৭৭২৪
barmanjumi76@gmail.com



**ড° বিপুল মালাকাৰ**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
নগাঁও ছোৱালী কলেজ, নগাঁও
৯৩৬৫০৬২৫৭৮

**সংক্ষিপ্তসাৰ ঃ**

সাম্প্ৰতিক সময়ৰ এটা বহুল আৰু জনসমাদৃত বিষয় হ'ল বিশ্বসাহিত্য। ইংৰাজী 'world Literature' শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত বিশ্বসাহিত্য পদটো ব্যৱহাৰ কৰা হয়। বিশ্বসাহিত্যৰ পৰিসৰ যথেষ্ট বিস্তৃত। বিশ্বৰ বিভিন্ন দেশৰ জাতীয় সাহিত্যক বিশ্বসাহিত্যই সামৰি লয়। পৃথিৱীৰ প্ৰায় প্ৰতিখন ৰাষ্ট্ৰৰে কেতবোৰ উচ্চ শ্ৰেণীৰ কালজয়ী আৰু মহত্বপূৰ্ণ গ্ৰন্থ আছে। যিবোৰে সমগ্ৰ বিশ্বৰ জনতাৰ হৃদয় স্পৰ্শ কৰিব পাৰে। এনে সাহিত্যসমূহ সেই ৰাষ্ট্ৰৰে কেৱল নহয়, বৰঞ্চ সমগ্ৰ বিশ্ববাসীৰ অমূল্য সম্পদ হৈ পৰে। এনে কালজয়ী, মহৎ আৰু মানৱতাক উচ্চ শিখৰত অধিষ্ঠিত কৰা সাহিত্যক বিশ্বসাহিত্য বুলি অভিহিত কৰিব পাৰি। দৰাচলতে ভিন্ন ৰাষ্ট্ৰ, বিভিন্ন আচাৰ-নীতি, ভিন্ন সাংস্কৃতিক পৰম্পৰাৰ মানুহৰ অন্তৰালতো এক মানৱীয় আবেগ-অনুভূতিয়ে ক্ৰিয়া কৰি থাকে। ফলস্বৰূপে সাহিত্যয়ো অন্য ৰাষ্ট্ৰলৈকে আপোনত্বৰ ভাৱ জাগ্ৰত কৰিব পাৰে। অসম সাহিত্য সভাৰ সভাপতিসকলৰ অভিভাষণত জাতীয় জীৱনৰ বিভিন্ন দিশ, অভাৱ-অনাটন, উন্নয়ণৰ বাবে কৰণীয়-অকৰণীয়, ভাষিক,সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন দিশ প্ৰতিভাত হৈ উঠিছে। তাৰ মাজতে বিশ্বসাহিত্যও ভূমুকি মাৰিছে। এনেবোৰ দিশৰ আলোচনাই জাতীয় জীৱনৰ ভেঁটি নিৰ্মাণত সহায়কাৰীৰ ভূমিকা পালন কৰে। আমাৰ আলোচনাত স্বাধীনতাৰ পূৰ্বৱৰ্তী কালৰ সভাপতিসকলৰ অভিভাষণত প্ৰতিফলিত বিশ্বসাহিত্য সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

**বীজশব্দ ঃ**

বিশ্বসাহিত্য, অসম সাহিত্য সভা, অভিভাষণ, উৰ্দু সাহিত্য, বঙ্গ সাহিত্য, ইউৰোপীয় সাহিত্য

**১.০০ বিষয়বস্তু ঃ**

উনবিংশ শতিকাত জাৰ্মান কবি গ্যেটে পোনতে বিশ্বসাহিত্যৰ ধাৰণা উপস্থাপন কৰিছিল। গ্যেটে "ৱেল্ট লিটাৰেটুৰ" অভিধাটো ব্যৱহাৰ কৰিছিল। গ্যেটেৰ বিশ্বসাহিত্য সম্পৰ্কীয় ধাৰণা কেৱল ক্লাছিকেল বা ধ্ৰুপদী সাহিত্যতে

সীমাৰদ্ধ নহয় জনপ্ৰিয় সাহিত্যকো সামৰি লৈছিল। বিংশ শতিকাত ৰবীন্দ্ৰনাথ ঠাকুৰে ভাৰতবৰ্ষত পোনতে বিশ্বসাহিত্য পদটো ব্যৱহাৰ কৰে। সম্প্ৰতি বিশ্বসাহিত্য পদটো অধিক ব্যাপক অৰ্থত ব্যৱহাৰ হ'বলৈ লৈছে। বৰ্তমান বিশ্বসাহিত্য শব্দই বিশ্বত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। বিশ্বসাহিত্য জগতব্যাপী সম্প্ৰসাৰিত। জগতৰ মানুহৰ মাজত এই সাহিত্যই আন্তৰিক যোগাযোগ স্থাপন কৰে। বিশ্বসাহিত্যই ৰাষ্ট্ৰীয় সাহিত্যৰ পৰিসম্পাপ্তি সূচিত নকৰে, বৰং ই ৰাষ্ট্ৰীয় সীমাৰ ভিতৰত সাহিত্য সীমাবদ্ধ কৰাৰ অৰ্থহীনতাৰ কথা উল্লেখ কৰে। অসম সাহিত্য সভা অসমীয়া জাতিৰ প্ৰাণৰ অনুষ্ঠান । ১৯১৭ চনতে জন্ম লাভ কৰা অসম সাহিত্য সভাই জাতীয় জীৱনৰ সৰ্বতোপ্ৰকাৰে মঙ্গল সাধনৰ নিমিত্তে কাম কৰি আহি সম্প্ৰতি বিশাল বটবৃক্ষত পৰিণত হৈছে। সাহিত্য সভাই অনুষ্ঠিত কৰা অধিৱেশনসমূহত সভাপতিসকলে প্ৰদান কৰা সুললিত আৰু তত্ত্বগধুৰ অভিভাষণসমূহ অসমীয়া ভাষা-সাহিত্যৰ অতি মূল্যৱান সম্পদ। স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত অসম সাহিত্য সভাৰ আসন শুৱনি কৰা সভাপতিসকল হ'ল — পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰধৰ বৰুৱা, কালিৰাম মেধি, হেমচন্দ্ৰ গোস্বামী, অমৃতভূষণ অধিকাৰী, কনকলাল বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ, বেণুধৰ ৰাজখোৱা, তৰুণৰাম ফুকন, কমলাকান্ত ভট্টাচাৰ্য, মফিজুদ্দিন আহমদ হাজৰিকা, নগেন্দ্ৰনাৰায়ণ চৌধুৰী, জ্ঞানদাভিৰাম বৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, ৰঘুনাথ চৌধাৰী, কৃষ্ণকান্ত সন্দিকৈ, ময়িদুল ইছলাম বৰা, আৰু নীলমণি ফুকন । আমাৰ অভিভাষণত প্ৰাক্-স্বাধীনতা কালৰ অভিভাষণখিনি সামৰি লোৱা হৈছে।

**১.০১ পৰিসৰ ঃ**

অসম সাহিত্য সভাৰ সভাপতিসকলৰ অভিভাষণত জাতি, ভাষা, সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, সমাজনীতি আদি বিভিন্ন দিশৰ পৰা আলোচনা কৰাৰ যথেষ্ট থল আছে। আমাৰ অধ্যয়নত কেৱল অভিভাষণসমূহত বিশ্বসাহিত্যৰ ৰেঙণি কেনেদৰে প্ৰতিভাত হৈ উঠিছে তাৰ ওপৰতহে আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ব।

**১.০২ উৎস আৰু পদ্ধতি ঃ**

অধ্যয়নৰ মুখ্য উৎস হিচাপে অসম সাহিত্য সভাৰ সভাপতিসকলৰ অভিভাষণৰ লিখিত পাঠসমূহ লোৱা হৈছে। গৌণ উৎস হিচাপে অধ্যয়নৰ লগত সম্পৰ্কিত বিভিন্ন গ্ৰন্থ, আলোচনী আদি লোৱা হৈছে। গৱেষণাপত্ৰখন প্ৰস্তুতকৰণৰ বাবে বৰ্ণণাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

**১.০৩ লক্ষ্য আৰু উদ্দেশ্য ঃ**

বিশ্বৰ বিভিন্ন প্ৰান্তৰ সাহিত্যৰ প্ৰসঙ্গ উত্থাপনেৰে অসমীয়া সাহিত্য উচ্চ শ্ৰেণীৰ সাহিত্যলৈ উন্নীত কৰাৰ প্ৰয়োজনীয়তা অভিভাষণসমূহত কেনদৰে প্ৰতিভাত হৈ উঠিছে সেই সম্পৰ্কে আলোচনা কৰা অধ্যয়নৰ মূল লক্ষ্য। অসমীয়া সাহিত্যৰ বিকাশত অভিভাষণসমূহে কেনেধৰণে অৰিহণা যোগাইছে তাৰ ওপৰত দৃষ্টিপাত কৰা অধ্যয়নৰ মূল উদ্দেশ্য।

**২.০০ মূল আলোচনা ঃ**

বিশ্বসাহিত্যৰ অন্তৰ্গত সাহিত্য সৃষ্টিৰ অন্তৰালতো একোটা মহৎ উদ্দেশ্য নিহিত হৈ থাকে। বিশেষকৈ সৰ্ব মানৱৰ কল্যাণ জড়িত হৈ থাকে। এনে মহৎ উদ্দেশ্যৰ সাহিত্যৰ বিশ্ব সাহিত্যলৈ উত্তৰণ ঘটে। অসম সাহিত্য সভাৰ সৃষ্টি হৈছিল অসম তথা অসমীয়াৰ সৰ্বদিশৰ উন্নতিৰ অৰ্থে। গতিকে অসম সাহিত্য সভাৰ সভাপতিসকলৰ অভিভাষণসমূহত বিশ্বসাহিত্যৰ প্ৰসঙ্গ উত্থাপিত হোৱা পৰিলক্ষিত হয়।

**২.০১ অভিভাষণত বিশ্বসাহিত্যৰ ধাৰণা ঃ**

মফিজুদ্দিন আহমদ হাজৰিকাই বিশ্বসাহিত্য সম্পৰ্কে মতামত দাঙি ধৰিছে । তেওঁ কয় যে প্ৰত্যেক দেশৰে ভাৱ, ভাষা, আচাৰ-ৰীতি, আদৰ্শ বেলেগ। সেয়ে দেশভেদে ৰচিত সাহিত্যও বেলেগ বেলেগ হয়। কিন্তু দেশ, কাল, পাত্ৰভেদে ৰচিত সাহিত্যৰ বাহ্যিক ৰূপত ভিন্ন হলেও এইসমূহৰ অন্তৰালত এটা উমৈহতীয়া ভাবে ক্ৰিয়া কৰি থাকে। এনে উমৈহতীয়া ভাবৰ নিহিত সাহিত্যক বিশ্বসাহিত্যৰ শাৰীত পেলাব পাৰি। বিশ্বসাহিত্যই বিশ্ব ভাতৃত্ববোধ জাগ্ৰত কৰি বিশ্বপ্ৰেমৰ সন্ধান দিয়ে।

নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে বিশ্বসাহিত্য সৃষ্টিৰ বাবে সাহিত্যিকসকলৰ বিশেষভাৱে প্ৰতিভাশালী হোৱা দৰকাৰ বুলি কৈছে। তেওঁলোক বিশ্বৰ একো একোজন বিশেষ লোক। তেওঁলোকৰ ৰচনাই বিশ্বৰ মানুহৰ হৃদয় আলোড়িত কৰে। কোনো বিশেষ জাতি, গোষ্ঠী, সম্প্ৰদায়, দেশেই কেৱল সেই ৰচনাৰ দ্বাৰা প্ৰভাৱান্বিত নহয়, বৰং সেই ৰচনাই

ভূমিৰ মাজেদি ভূমাক স্পৰ্শ কৰে। অৰ্থাৎ লেখক যিখন দেশৰ বা যিখন সমাজৰ বাসিন্দা সেই দেশ বা সমাজৰ ৰীতি-নীতি, চাৰিত্ৰিক বৈশিষ্ট্যৰ মাজেদিয়েই জগতৰ মানুহৰ অন্তৰত হেন্দোলনি তোলে। বিশ্বসাহিত্যৰ মাজত যি অমৃত ৰসৰ উৎপত্তি হয় সিয়ে সমগ্ৰ বিশ্বৰ মানৱক অমৰ কৰিব পাৰে আৰু সেই অমৃতৰস পান কৰি মানুহে চিৰকাললৈ অনিৰ্বচনীয় আনন্দ লাভ কৰে ।

ৰঘুনাথ চৌধাৰীয়ে বিশ্বসাহিত্যৰ সংজ্ঞা দিছে এনেদৰে----- "দৈনন্দিন জীৱনৰ পাৰিপাৰ্শ্বিক ঘটনাৰ আলম লৈ সাহিত্য ৰচিত নহয় । যি মানৱ জীৱনৰ বিচিত্ৰ অভিব্যক্তি, মানুহৰ মৰ্ম্ম-বাণী, সমাজৰ সকলো সমস্যা ফুটাই তুলিবলৈ চেষ্টা কৰে সেয়ে বাস্তৱ সাহিত্য, ---সেয়ে বিশ্বসাহিত্য।"[১]

**২.০২ ইউৰোপীয় সাহিত্য ঃ**




সাহিত্যৰ লক্ষণ বৰ্ণনা কৰোঁতে লক্ষ্মীনাথ বেজবৰুৱাই ইউৰোপীয় সাহিত্যৰ কথা ব্যক্ত কৰিছে। অসমীয়া শিক্ষিতলোকসকল যে ইউৰোপীয় সাহিত্য অধ্যয়নৰ প্ৰতি বিশেষ আগ্ৰহী সেই কথা তেওঁ ব্যক্ত কৰিছে। ইংৰাজ কবি চচাৰ, টেনিচন, ব্ৰাউনিং আদি কবিৰ কবিতা অধ্যয়নেৰে পৰিপুষ্ট বহু শিক্ষিত যুৱক অসমত আছে। অথচ ভাৰতীয় কাব্য অধ্যয়নৰ প্ৰতি অনাগ্ৰহী। কালিদাস, ভৱভূতি আদি বিখ্যাত ভাৰতীয় কবিৰ কাব্য অধ্যয়ন আঙুলিমূৰত লেখিবপৰা বিধৰ। অৰ্থাৎ অসমীয়া শিক্ষিত যুৱকৰ ইউৰোপীয় সাহিত্যৰ প্ৰতি আগ্ৰহে ইউৰোপীয় সাহিত্যৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ কথাই বুজায়।

ভাৰতীয় কাব্যৰ তিনিটা সোঁতাৰ কথা বৰ্ণনা কৰিবলৈ যাওঁতে তেওঁ ইউৰোপীয় কাব্যধাৰাৰ পৰিস্ফুৰণ ঘটাইছে। ইউৰোপৰ কাব্য-প্ৰতিভা গ্ৰীচ,ৰোম আৰু কেলটিক্ এই তিনিটা সোঁতাৰ পৰা আহৰণ কৰা। ভাবৰ নিপুণতা ধীৰ, স্থিৰ, শান্ত বিচাৰ-বিবেকতা গ্ৰীচৰ দান। শক্তি, সংযম, মনুষ্যত্ব আৰু মহত্ব ৰোমৰ দান। কেলটিক্ দান হৈছে -ইন্দ্ৰিয়াতীত, মুক্ত ,অসীম, শান্ত শিৰম ,ৰহস্যময়তা। এই তিনিওটা সোঁতে ভাৰতীয় কাব্যধাৰাক কেনে গভীৰভাৱে সংপৃক্ত কৰি ৰাখিছে তাৰ বৰ্ণনা তেওঁ দাঙি ধৰিছে।

লক্ষ্মীনাথ বেজবৰুৱাই মন্তব্য প্ৰকাশ কৰে যে ইউৰোপীয় সাহিত্যসমূহৰ ভিতৰত ফ্ৰেন্স সাহিত্যত গ্ৰীক প্ৰতিভাৰ কিছু আভাস পোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাই ফ্ৰেন্স সাহিত্যৰ সৰলতা, দুৰ্বলতা দুয়োটা দিশৰ ওপৰতে আলোকপাত কৰিছে। ফ্ৰেন্স ভাষাৰ অটলস্পৰ্শিতা আৰু ঐন্দ্ৰজালিকতা তেওঁ নাই বুলি কৈছে। সেইদৰে ফ্ৰেন্স সাহিত্যৰ সুকীয়া বিশেষত্ব, নিগুঢ় ৰস, ৰহস্যময়তাৰ অভাৱৰ কথাও তেওঁ ব্যক্ত কৰিছে। ভিক্টৰ হুগো, আৰু অন্যান্য সাহিত্যসেৱীসকলে এই অভাৱ দূৰ কৰাৰ বাবে কৰা প্ৰচেষ্টা বক্তব্যৰ মাজেৰে তুলি ধৰিছে। লক্ষ্মীনাথ বেজবৰুৱাই ফ্ৰান্সৰ সাহিত্যৰ স্পষ্টতা, বক্তব্যৰ গভীৰতা স্বচ্ছতা আৰু প্ৰাঞ্জলতাৰ বাবেই গদ্য সাহিত্যক জগতত উচ্চ স্থান প্ৰদান কৰিছে বুলি উল্লেখ কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যই জাতীয় জীৱনৰ চিত্ৰ প্ৰতিবিম্বিত কৰা প্ৰসঙ্গত ৰোমাণ্টিক যুগৰ সাহিত্যৰো কিছু আভাস দিছে। ৰোমাণ্টিক যুগৰ কবিসকলৰ সাহিত্যই সেই যুগৰ চিত্ৰ কেনেদৰে প্ৰতিভাত কৰিছিল তাৰ আলোচনা প্ৰসঙ্গত তেওঁ শ্যেলী, ৱৰ্ডছৱৰ্থ আদি কবিৰ কবিতাৰ কথা উল্লেখ কৰিছে। তদুপৰি তেওঁ ইংৰাজী সাহিত্যৰ শ্বেক্সপীয়েৰ, ৱৰ্ডছৱৰ্থ, শ্যেলি, কীটচ্ আদিৰ ৰচনাত একোটা সুকীয়া বৈশিষ্ট্য, বিষয়বস্তু, প্ৰকাশ কৌশল, প্ৰহেলিকাময় ভাব, ভঙ্গী, ৰসৰ সমাহাৰেৰে সৌন্দৰ্যময় বুলি উল্লেখ কৰিছে।

মহাকবি গটেয়ৈ জাৰ্মান কবিসকলক অভিজ্ঞতাৰ গাম্ভীৰ্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে যি প্ৰবন্ধ প্ৰকাশ কৰিছিল সেই কথা কৃষ্ণকান্ত সন্দিকৈয়ে তেওঁৰ অভিভাষণত তুলি

ধৰিছে। আধুনিক ইউৰোপীয় সাহিত্যৰ আলোচনা প্ৰসঙ্গত জাৰ্মান মনীষী ডিলঠায়ে এই জীৱন-অভিজ্ঞতাৰ প্ৰভাৱৰ কথা উল্লেখ কৰা কথাও ব্যক্ত কৰে। সাহিত্যত অভিজ্ঞতাৰ প্ৰয়োজনীয়তাৰ প্ৰসঙ্গত কৃষ্ণকান্ত সন্দিকৈয়ে কাৰ্লাইলৰ উক্তিৰ কথাও অভিভাষণত ফুটাই তুলিছে। কাৰ্লাইলৰ মতে সাহিত্য চিন্তাশীল ব্যক্তিৰ চিন্তাৰ সুপ্ৰকাশ। সাহিত্য সৃষ্টিৰ বাবে লেখকৰ যি গভীৰ চিন্তাৰ উন্মেষ হয় সেই চিন্তাৰ মূলতেও অভিজ্ঞতা। কাৰ্লাইলৰ উদাহৰণেৰে তেওঁ এই কথা দৃঢ়ভাৱে প্ৰতিপন্ন কৰাৰ চেষ্টা কৰিছিল। সমাজ অভিজ্ঞতাৰ প্ৰতিফলন ঘটা ৰুছ সাহিত্যৰ বিষয়েও কৃষ্ণকান্ত সন্দিকৈয়ে আলোচনা কৰিছে। ৰুছ উপন্যাসৰ মূলবস্তু সমাজ সঞ্চালন। ফৰাছী উপন্যাসত সামাজিক দিশৰ চিত্ৰ প্ৰতিফলনৰ আলোচনাত তেওঁ বালজাক আৰু এমিলজলাৰ উপন্যাসৰ ওপৰতো দৃষ্টি নিক্ষেপ কৰিছে। আধুনিক ইংৰাজী সাহিত্যত গেলছ্ৱৰ্থিয়ে বনুৱা সমস্যাক প্ৰাধ্যান্য দি নাটক ৰচনা কৰা কথা অভিভাষণত পৰিস্ফুট হৈছে। ইবছেন, বাৰ্নাড শ্ব আদিৰ ৰচনাত সামাজিক সমস্যাৰ পৰীক্ষামূলক অনুসন্ধানৰ কথা কৃষ্ণকান্ত সন্দিকৈয়ে তেওঁৰ অভিভাষণত দাঙি ধৰিছে। জাতীয় অভিজ্ঞতা বা জাতীয় আন্দোলনৰ লগত সাহিত্যৰ সম্বন্ধ বুজাবৰ বাবে তেওঁ জাৰ্মান পদ্য আৰু গদ্যত নেপোলিয়নৰ বিৰুদ্ধে জাতীয় আত্মবোধৰ যি প্ৰচণ্ড ঢৌ উঠিছিল সেই কথাৰ বিৰৰণ দিছে।

**২.০৩ বঙ্গীয় সাহিত্য ঃ**

লক্ষ্মীনাথ বেজবৰুৱাই বৰ্তমান বঙ্গ সাহিত্যৰ পুষ্টি সাধনত তিনিটা নতুন সোঁতৰ আমদানিৰ কথা ব্যক্ত কৰিছে। এই নব্য সোঁত বোৱাই অনা ব্যক্তি কেইগৰাকীৰ ভিতৰত ৰামমোহন ৰায় প্ৰথম মাইকেল মধুসূদন দত্ত আৰু বঙ্কিম চাতুৰ্জী দ্বিতীয় আৰু তৃতীয় ৰবীন্দ্ৰনাথ ঠাকুৰ বুলি অভিহিত কৰিছে। এই চাৰি সাহিত্যিকে বিভিন্ন সাহিত্যৰ পৰা নতুন গঢ় আনি নিজ সাহিত্য নতুন ৰূপত সজাই তোলে। নব্য চিন্তা, নব্য আদৰ্শ আৰু গঢ়েৰে এওঁলোকে বঙ্গ সাহিত্যক জগত সভালৈ উলিয়াই আনে। বঙ্গীয় সাহিত্যিকসকলৰ সাহিত্য চৰ্চাৰ জুমুঠি যিদৰে বঙ্গ সাহিত্যতে সীমাবদ্ধ নাছিল সেইদৰে তেওঁলোকৰ দ্বাৰা ৰচিত সাহিত্যও জগতৰ ভিন ভিন জাতি ভাষালৈ সম্প্ৰসাৰিত। যাৰ ফলত বঙ্গ সাহিত্য অন্যান্য শক্তিশালী সাহিত্যৰ লগত বা জগত সভাত জিলিকি থাকিব পৰাকৈ তেজস্বী আৰু সৌন্দৰ্যশালী হৈ পৰিল।

লক্ষ্মীনাথ বেজবৰুৱাই বঙ্গদেশৰ কাব্য সাহিত্য সম্পৰ্কেও কিছু আলোচনা আগবঢ়াইছে। বঙ্গকাব্যৰ ওপৰত দৃষ্টিপাত কৰি তেওঁ কয় যে ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাখিনি অন্যান্য বঙ্গ কবিতাতকৈ কিছু পৃথক। ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাত সুক্ষ্ম ভাব, ৰসৰ মাধুৰ্য আৰু সৌন্দৰ্যবোধ পৰিলক্ষিত হয়। ভাব গভীৰতা, গীতিধৰ্মিতা, চিত্ৰৰূপময়তা, আধ্যাত্মচেতনা, ঐতিহ্যচেতনা, প্ৰকৃতিপ্ৰীতি, স্বদেশপ্ৰীতি, মানৱপ্ৰীতি, সৌন্দৰ্যচেতনা, বিশ্বপ্ৰেম, ভাষা, আঙ্গিক আদিৰে মনোৰম। বাকীবোৰ কবিতাত তুৰীয় বিৰাট আবেগ আৰু ভাবৰ ইন্দ্ৰজাল নাই। ইয়াৰ বিপৰীতে প্ৰাঞ্জলতা, নিৰ্মলতা আৰু কোমলতা বঙ্গ সাহিত্যৰ অলঙ্কাৰ বুলি অভিহিত কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাই ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্যৰ উৎকৃষ্টতা দেখুৱাবলৈ তেওঁৰ কাব্যৰ একাংশ অভিভাষণত তুলি দিছে---- "আমি চঞ্চল হে সুদূৰেৰ পিয়াসী। দিন চলে যায়, আমি অন্যমনে, তাঁৰি পথ চেয়ে থাকি বাতায়নে। ওগো সুদূৰ! বিপুল সুদূৰ! তুমি যে বাজাও বিপুল বাঁশৰী; কক্ষ আমাৰ, ৰুদ্ধ দুৱাৰ, সে কথা যে যাই পাসৰি।"[২]

লক্ষ্মীনাথ বেজবৰুৱাই বঙ্গৰ অন্য এজন কবি মাইকেল মধুসূদন দত্তৰ কবিতাত ৰোমীয় প্ৰভাৱ পৰিলক্ষিত কৰিছে।

**২.০৪ উৰ্দু সাহিত্য ঃ**

কবিতাৰ ভাব যে বিশ্বভাৱ আৰু বিশ্বমানৱৰ অন্তৰ বিগলিত কৰে সেই কথা লক্ষ্মীনাথ বেজবৰুৱাৰ অভিভাষণত স্পষ্ট। উক্ত প্ৰসঙ্গতে তেওঁ উৰ্দু কবিতা কেইবাটাও অভিভাষণত তুলি দিছে। একোটা বিশেষ বস্তু বা বিষয়ক আধাৰ হিচাপে লৈও বিশ্বমানৱৰ অন্তৰত যে মৃদু আঘাত কৰিব পাৰে সেইকথা দৃঢ়ভাৱে প্ৰতিপন্ন কৰিছে। পাৰস্য দেশৰ কবি চাদিয়ে তেওঁৰ কবিতাত ছাজাহান বাদশ্যাহৰ জীয়ৰীৰ ৰূপৰ সৌন্দৰ্য বৰ্ণনা কৰি ৰচনা কৰাৰ কথা উল্লেখ কৰিছে। কবিতাৰ বৰ্ণনা অনুসৰি ছাজাহানৰ কন্যাই বোৰ্খা পিন্ধি গোলাপৰ বাগিচাত সোমোৱাত উৰ্দু কবিয়ে কয় যে জাহানাৰাৰ মুখখন ইমান কোমল যে ওৰনিৰে মুখখন ঢাকি নিদিয়া হ'লে গোলাপৰ সুবাসো সহ্য কৰিব নোৱাৰে। কবিতাটোৰ জৰিয়তে গাভৰুৰ ৰূপৰ কমনীয়তা, মসৃনতা, আৰু সৌন্দৰ্যময়তাৰ সুন্দৰ প্ৰকাশ ঘটিছে। গোলাপৰ কোমলতা, স্নিগ্ধতা, আৰু সৌন্দৰ্যময়তাই

সকলোকে বিমোহিত কৰে। কমনীয়তা গুণৰ বাবে কাঁইটে আৱৰি ৰাখে যাতে পাহিবোৰ সুৰক্ষিত থাকে। পাৰস্য কবি চাদিৰ কবিতাৰ মাজত জাহানাৰৰ গোলাপতকৈয়ো কোমলতা, স্নিগ্ধতা আৰু নিৰ্মলতাৰ প্ৰকাশ ঘটিছে। আলসুৰা, কোমল গোলাপৰ সুৰক্ষা কাঁইটে আৱৰি ৰখাৰ দৰে জাহানাৰাৰ ফুল আলসুৰা ৰূপৰ সুৰক্ষা কবচ পাতল ওৰনিখন।

লক্ষ্মীনাথ বেজবৰুৱাহ উৰ্দু কবিতাত প্ৰেমৰ চিত্ৰ ফুটাই তুলিছে এনেদৰে--

" প্ৰণয়িণীৰ প্ৰিয়তম বিদেশত। প্ৰিয়তমক দেখিবলৈ বাট চাই থাকোঁতে প্ৰণয়িণীয়ে ওচৰতে কাউৰী এটা দেখি কাউৰীটোক সম্বোধন কৰি কৈছে। "হেৰ কাউৰী! তই মোৰ ওচৰলৈ কিয় আহিছ মই জানিছো। মোৰ মৃত্যুকাল সন্নিকট। তই মোৰ মৰা-শটো খাবলৈ আহিছ। খা, মোৰ শৰীৰৰ সকলো মঙহ টানি টানি খা। কিন্তু তোক কাবৌকৈ মাতিছো, মোৰ এটি মিনতি ৰাখিবি- মোৰ সেই মেল খাই থকা চকু দুটি তই নেখাবি, কাৰণ মোৰ প্ৰিয়তম উভতি আহিলে সেই দুটিয়ে তেওঁক এবাৰ আকৌ প্ৰাণভৰি দেখিবলৈ পাব।"৩

প্ৰেম স্বৰ্গীয় অনুভূতি। প্ৰেমাস্পদৰ অনুপস্থিতিত হৃদয়ৰ ৰিক্ততা, গভীৰ প্ৰতীক্ষা, মিলন ব্যাকুলতা, নয়নভৰি চোৱাৰ বাসনা, মিলনত ব্যৰ্থ হৈ মৃতপ্ৰায় হৈ পৰা আদি মানৱীয় আবেগ অনুভূতিৰ অনুৰণন ব্যক্তিমাত্ৰৰে থাকে। উৰ্দু কবিৰ এই কবিতাতো মানৱীয় আবেগ-অনুভূতি স্বাভাৱিক ৰূপত মূৰ্ত হৈ উঠিছে। এনে হাবিয়াস, এনে আকুলতা, মিলন বাসনা, বিৰহ যন্ত্ৰণাই জগতৰ মানৱৰ হৃদয় স্পৰ্শ কৰে। উৰ্দু কবিতাৰ প্ৰণয়িণীৰ বুকুত উথলি উঠা বিৰহ কাতৰতাই সমগ্ৰ বিশ্বৰ মানৱৰ অন্তৰ কৰুণতাৰে বিগলিত কৰে। যাৰ বাবে কবিতাটো দেশ কালৰ সীমা অতিক্ৰম কৰি জগতৰ মানৱৰে হৃদয় আলোড়িত কৰি তুলিছে।

" মই মোৰ প্ৰিয়তমক বিচাৰি জগতত কত ঘূৰিলোঁ, কত ফুৰিলোঁ! শেহত নাপাই ভাগৰি যেতিয়া ঘৰলৈ আহিলোঁ, দেখোমোৰ সেই বুকুৰ ধন প্ৰিয়তমে মোৰ, চোতালতে উমলিব লাগিছে।"৪

গভীৰ দৃষ্টিভঙ্গীৰে লক্ষ্য কৰিলে দেখা যায় যে উক্ত কবিতাত ঈশ্বৰৰ প্ৰতি আকুল আকুতি, গভীৰ প্ৰেম মূৰ্ত হৈ উঠিছে। জগত স্ৰষ্টা প্ৰত্যেকৰে হৃদয়ৰ মাজত লুকাই থাকে। অবিনশ্বৰ, অদৃশ্য ঈশ্বৰক কিন্তু মায়া চকুৰে নেদেখে। যাৰ বাবে বাহ্যিক জগতত ঈশ্বৰৰ অস্তিত্ব বিচাৰি ফুৰে। কিন্তু হৃদয়ৰ সমস্ত অনুৰাগেৰে উপলব্ধি কৰিলে নিজ অন্তৰতে অব্যক্ত ঈশ্বৰক অনুভৱ কৰিব পাৰি। এই কথাই যেন উৰ্দু কবিতাত ভাস্বৰ হৈ উঠিছে।

**২.০৫ অনুবাদৰ ভূমিকা ঃ**

বিশ্বসাহিত্যত অনুবাদৰ ভূমিকা অপৰিসীম। পৃথিৱীৰ যিবোৰ দেশ আছে সেই দেশসমূহত অসংখ্য ভাষা-ভাষী, জাতিৰ লোক আছে। প্ৰত্যেক দেশৰ ভাষা শিকণ আৰু সাহিত্য অধ্যয়ন সম্ভৱ নহয়। কিন্তু জগত সভাত নিজৰ অস্তিত্ব প্ৰদৰ্শনৰ বাবে অন্যদেশীয় সাহিত্যৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য। অন্যদেশীয় সাহিত্যৰ লগত সম্পৰ্ক অক্ষুন্ন ৰাখিবলৈ অনুবাদ অন্যতম উপায়। অনুবাদে বিশ্বসাহিত্যৰ লগত সংযোগ স্থাপন কৰাত সাঁকোৰ ভূমিকা পালন কৰে। অনুবাদৰ ক্ষেত্ৰত অসম চহকী। চতুৰ্দশ শতিকাতে অসমে অনুবাদৰ দিশত খোজ দিয়ে। প্ৰাচীন অসমীয়া কবিসকলে অনুবাদৰ জৰিয়তে সাহিত্যক বিশ্বমুখী কৰাৰ নিদৰ্শন দেখুৱাই থৈ যায়। এইসকল কবিয়ে কেৱল সংস্কৃত ভাষাৰ পুথিৰ অনুবাদেই নহয়, সংস্কৃত পুথিৰ পৰা বিষয়বস্তু আহৰণ কৰি মৌলিক কল্পনাৰ সংযোগেৰে অন্যান্য সাহিত্যৰো সৃষ্টি কৰে। অসমীয়া সাহিত্যৰ বিশ্বসাহিত্যৰ লগত সংযোগ সেঁতু স্থাপনৰ অনুবাদ কাৰ্য যে অতি প্ৰয়োজনীয় সেই কথা তৰুণৰাম ফুকনৰ অভিভাষণত প্ৰকাশি উঠিছে।

**২.০৬ অসমীয়া সাহিত্য ঃ**

ভালেমান ফুল মানুহৰ পৰা নিলগত ফুলি নিলগতে মৰহি যায়, মানুহে বননিত অনাঘ্ৰাত, অস্পৰ্শ অৱস্থাতে বহু ফুল ফুলি বননিতে মৰহি যোৱাৰ কথাৰ অৱতাৰণা কৰি সভাপতি নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে বহু অসমীয়া সাহিত্য অনাদৰ আৰু প্ৰচাৰ বিমুখিতাৰ বাবে যে উপযুক্ত মৰ্যদা আৰু জনপ্ৰিয়তা নাপায় সেইকথা ব্যক্ত কৰিছে। অন্যথা বিশ্বসাহিত্যত সিবোৰ জাকত জিলিকা হৈ থাকিলহেঁতেন।

নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে স্পষ্টভাৱে কৈছে যে বৰ্তমান অসমীয়া সাহিত্যিকসকলে তেনে গ্ৰন্থ ৰচনাৰ ওপৰতহে গুৰুত্ব দিয়া উচিত যিবোৰে স্থান, কাল, পাত্ৰভেদে সকলো ধৰ্মৰ নীতি আদৰ্শক প্ৰভাৱিত কৰে। সকলো দেশতে আদৰণীয় সাহিত্য ৰচনাৰ ওপৰত তেওঁ গুৰুত্ব দিছে। সকলো দেশৰ লোকৰ অন্তৰ স্পৰ্শ কৰিব পৰা সাহিত্য

বিশ্বসাহিত্যৰ স্তৰলৈ উন্নীত হয়। জ্ঞানদাভিৰাম বৰুৱাই অসমীয়া সাহিত্য ক্ষেত্ৰত যি অমূল্য সম্পদ আছে সেই সম্পদখিনি ভালভাৱে ৰখাৰ ওপৰত গুৰুত্ব দিছে। তেওঁ কয় যে অসমীয়া সাহিত্যই যেতিয়া জগত সভাত সন্মান লাভ কৰিব পাৰিব তেতিয়াহে সাহিত্যৰ উন্নতি হোৱা বুলি জানিব পৰা যাব। এই কথাই অসমীয়া সাহিত্যই বিশ্ব সাহিত্যৰ লগত ফেৰ মৰাৰ আকাংক্ষাৰ কথাই সূচায় ।

**৩.০০ সামৰণি ঃ**

পৃথিৱীৰ ভিন্ন প্ৰান্তত ভিন ভিন সমাজ, সংস্কৃতি, আদৰ্শ, ভাব, কল্পনাক নিজ দেশীয় পৰিৱেশত সৃষ্ট নিজ নিজ ভাষাৰ দ্বাৰা উন্নত মানৰ সাহিত্যই বিশ্ব সাহিত্য। সমগ্ৰ বিশ্বৰ সাহিত্যক একেডালি ক্ষীণ সূতাৰ দ্বাৰা গ্ৰথিত হৈ থাকে। এই সূতাৰ আঁতডাল প্ৰত্যেক দেশৰ সাহিত্যই ধৰি ৰখা উচিত। অন্যথা সাহিত্য জগতৰ লগত সম্পৰ্ক বিচ্ছিন্ন হৈ সঙ্কীৰ্ণ হৈ পৰিব আৰু কালৰ সোঁতত লোপ পোৱাৰো সম্ভাৱনা থাকে। অসমীয়া সাহিত্যই জগত সাহিত্যৰ লগত আত্মিক সম্পৰ্ক বজাই ৰখাৰ চেষ্টা অব্যাহত ৰাখিব লাগিব। অসমীয়া সাহিত্যক বিশ্বাসাহিত্যৰ লগত পৰিচয় কৰাই দিব পাৰিলেহে যথাযোগ্য আদৰ লাভ কৰিব। চিৰন্তন মানৱীয় আবেগ, অনুনভূতিৰে সাহিত্যই ৰাষ্ট্ৰীয় একপক্ষীয়তা আৰু সংকীৰ্ণতা আঁতৰাই এক বিৰাট বিশ্বৰ সন্ধান দিয়ে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ সাহিত্যিকৰ মহৎ আৰু উচ্চখাপৰ সাহিত্য ৰচনাৰ আদৰ্শৰে অসমীয়া সাহিত্য ৰচনাৰ ওপৰত জোৰ দিব লাগিব। তেহে অসমীয়া সাহিত্যই বিশ্বসাহিত্যত আপোন বৈশিষ্ট্যৰে মহিমামণ্ডিত হৈ থাকিব। ❑

**প্ৰসঙ্গ টোকা ঃ**

১. হাজৰিকা,অতুলচন্দ্ৰ সম্পা.অসম সাহিত্য সভাৰ ভাষণাৱলী, দ্বিতীয় ভাগ- পৃ- ৮০
২. হাজৰিকা,অতুলচন্দ্ৰ সম্পা.অসম সাহিত্য সভাৰ ভাষণাৱলী, প্ৰথম ভাগ- পৃ-১২৩
৩. হাজৰিকা,অতুলচন্দ্ৰ সম্পা.অসম সাহিত্য সভাৰ ভাষণাৱলী, প্ৰথম ভাগ- পৃ- ১২৯
৪. হাজৰিকা,অতুলচন্দ্ৰ সম্পা.অসম সাহিত্য সভাৰ ভাষণাৱলী, প্ৰথম ভাগ, পৃ-১২৯

**গ্ৰন্থপঞ্জী ঃ**


ডেকা, পবিন্দ্ৰঃ পাশ্চাত্য সাহিত্যৰ কথা। গুৱাহাটীঃ চন্দ্ৰপ্ৰকাশ। ২০১৮। মুদ্ৰিত।

দাস,ক্ষুদিৰাম। ৰবীন্দ্ৰ প্ৰতিভাৰ পৰিচয়। কলকাতা ঃ এ.কে মল্লিক । ২০০৯। মুদ্ৰিত।

ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ প্ৰসঙ্গ বিশ্বসাহিত্য। গুৱাহাটী ঃ বনলতা। ১৯৯২। মুদ্ৰিত ।

মহন্ত, লক্ষ্মীকান্ত ঃ বিশ্বসাহিত্যৰ আভাস । ডিব্ৰুগড় ঃ বনলতা। ১৯৯০ । মুদ্ৰিত ।

শৰ্মা, সত্যেন্দ্ৰনাথ। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত । গুৱাহাটীঃ প্ৰতিমা দেৱী, ২০০৪। মুদ্ৰিত ।

হাজৰিকা,অতুলচন্দ্ৰ (সম্পা)। অসম সাহিত্য সভাৰ ভাষণাৱলী । যোৰহাটঃ অসম সাহিত্য সভা।১৯৫৫। মুদ্ৰিত।

---------। অসম সাহিত্য সভাৰ ভাষণাৱলী। শিৱসাগৰঃ শ্ৰীপৰাগধৰ চলিহা। ১৯৫৭। মুদ্ৰিত।

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# ভূপেন হাজৰিকাৰ গীতত শব্দৰ সমাহাৰ



মৰমী চৌধুৰী

অধ্যাপিকাৰ, অসমীয়া বিভাগ
কন্যা মহাবিদ্যালয়
গুৱাহাটী, গীতানগৰ
৮৭২৪০৬১৪৪৭
maramichoudhury1969@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

বিশ্বৰ দৰবাৰত নিজকে প্ৰতিষ্ঠা কৰা বিশ্ববৰেণ্য ভূপেন হাজৰিকা দৰাচলতে অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তি। তেওঁ একেধাৰে গায়ক, সুৰকাৰ, গীতিকাৰ, বোলছবি পৰিচালক, আবৃত্তিকাৰ, মানৰ প্ৰেমিক, সমাজ সচেতক আৰু প্ৰকৃত দেশপ্ৰেমিক। সমাজৰ প্ৰতিটো স্তৰৰ ব্যক্তিৰ বাবে তেওঁৰ অৱদান অমূল্য হিচাপে বিবেচিত হৈছে।

সমাজ আৰু সংস্কৃতিৰ মাজত থকা সম্বন্ধই ওপজা মাটিৰ পৰা পৃথিৱীৰ ভিন্ন প্ৰান্তৰ আকাশ বতাহ সাহিত্য সংস্কৃতি আকোৱালি লৈ গীত ৰচি গৈছিল হাজৰিকাদেৱে। মানুহৰ প্ৰতি থকা সীমাহীন ভালপোৱাই সেয়েহে ভিন্ন স্তৰৰ মানুহৰ জীৱন সংগ্ৰাম, প্ৰেম আদি সকলো বিষয়ৰে ওপৰত সংগীত সৃষ্টি কৰিবলৈ উদ্বুদ্ধ কৰিছিল তেওঁক।

শব্দ প্ৰয়োগ আছিল তেওঁৰ গীতৰ অনন্য আকৰ্ষণ। সেয়া যেন তেওঁৰ নিজস্ব শৈলী— য'ত আছে কেৱল নতুনত্ব। সহজ আৰু গভীৰ অৰ্থ বুজাবলৈ প্ৰয়োগ কৰা শব্দৰাজিয়ে শ্ৰোতাৰ হৃদয় চুই গৈছে। মানুহৰ চিন্তা চেতনাৰ প্ৰকাশ পায় ভাষাৰ মাধ্যমেৰে। সেই ভাষাৰ ধৰণী হ'ল শব্দ পুঞ্জ। বিভিন্ন ভাষা-ভাষী লোকৰ থলুৱা শব্দৰ ব্যৱহাৰ, তেওঁলোকৰ কৃষ্টিৰ ওপৰত ৰচিত হোৱা হাজৰিকাদেৱৰ গীতবোৰে বৰঅসমৰ কলা কৃষ্টিৰ ডোলডাল যেন কিছু পৰিমাণে হ'লেও মজবুত কৰাত সহায় কৰিছে।

**বীজ শব্দ ঃ**

ভূপেন হাজৰিকা, ভাষা, শব্দ, গীত।

**অৱতৰণিকা ঃ**

গণশিল্পী, বিশ্ববৰেন্য শিল্পী, সমন্বয়ৰ পুৰোহিত হিচাপে এক অসাধাৰণ ব্যক্তিত্বৰ গৰাকী ভূপেন হাজৰিকা। সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ বাবে, প্ৰতিটো জাতি-জনগোষ্ঠীৰ বাবে, কিবা নহয় কিবা এক উৎসৱৰ প্ৰতীক ভূপেন হাজৰিকা। মানবপ্ৰেমী, জাতীয়তাবাদী লোকজন বিশ্বৰ চুকে-কোনে এখন উচ্চ আসন দখল কৰিবলৈ সক্ষম হোৱা লোকজনেই হ'ল ভূপেন হাজৰিকা।

সমাজৰ প্ৰতি থকা দায়িত্ববোধ তেওঁৰ গীতৰ এক অনবদ্য অংগ। নিবনুৱা ডেকাৰ পৰা মাছমৰীয়ালৈ, শিশু-চেনমনীয়াৰ পৰা আৰ্তজনলৈ সকলোৰে মনৰ বেদনাক অনুধাৱন কৰি উৎসাহজনক বাণী বিলাববলৈ সক্ষম হোৱা ব্যক্তিজনেই হ'ল ভূপেন হাজৰিকা। ল'ৰা-বুঢ়া, ডেকা-ডেকেৰীৰ মন মগজুত অনুৰণনৰ সৃষ্টি কৰিব পৰা শক্তি আছে তেওঁৰ গীতৰ মাজত।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

ভূপেন হাজৰিকাৰ গীতৰ মাজত আছে যেন — অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ। সাম্যবাদ, মাৰ্ক্সবাদ, সমাজ সংস্কাৰ, বৈপ্লৱিক গীত গোৱা তেওঁৰ গীতসমূহত অলেখ শব্দৰ পয়োভৰ ঘটিছে। সৰল আৰু কঠিন শব্দ ব্যৱহাৰ কৰা গীতসমূহ মূলতে তৎসম, অৰ্ধতৎসম, ধ্বন্যাত্মক আৰু যুক্তাক্ষৰযুক্ত শব্দ। তাৰোপৰি দেখা যায় কাৰ্বি শব্দ, ইংৰাজী শব্দ, খাচী, মিচিং, বড়ো-কছাৰী, চাহ-জনগোষ্ঠীয়, নেপালী, অৰুনাচলী, মিজো শব্দৰ ব্যৱহাৰ।

বিভিন্ন জাতি-জনজাতিৰে ভৰপূৰ পুৰণি বৰঅসমৰ সাহিত্য সংস্কৃতি তথা জাতীয় জীৱনত ব্যৱহাৰিত এই শব্দৰাজিৰ ব্যৱহাৰ হোৱা গীতসমূহৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰাই এই অধ্যয়নৰ মূল উদ্দেশ্য।

**অধ্যয়নৰ পদ্ধতি ঃ**

বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰে আলোচ্য পত্ৰখনি প্ৰস্তুত কৰা হৈছে।

**অধ্যয়নৰ উৎস ঃ**

গৱেষণা পত্ৰখনি প্ৰস্তুত কৰিবলৈ যাওঁতে মুখ্য আৰু গৌণ সমল হিচাপে তলৰ সমলখিনি ব্যৱহাৰ কৰা হৈছে।

**মুখ্য সমল ঃ**

✶ ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ
— ড° দিলীপ কুমাৰ দত্ত

**গৌণ সমল ঃ**

✶ সাহিত্য আলোচনা
— শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী

✶ লগতে বিভিন্ন আলোচনী, কিতাপ আদিৰ সহায় লোৱা হৈছে।

**মূল বিষয়বস্তু বিশ্লেষণ ঃ**

'ভাব বা অৰ্থ প্ৰকাশিত হয় শব্দৰ সহায়ত। শব্দ ভাবৰ বাহক — আৰু সাহিত্যৰ বাহ্যিক শৰীৰ। মানৱৰ হৰ্ষ-বিষাদ, যাতনা-বেদনা, আশা-আকাংক্ষা সাহিত্যৰ বুকুত প্ৰতিফলিত কৰিব লাগিলে সেইবোৰ শব্দাশ্ৰয়ী হ'ব লাগে। শব্দহীন ভাবৰ সাহিত্যত প্ৰকাশ ক্ষমতা নাই। বাহ্যিক আৰু অন্তৰ জগতৰ সকলো শব্দৰ মাজেদিয়েই নতুন ৰূপ পায়।'[১]

শব্দৰ প্ৰয়োগ ভূপেন হাজৰিকাদেৱৰ গীতৰ এক অমূল্য সম্পদ। সেয়েহে হয়তো প্ৰতিজন শ্ৰোতাৰ অন্তৰত বাজি থাকে সেই সুৰৰ মূৰ্চনা প্ৰতি পলে পলে, যুগে যুগান্তৰে। হয়তো বিভিন্ন জাতি-জনজাতি আৰু সমাজৰ ভিন্ন চৰিত্ৰৰ প্ৰতিফলন ঘটোৱা সেই শব্দবোৰৰ গূঢ়াৰ্থ বুজি পোৱাত কোনো সমস্যাৰ সৃষ্টি নকৰে। তেখেতে গীতত প্ৰয়োগ কৰা শব্দবোৰক সেয়েহে মূল দুভাগত ভাগ কৰিব পাৰি — সৰল আৰু কঠিন শব্দ। দুয়োবিধ শব্দৰ অগাধ ভাণ্ডাৰ ভূপেন হাজৰিকাদেৱ। ইয়াৰ বাহিৰেও তেওঁ যুক্তাক্ষৰযুক্ত বা দ্বিস্বৰ ধ্বনিবিলাক (কঠিন শব্দ) তেওঁৰ গীতত ব্যৱহাৰ কৰিছিল।

**ভূপেন হাজৰিকাৰ গীতত সৰল শব্দৰ ব্যৱহাৰ ঃ**

নিজৰ জন্মভূমিক ভালপোৱা, দেশপ্ৰেমী হাজৰিকাদেৱে সৰল শব্দৰে গাইছিল —

**"অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ**
**ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ"**

(বোম্বাই, ১৯৬৯)

**"অসমীৰ আইৰে লালিতা পালিতা**
**মই তোলনীয়া জী**
**অসমীৰ সন্মান সদায়ে ৰাখিমে**
**আৰুনো কওঁ মই কি ?**

(কলিকতা ১৯৮২)

একেই সৰল শব্দ ব্যৱহাৰ কৰি মানৱদৰদী হাজৰিকাদেৱে আকৌ গাইছিল —

**"ৰঙা সেন্দুৰ কাৰ মচা গ'ল"**
**"মোৰ হে ল'ৰাটিক ! এইবাৰ বিহুতে !**
**নিদিলো সূতাৰে চোলা"**

(গুৱাহাটী, ১৯৫৩)

**"মানুহে মানুহৰ বাবে ! যদিহে অকনো নেভাবে"**

(ভাষা আন্দোলন, ১৯৬০-৬১)

**"শীতৰে সেমেকা ৰাতি !শীতৰে সেমেকা ৰাতি"**

(১৯৭০)

অতি নিমজ বা সৰল শব্দ প্ৰয়োগেৰে প্ৰেম অন্বেষণৰ শ্ৰুতিমধুৰ বিষাদৰ ‘প্ৰেমগীত’ বোৰে শ্ৰোতাৰ অন্তৰত গুঞ্জৰিত হৈ আছে যুগে যুগে।

**“আকাশী গঙ্গা বিচৰা নাই**
**নাই বিচৰা স্বৰ্ণ অলংকাৰ”**

(খাৰঘুলি, ১৯৫৩)

“তোমাৰ দেখো নাম পত্ৰলেখা” গীতৰ জৰিয়তে আকৌ প্ৰেমিকাৰ প্ৰতি অভিমান ব্যক্ত কৰিছে আৰু সোৰৰাই দিছে —

**“মোৰ চিত্ৰ নাট গীত কবিতাত**
**বিচাৰিলে পাবা চাগৈ পুৰণা ঠিকনা”**

আন এটি প্ৰেমৰ কবিতাত আকৌ অতি সহজ শব্দৰ ব্যৱহাৰেৰে প্ৰকাশ কৰিছে মনৰ ভাব —

**“মোৰ মৰমে মৰম বিচাৰি যায়**
**বাৰিষাৰ কেঁচা বানে!মোৰেই”**

(গুৱাহাটী, ১৯৪৮)

হাজৰিকাদেৱ আছিল গণশিল্পী। সমাজৰ প্ৰতি থকা দায়বদ্ধতা আছিল অপৰীসীম —

**“মেঘে গিৰ গিৰ কৰে!আহা মেঘে হিৰ হিৰ কৰে**
**এজাক যেন বৰযুণ আহো আহো কৰে”**

(গুৱাহাটী, ১৯৮২)

অসমীয়া নিবনুৱা যুৱকক অনুপ্ৰাণিত কৰিবলৈ, সহজ সৰল শব্দ ব্যৱহাৰ কৰি তেখেতে গাইছিল —

**“অটো ৰিক্সা চলাও, আমি দুয়ো ভাই”**

(গুৱাহাটী, ১৯৬৮)

উচ্চাৰণৰ ক্ষেত্ৰত সদা সচেতন, হাজৰিকাদেৱে সহজ তথা সৰল শব্দৰ ব্যৱহাৰেৰে অলেখ গীতৰ সৃষ্টি কৰি গৈছে আৰু অসমীয়া জনজীৱনত উল্লেখনীয় বৰঙণি যোগাইছে। যাৰ বাবে অসমীয়া জনজীৱনত ইয়াৰ প্ৰভাৱ অতুলনীয় হিচাপে বিবেচিত হয়।

“ভূপেন হাজৰিকাই ‘অগ্নিযুগৰ ফিৰিঙতি মই’, ‘কপি উঠে কিয় তাজমহল’, ‘স্নেহেই আমাৰ শত শ্ৰাৱণত’, ‘সুৰ নগৰীৰ সুৰ বলীয়া মই’ আদি গীতেৰে কেৱল যে সকলোৰে অন্তৰ জয় কৰিলে এনে নহয়, সেই গীতবিলাকৰ গীতিব্যঞ্জক শব্দ, ভাৱপূৰ্ণ মধুৰ ভাষা, আশাপূৰ্ণ দৃষ্টিভংগী আৰু কোমল সুৰে অসমীয়া সমাজত যে এজন অতি পাৰদৰ্শী গায়ক-গীতিকাৰ উদ্ভৱ হ’ল তাৰ সংকেত দিলে।”[২]



**ভূপেন হাজৰিকাৰ গীতত কঠিন শব্দৰ ব্যৱহাৰ ঃ**

কোনো গভীৰ বিষয়বস্তুৰ গুৰুত্ব বুজাবলৈ কঠিন শব্দ প্ৰয়োগ ভূপেন হাজৰিকাৰ এক অন্যতম আহিলাস্বৰূপ।

সমাজ সচেতক ভূপেন হাজৰিকাই নিজৰ ক্ৰোধিত মনৰ প্ৰকাশ ঘটাইছিল এনেদৰে।

**বিস্তীৰ্ণ পাৰৰে !অসংখ্য জনৰে! হাহাকাৰ শুনিও নিঃশব্দে নিৰৱে! বুঢ়া লুইত তুমি! বোৱা কিয়?**

(কলিকতা, ১৯৫৫)

কঠিন শব্দৰ প্ৰয়োগেৰে বুঢ়া লুইতো তেওঁৰ প্ৰশ্নবানৰ পৰা সাৰি যাব পৰা নাই।

তেওঁ আছিল এক বিপ্লৱী সৈনিক, সেয়েহে তেওঁ গাইছিল—

**"তপ্ত তীখাৰে !অগ্নিশক্তি !ৰক্তবৰ্ণ !মুক্তি পিয়াসী !**
**সুপ্ত মানুহৰ ! বক্ষতীখা হৈ গলে এ গলিলে !**
**জনতাতন্ত্ৰৰ ! সাজি ললো অস্ত্ৰ !আৰ্তনাদ...."** আদি

নৰকংকালৰ অস্ত্ৰ, ধৰ্ম ব্যৱসায়ী, অস্পৃশ্যতাৰ মহাদানব আদি কঠিন শব্দবোৰ প্ৰতিকী অৰ্থত ব্যৱহাৰ কৰি এখন নতুন সমাজ, এখন নতুন অসম গঢ়াৰ মানসিকতাৰে তেও গাইছিল—

**"অগ্নিযুগৰ ফিৰিঙতি মই !নতুন অসম গঢ়িম।"**
**"সৰ্ব্বহাৰাৰ সৰ্ব্বস্ব !পুনৰ ফিৰাই আনিম"** আদি

(১৯৪৮, চিৰাজ)

অপূৰ্ব শব্দৰ ব্যৱহাৰেৰে তেওঁ গাইছিল—

**"ধ্বংসমূখী দৃষ্টিভংগী ! কিম্বা মনোমালিন্য"**
**"সেয়া নহয় মোৰ গানৰ লক্ষ্য ! লক্ষ্য শান্তি অনন্য"**

(১৯৬৯, কলিকতা)

জাগ্ৰত জনতাক উদ্বুদ্ধ কৰি অহিংস পথেৰে আগুৱাই লৈ যোৱাত সফল হৈছিল তেওঁ।

**"মুক্তিকামী লক্ষজনৰ, মৌন প্ৰকাশ শুনিছনে নাই।"**

(১৯৭৭, কলিকতা)

**"আজি ব্ৰহ্মপুত্ৰ হল বহ্নিমান"**

(১৯৭৯, অসম আন্দোলন)

**"ভাঙ্ ভাঙ্ ভাঙ্ ভাঙোতা শিল ভাঙ্"**

(১৯৫৩, গুৱাহাটী)

মুঠতে ক'বলৈ হ'লে কঠিন শব্দৰ প্ৰয়োগে তেওঁৰ গীতৰ মাত্ৰা এখোপ ওপৰলৈ লৈ গৈছে।

হাজৰিকাৰ গীতত ব্যৱহৃত হোৱা বাচকবনীয়া শব্দই মন মগজুত অনুৰণনৰ সৃষ্টি কৰিব পৰা ক্ষমতা বিদ্যমান কিছু শব্দৰ ব্যৱহাৰ এনেধৰণৰ—

**তৎসম শব্দ ঃ** সৰ্ব, স্নেহ, মুক্তি, মুক্ত, সৃষ্টি, অজস্ৰ, উন্মত, প্ৰতাপ, কণ্ঠৰুদ্ধ, তৃষ্ণা, নিৰ্লজ্জ, সহস্ৰ, উত্তাপ, ত্ৰাস, বধিৰ, অগ্ৰগামী, শৃগাল, জাগ্ৰত, অগ্নিপিণ্ড, জ্বালাময়ী, ব্যৰ্থ।

**অৰ্ধতৎসম ঃ** থান, থাপিলা, সোনালী, চেনেহ, শুকুলা, ধৰম, শতৰু আদি।

**দ্বিৰুক্তিবাচক ঃ** জিকমিক, ঘনে ঘনে, গুপুতে গুপুতে, মিঠা মিঠা, ছিৰাছিৰি, হায় হায়, তিলতিল, মিচ্কি মাচ্‌াক আদি।

**যুক্তাক্ষৰ যুক্ত শব্দ ঃ** সমন্বয়, অগ্নিপিণ্ড, বিস্তীৰ্ণ, বিমুৰ্ত্ত, স্খলন, সহস্ৰ, নিশ্বাস, ব্ৰক্ষপুত্ৰ,সৃষ্টি আদি।

**ঠাচ প্ৰকাশক শব্দ ঃ** ন-বোৱাৰী, দেউ, ৰমক-জমক, আলফুলীয়া, কান্দি কাতি, পেটত গামোচা বান্ধি, দপ্ দপ্ অগনি, ফটা কঁথা, সেন্দুৰী আলি, ধপ্ ধপ্ বুকু, নঙঠা পিঠি, তিল্ তিল্ মৃত্যু, অজীন-পাতকী ইত্যাদি।

হাজৰিকা দেৱে গীতৰ মাজে মাজে কিছুমান ইংৰাজী শব্দও ব্যৱহাৰ কৰিছিল। যেনে—

**ইংৰাজী শব্দ ঃ**

ডিগনিটী অব লেবাৰ, ইয়াৰ, বেকাৰ, টেকনিক, বি-ই, ফেল, এম-এ, পাৰ্মিট, কমপ্লেক্স, পেচেঞ্জাৰ প্ৰফেচাৰ, ছাবজেক্ট, ফিফথ, ছিগনেল।

**আৰবী শব্দ ঃ**

"আজিৰ ঈদ মজলিচতে" গীতত ব্যৱহাৰ হোৱা আৰবী শব্দবোৰ এনেধৰণৰ—

ৰমজান, ঈদ, মেহফিল, মজলিছ, ৰহিম, ইনচানিয়ত, ইছলাম, আকবৰ, মক্কা, কোৰাণ ইত্যাদি।

**ফাৰ্চী শব্দ ঃ**

তৈয়ব, মোহব্বত, ৰোজা।

"লোকপ্ৰিয় বৰদলৈৰ মৃত্যুৰ পাচত আন্তৰিকভাৱে পৰ্বত ভৈয়ামৰ সম্প্ৰীতিৰ কাৰণে ড° ভুপেন হাজৰিকাৰ দৰে আন কোনো অসমীয়া নেতাই কেতিয়াও খটা নাই। পৰ্বত ভৈয়াম সম্প্ৰীতিৰ অবিহেন অসমৰ শ্ৰীহানি হ'ব বুলি আৰু অসমৰ সমাজ সচেতক ভুপেন হজাৰিকাই কৈ থৈ গ'ল সমাজ সচেতনতা, সামাজিক দায়বদ্ধতা আৰু মানৱতাৰ কথা।" ৩

ভুপেন হাজৰিকাৰ গীতত বৰ অসমৰ বিভিন্ন জনগোষ্ঠীয় সমাজ জীৱনৰ প্ৰতিফলন, তেওঁৰ গীতৰ কলিতেই ইয়াৰ প্ৰকাশ ঘটিছে।

নানা জাতি-উপজাতি/ৰহনীয়া সৃষ্টি/আঁকোৱালি লৈ হৈছিল সৃষ্টি/এই মোৰ অসম দেশ/বিভেদ পৰিহৰি/নিজ হাতে শ্ৰম কৰি/দেশক নগঢ়িলে/এই দেশ হ'ব নিঃশেষ/ আৰু মনবোৰও ভাগি ছিগি যাব/আজিৰ অসমীয়াই নিজক

নবচালে অসমতে মগনীয়া হ’ব।

বিভিন্ন জাতি, জনগোষ্ঠীৰ সংস্কৃতিৰ প্ৰতিফলন ঘটা কিছু গীতৰ অংশ বিশেষ উনুকিয়াইছো।

**বড়ো-কছাৰী জনগোষ্ঠীৰ শব্দ ঃ**

তেওঁৰ ‘বৰদৈচিলা নে সৰুদৈচিলা নে’ গীতটোত বড়ো ভাষাত ‘বৰদৈচিলা’ শব্দৰ অৰ্থ ব্যাখ্যা কৰিছে এনেদৰে বৰদৈচিলাৰ ‘বৰ’ মানে বতাহ/‘দৈ’ মানে পানী/ চিখলা মানে হ’ল গোসানীজনী।

**মিচিং জনগোষ্ঠীৰ শব্দ ঃ**

ৰজনীকান্ত বৰদৈৰ ‘মিৰি জীয়ৰী’ উপন্যাসৰ প্ৰসংগত ৰচিত গানৰ জৰিয়তে তেওঁ মিচিং সমাজৰ প্ৰগতি আৰু অন্যান্য সম্প্ৰদায়ৰ স’তে সম্প্ৰীতি কামনাৰে গাইছে।

**“এ জংকি পানেইৰ মিচিং সমাজ!**
**নিজেই দিচাং আবুং হৈ**
**অসমীৰে বৰ লুইতৰ সোঁতটি বঢ়াব!**
**মৰমৰহে এই যুগটি”**

(১৯৬৩, দিচাংমুখ)

ৰিবি গাচেং, আবুং দুমেৰ, গোংগাং এগে, মিবু গালুক, মিচিং শব্দৰ ব্যৱহাৰ হৈছে তেওঁৰ গীতত।

**কাৰ্বি জনগোষ্ঠীৰ শব্দ ঃ**

১৯৮২ চনত ৰচনা কৰা ‘ডিফু হল তোমাৰে নাম’ গীতৰ মৰ্মাৰ্থ প্ৰকাশ কৰিছে এনেধৰণে—

**“শুৰলা কাৰবি ভাষাত হে ! কাৰবি মানে পাহাৰ!**
**আৰ্লেং মানে মানুহ! আৰু স্বজাতি আমাৰ হে।**
**কাৰতে পোহৰ আৰু বি মানে কৰ্ম**
**কাৰবি জাতিৰ আদৰ্শ হ’ল !কৰ্ম মানে ধৰ্ম”**

(১৯৮২, ডিফু)

**চাহ জনগোষ্ঠীৰ শব্দ ঃ**

ভাৰতবৰ্ষৰ ভিন ভিন প্ৰান্তৰ প্ৰব্ৰজিত হোৱা অসমীয়া কলা-সংস্কৃতিক আকোৱালী লোৱা সহজ সৰল চাহ জনগোষ্ঠীৰ পৰম্পৰাগত উছৱ পৰৱত আনন্দৰ জোৱাৰ সৃষ্টি কৰা পৰিৱেসৰ সামঞ্জস্য ৰাখি তেওঁ গাইছিল—

“ৰাধাচূড়াৰ ফুল গুঁজি ৰাধাপুৰৰ ৰাধিকা”— এই গীতত জুগুনু, মাদল, লছমী, ঝুমুৰ, ফটিকা, ছোট বড়ো আদি শব্দৰ প্ৰয়োগ ঘটিছে।

(১৯৬৯, নিজৰাপাৰ)

তাৰোপৰি “চামেলি মেমচাহাব” কথাছবিত শব্দৰ ব্যৱহাৰ এনেধৰণৰ—

ধৰব পাহি, চাহেলী, ছোটো, লাল-লাল, গো, আশ্বিন, মাসে, টাঁকেৰ, মাঝে, ছাড়ে, ৰইল, হাঁসি ইত্যাদি।

**খাচী জনগোষ্ঠীৰ শব্দ ঃ**

“খুব্‌লেই খ্বিবুন”, “দুয়োটি বাঁহী বাঁহৰে বাঁহী” গীতত ব্যৱহাৰ কৰা খাচী শব্দৰ প্ৰয়োগ

**লিয়েং মাকাও**
....................
....................
**তাতে ডিয়েংচিয়ে পাতৰ ৰং সানিছা!**
....................
....................
**তেওঁৰ জেইনচেম খনি বিজুলীৰে বোৱা!**
**খুবলেই খ্বিবুন।**

**জেইনচেম, খুবলেই, খ্বিবুন, ব্লেই, লিংডো, নংপো, লিয়েনমাকাও, খ্বৰাতি।**

**অৰুণাচলৰ জনগোষ্ঠীৰ শব্দ ঃ**

১৯৬১ চনত ৰচনা কৰা “চিয়াঙৰে গালং...” গীতত আপাটানী, খামতি, গালং, মনপা নকটেই, টাংছা, চৰধুক্‌কেন, পদম্ আদি অৰুণাচলী শব্দৰ লগতে উত্তৰ-পূবৰ বিভিন্ন জাতি-জনজাতিৰ মাজৰ সম্পৰ্ক সুন্দৰকৈ প্ৰতিফলিত হৈছে।

“টিৰাপৰে বস্তি চাংলাং !তাতে সৰল জনজতি লুংচাং
সৌৱা টিৰাপ নৈৰ বুকুৰে !বাহৰ ওলোমা সাঁকোৰে
টাংচা খেতিয়ক পাৰ হৈ !সৌৱা দেখোঁ দলে দলে নামিছে
পিঠিত হোৱা লৈ- নামিছে...”

(১৯৬১, অৰুণাচল)

**মিজো জনগোষ্ঠীৰ শব্দ ঃ**

**“মিজোৰাম ঃ তোমাক নমস্কাৰ” গীতত গাইছে—**
**“তাইৰ হাতে বোৱা ‘গোৱান’ মেখেলাতে**
**ৰঙা নীলা আশা ভৰা ফুল ফুলিলে**
**তাইৰ বক্ষৰ ‘কৰচেই’ চোলাতেই**
**শুকুলা মেঘে কিবা ফুল বাছিলে”**

(১৯৬৮, মিজোৰাম)

গীতটিত- পাংকপাৰ, চেইৰো আদি লোক নৃত্যৰ কথা, মিজোৰামৰ বিভিন্ন জাতি জনজাতি যেনে— মিজো, হমাৰ, পৈ, লাখেৰ, কুকি আদি কথাৰো উল্লেখ আছে।

তেখেতে "ৰংপুৰ তোমাৰ নাম" গীতত কৈছে—

**"ভাষা সাহিত্যৰ ক'ত কথাকে লিখিম**
**জনজাতিৰ ভাষাৰ দান কিমান বখানিম হে।**
**বড়ো তিৱা হাজং ৰাভা এ দেউৰী মণিপুৰী**
**তাই ভাষাই অসমীয়াক ৰাখে দৃঢ় কৰি হে।"**

**উপসংহাৰ ঃ**

আজীবন গীতৰ মাজতে আবদ্ধ ৰাখি, বৰ অসমৰ ভিন্ন জাতি-জনজাতিৰ মাজত সমন্বয়ৰ বতৰা বিলাই গ'ল তেওঁ। বিভিন্ন জাতি জনগোষ্ঠীৰ মাজৰ পৰা তেওঁলোকে ব্যৱহাৰ কৰা শব্দৰাজি বিভিন্ন গীতৰ যেগেদি প্ৰকাশ কৰি অসমীয়া শব্দৰ ভৰাল টনকিয়াল কৰি গ'ল। ল'ৰাৰ পৰা বুঢ়ালৈ, কৃষকৰ পৰা মাছমৰীয়ালৈকে সকলোৰে বাবে গোৱা গীতবোৰ আকৰ্ষনীয় ৰূপত সকলোৰে মনত খাপ খুৱাই গ'ল। ❑

**পাদটীকা ঃ**

১। শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী — সাহিত্য আলোচনা, পৃষ্ঠা-১
২। ড° দিলীপ কুমাৰ দত্ত — ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃষ্ঠা-৩৮
৩। ড° দিলীপ কুমাৰ দত্ত — ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃষ্ঠা-১৭৬

**সহায়ক গ্ৰন্থ ঃ**

১। গোস্বামী, শ্ৰীত্ৰৈলোক্য নাথ ঃ- সাহিত্য আলোচনা, বাণী প্ৰকাশ, পঞ্চম সংস্কৰণ ১৯৮৮
২। গোস্বামী, লোকনাথ ঃ- বন্দিত ভূপেন দা নিন্দিত ভূপেন হাজৰিকা, আক-বাক, গুৱাহাটী, দ্বিতীয় প্ৰকাশ ২০০৯
৩। দত্ত, দিলীপ কুমাৰ ঃ- ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, বনলতা, পাণবজাৰ, পঞ্চম সংস্কৰণ, ২০১১
৪। দলে, হেমচন্দ্ৰ ঃ- লোখগুৱালাৰ দাদা ভূপেন হাজৰিকা সান্নিধ্য সোঁৱৰণ, বিস্ময় প্ৰকাশন, লখিমী পথ, প্ৰথম প্ৰকাশ ২০১৫

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# অসমৰ টেটোন শ্ৰেণীৰ সাধুকথা ঃ নিংনি ভাৰৰীয়াৰ সাধুকথাৰ বিশেষ উল্লিখনসহ



ব্ৰজেন বৈশ্য

গৱেষক ছাত্ৰ, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
৯১০১৭০০১৯৩
bbaishya61@gmail.com



ড° উপেন ৰাভা হাকাচাম

অধ্যাপক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
৮৬৩৮৬৫৯৫৫৬

**সংক্ষিপ্তসাৰ ঃ**

সাধুকথা হৈছে লোককথাৰ এটা অন্যতম ভাগ। ই হৈছে এবিধ গদ্যধৰ্মী লোককথা। ইংৰাজী ‘Folktale’ৰ অসমীয়া পৰিভাষা হিচাপে সাধুকথা শব্দটো ব্যৱহাৰ কৰা হয়। শদিয়াৰপৰা ধুবুৰীলৈ অসমৰ সৰ্বত্ৰতে সাধুকথাৰ প্ৰচলন আছে। সাধুকথাক বিভিন্ন জাতি-জনজাতিৰ লোকে বেলেগ বেলেগ নামেৰে নামকৰণ কৰা দেখা যায়। কামৰূপ অঞ্চলত সাধুকথাক ‘সাজো-কথা’, দৰঙ অঞ্চলত ‘উপকথা’, চাহ জনগোষ্ঠী লোকৰ মাজত ‘খিৰিচা’, কাৰ্বিসকলৰ ভাষাত ‘তম্ আলুন’ ইত্যাদি বিভিন্ন নামেৰে সাধুকথাক জনা যায়। সাধুকথাৰ বিষয়বস্তু, ভাৱ, চৰিত্ৰাদিৰ ওপৰত ভিত্তি কৰি বিভিন্নজনে সাধুকথাক বিভিন্ন ভাগত ভাগ কৰিছে। তাৰ ভিতৰত সাধুকথাৰ এটা প্ৰধান ভাগ হৈছে টেটোন বা টেণ্টনশ্ৰেণীৰ সাধুকথা। ইংৰাজী ‘Trick star Tale’ৰ পৰিভাষা হিচাপে অসমীয়া ভাষাত টেটোন বা টেণ্টন শ্ৰেণীৰ সাধুকথা পৰিভাষাটো ব্যৱহাৰ কৰা হয়। টেটোন বা টেন্টন শ্ৰেণীৰ সাধুকথাৰ মুখ্য চৰিত্ৰটোৱে নিজৰ অভীষ্ট কামনা সিদ্ধিৰ বাবে আন চৰিত্ৰক ঠগায় বা প্ৰতাৰণা কৰে। এই শ্ৰেণী সাধুকথাৰ মুখ্য চৰিত্ৰটো অত্যন্ত জেদী, চৰিত্ৰটোৱে সমাজৰ অন্যান্য লোকক নিজৰ ক্ৰিয়া-কলাপৰ যোগেদি হাস্যৰস প্ৰদান কৰে। প্ৰত্যুৎপন্নমতি গুণসম্পন্ন টেটোনে কাৰ্যৰ ভাল-বেয়া, উচিত-অনুচিত আদি দিশ বিচাৰ নকৰে। এই শ্ৰেণীৰ সাধুকথাত কেৱল মানুহেই নহয়, জীৱ-জন্তু আদিয়েও টেটোনৰ ভূমিকা পালন কৰে। অসমত প্ৰচলিত তেনে কেইটামান উল্লেখযোগ্য টেটোনৰ সাধুকথা হ’ল – ‘টেটোন’, ‘টেটোন তামুলী’, ‘টামন আৰু টেণ্টন’, ‘টেণ্টনপুৰৰ টেণ্টন’, ‘শিয়াল পণ্ডিত’,‘শিয়াল আৰু ঘঁৰিয়াল’, ‘শিয়াল আৰু বাঘ’, ‘বুঢ়া-বুঢ়ী আৰু শিয়াল’, ‘বান্দৰ আৰু শিয়াল’, ‘বামুণৰ বহুৱা’ আদি। ভাৰতবৰ্ষৰ আন আন ঠাইৰ টেটোনধৰ্মী চৰিত্ৰ বীৰবল, তেনালি ৰাম, গোপাল ভাঁড় আদিৰ দৰে অসমৰ নিংনি ভাৰৰীয়াও এক অন্যতম টেটোনধৰ্মী চৰিত্ৰ। অসমৰ বৰপেটা জিলাৰ মাজৰহাটীত জন্ম গ্ৰহণ কৰা টেটোন নিংনি ভাৰৰীয়াৰ সাধুকথাবোৰ লোকসমাজত মৌখিক ৰূপত প্ৰবাহিত হৈ আছে। আমাৰ এই আলোচনাত টেটোন শ্ৰেণীৰ সাধুকথাৰ প্ৰকৃতি বা



এই উপশ্ৰেণীবোৰৰ ভিতৰত এটা অন্যতম উপশ্ৰেণী হৈছে গদ্যধৰ্মী লোককথা। 'লোক' আৰু 'কথা' এই দুই পদ লগ লাগি 'লোককথা' অভিধাটো গঢ় লৈ উঠিছে। লোকসমাজৰ মাজত মৌখিকভাৱে প্ৰচলিত কথা বা কাহিনীকে চমুকৈ লোককথা বুলি জনা যায়। লোককথা গদ্য আৰু পদ্য উভয় ৰূপত বৰ্ণিত যদিও ইয়াত গদ্যাংশৰ ভূমিকা অধিক। লোককথাত পদ্যাংশই গদ্যাংশক আগবঢ়াই নিয়াত সহায় কৰে। মানুহৰ গল্প কোৱা আৰু শুনা স্বাভাৱিক প্ৰবৃত্তিৰ ফলস্বৰূপে লোককথাৰ জন্ম হৈছে। বিষয়বস্তু, ৰূপ-বৈচিত্ৰ্য আদিলৈ লক্ষ্য কৰি লোককথাক বহলভাৱে প্ৰধানতঃ তিনিটা ভাগত ভাগ কৰিব পৰা যায়। সেই ভাগ তিনিটা হ'ল—

(ক) পুৰাণ কথা বা পুৰা কথা বা পুৰাবৃত্ত বা গোসাঁই কথা, আখ্যান, অতিকথা (myth)।

(খ) জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend) উপাখ্যান।

(গ) সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী (Tale) ।(শৰ্মা, ২০১১, পৃ.১৬৫)

বৈশিষ্ট্যৰ সাধাৰত অসমত প্ৰচলিত টেটোন শ্ৰেণীৰ সাধুকথাৰ লগতে বিশেষভাৱে নিংনি ভাৰৰীয়াৰ সাধুকথাৰ বিষয়ে আলোচনা কৰা হ'ব।

**বীজ শব্দ ঃ** নিংনি ভাৰৰীয়া, টেঙৰালি, টেটোন, প্ৰত্যুৎপন্নমতি, বুদ্ধিমত্তা, সাধুকথা

**০.০ অৱতৰণিকা**

লোক সংস্কৃতিৰ পৰিসৰ অত্যন্ত বিশাল। লোক সংস্কৃতিৰ বিশাল পৰিসৰৰ ভিতৰত লোক সাহিত্য, সামাজিক লোকচাৰ, ভৌতিক সংস্কৃতি আৰু লোক পৰিবেশ্য কলা- এই চাৰিটা ক্ষেত্ৰ অন্তৰ্গত। এই প্ৰধান চাৰিটা ক্ষেত্ৰৰ ভিতৰত লোক সাহিত্য অন্যতম। লোক সাহিত্য হ'ল জনসাধাৰণৰ মুখে মুখে পৰম্পৰাগতভাৱে প্ৰচলন হৈ অহা এক ব্যক্তি নিৰপেক্ষ সাহিত্য। লোক সাহিত্য লোকসমাজৰ দলিল স্বৰূপ। "ৰূপ বা অৱয়বৰ ফালৰপৰা বাচিক কলা বা লোকসাহিত্য কেইটামান উপশ্ৰেণীত বিভক্ত। যেনে ঃ (ক) লোক সাহিত্য (খ) গদ্যধৰ্মী লোক কথা (গ) লোকভাষা (ঘ) প্ৰবাদ-প্ৰটন্তৰ-প্ৰবচন আৰু (ঙ) সাঁথৰ বা দিস্তান।" (শৰ্মা, ২০১৪,পৃ.৪৮) লোকসাহিত্যৰ

লোককথাৰ এই ভাগ তিনিটাৰ ভিতৰত এটা অন্যতম ভাগ হৈছে সাধুকথা। সাধুকথাক ইংৰাজীত 'Folk Tale' বুলি কোৱা হয়। সাধুকথা হৈছে জনসাধাৰণৰ মুখে মুখে প্ৰচলন হৈ অহা এক প্ৰকাৰ গদ্যধৰ্মী লোককথা। অতি প্ৰাচীন কালৰেপৰা সাধুকথাবোৰ পৃথিৱীৰ বিভিন্ন দেশত মৌখিক ৰূপত প্ৰচলিত হৈ আহিছে। প্ৰাচ্য আৰু পাশ্চাত্য উভয় দেশতে সাধুকথাৰ প্ৰচলন দেখা যায়। প্ৰাচ্যৰ দেশবোৰৰ ভিতৰত ভাৰতবৰ্ষত সাধুকথ্যৰ প্ৰাচুৰ্য্য লক্ষণীয়। সমগ্ৰ ভাৰতবৰ্ষ লোককথা বা সাধুকথাৰ ভূ-স্বৰ্গস্বৰূপ। 'জতকৰ সাধু', 'পঞ্চতন্ত্ৰৰ সাধু','হিতোপদেশৰ সাধু' আদি হ'ল প্ৰাচীন ভাৰতীয় সাধুকথাৰ নিদৰ্শন। পাশ্চাত্যৰ দেশবোৰৰ ভিতৰত গ্ৰীচ দেশত প্ৰাচীন লোককথা সংগ্ৰহৰ নিদৰ্শন পোৱা যায়। গ্ৰীচ দেশৰ ঈচপ নামে কোনো এক লোকৰ নামত থকা 'ঈচপৰ সাধু'-ৱেই হ'ল গ্ৰীচৰ প্ৰাচীনতম লোককথা সংগ্ৰহৰ

নিদৰ্শন। ভাৰতবৰ্ষকে আদি কৰি গ্ৰীচ, মিচৰ আদি বিভিন্ন দেশত প্ৰাচীন লোককথা সংগ্ৰহৰ নিদৰ্শন পোৱা যায় যদিও সিবোৰ প্ৰণালীবদ্ধভাৱে সংকলিত সাধুকথা বা লোককথা নাছিল। জাৰ্মান দেশৰ দুই ভাতৃ জেকব গ্ৰিম আৰু উইলিয়াম জেকবে ১৮১২ চনত জাৰ্মান দেশীয় লোককথাবোৰ সংগ্ৰহ কৰি 'House Hold Tales' নামেৰে ১৮১২ চনত সাধুকথাৰ দুটা খণ্ড প্ৰকাশ কৰে। গ্ৰিম ভাতৃদ্বয়ে সংকলন কৰা 'গ্ৰিম ফেইয়াৰি টেইলচ্' খ্যাত লোককথাবোৰেই হ'ল পৃথিৱীৰ প্ৰথম বিজ্ঞানসন্মত লোককথা বা সাধুকথা। গ্ৰিম ভাতৃদ্বয়ৰ পৰৱৰ্তী কালত সম্প্ৰতি বিশ্বৰ চুকে-কোনে সিঁচৰতি হৈ থকা সাধুকথাবোৰ বিভিন্নজনে বিজ্ঞানসন্মতভাৱে সংগ্ৰহ তথা সম্পাদনা কৰা পৰিলক্ষিত হৈছে।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ দৰে ভাৰতবৰ্ষ তথা অসমতো সাধুকথাৰ সংগ্ৰহ তথা সম্পাদনা কাৰ্য পৰিলক্ষিত হয়। সাধুকথাৰ ক্ষেত্ৰত অসম হৈছে এক চহকী ৰাজ্য। অসমৰ বিভিন্ন জাতি-উপজাতিৰ মাজত সাধুকথাৰ প্ৰচলন আছে। অসমৰ কামৰূপ অঞ্চলৰ লোকে সাধুকথাক 'সাজোকথা' বুলি কয়। সেইদৰে দৰং অঞ্চলৰ লোকে 'উপকথা', 'উককথা' বা 'গোসাঁই কথা', চাহ জনগোষ্ঠীয় লোকে 'খিৰিচা', কাৰ্বিসকলে 'তম্ আলুন', বঙালীসকলে 'ৰূপকথা' বা 'আযাৰে গল্প' ইত্যাদি বিভিন্ন নামেৰে সাধুকথাক নামকৰণ কৰা দেখা যায়। ৰূপ- বৈচিত্ৰ্য, বিষয়বস্তু আদিৰেও অসমত প্ৰচলিত সাধুকথাবোৰ বৈশিষ্ট্যপূৰ্ণ। অসমত অৰুণোদয় যুগতে সাধুকথা সংগ্ৰহ তথা সম্পাদনাৰ বীজ ৰোপিত হয়। অৰুণোদয় কাকতত প্ৰকাশিত সাধুকথাবোৰ হ'ল— 'বাইবেলৰ সাধু', 'বুঢ়া আৰু যুদ্ধ নায়ক', 'মাউৰী ছোৱালী', 'ঈগলৰ বাহ', 'আফ্ৰিকাৰ সাধু' আদি। অৱশ্যে সেই সাধুবোৰ অসমৰ পটভূমিত ৰচিত সাধু নাছিল। অসমত লক্ষ্মীনাথ বেজবৰুৱাই পোনপ্ৰথমে অসমৰ লোক সমাজৰ মাজত প্ৰচলিত সাধুকথা কেতবোৰ সংগ্ৰহ কৰি 'বুঢ়ী আইৰ সাধু' নামে ১৯১১ চনত প্ৰকাশ কৰে। বেজবৰুৱাৰ পৰৱৰ্তী কালৰপৰা সাম্প্ৰতিক কাললৈকে বিভিন্ন সংগ্ৰাহকে অসমত প্ৰচলিত সাধুকথা সংগ্ৰহ তথা সম্পাদনা কৰি অসমীয়া সাধুকথাৰ ক্ষেত্ৰখনক টনকিয়াল কৰিবলৈ সক্ষম হৈছে।

সাধুকথাৰ বিভিন্ন শ্ৰেণীৰ ভিতৰত এটা অন্যতম শ্ৰেণী হৈছে টেটোন বা টেণ্টন শ্ৰেণীৰ সাধুকথা। পৃথিৱীৰ বিভিন্ন দেশত টেটোন শ্ৰেণীৰ সাধুকথাৰ প্ৰচলন হৈ আছে। ইতিহাসত এনে কিছুমান চৰিত্ৰ পোৱা যায় যি ৰজাৰ ৰসিক সহচৰ আছিল। তেনে চৰিত্ৰবোৰে ৰাজসভাত ভাঁড় বা বিদূষক হিচাপে কাম কৰিছিল। ৰজা তথা ৰাইজক মনোৰঞ্জন প্ৰদান কৰা তেনে চৰিত্ৰক ইংৰাজীত 'Jester' বুলি কোৱা হয়। বিশ্বৰ বিভিন্ন দেশৰ তেনে ভাঁড় বা বিদূষকৰ ভিতৰত ৰিচাৰ্ড টাৰ্লটন, বীৰবল, তেনালি ৰাম, গোপাল ভাঁড়, মোল্লা নাসিৰুদ্দিন, মোল্লা-দো-পেঁয়াজা আদি অন্যতম। অসমত কোনো ৰজাৰ ৰাজসভাত ভাঁড় বা বিদূষক নিযুক্তি দিয়াৰ তথ্য পোৱা নাযায় যদিও ভাৰতবৰ্ষ বা পৃথিৱীৰ অন্যান্য ভাঁড় বা বিদূষকৰ সমধৰ্মী এটা চৰিত্ৰ হ'ল নিংনি ভাৱৰীয়াৰ চৰিত্ৰ। ভাঁড় বা বিদূষকসকলে প্ৰকৃততে একো একোটা টেটোনধৰ্মী চৰিত্ৰহে। টেটোনৰ গুণ-বৈশিষ্ট্য সম্বলিত ভাঁড় বা বিদূষকসকলৰ কথা-কাহিনীক কেন্দ্ৰ কৰি বিভিন্ন ধৰণৰ টেটোনধৰ্মী সাধুকথা প্ৰচলন হৈ আছে। অসমৰ সাধুকথাত শিয়াল, বান্দৰ আদি জন্তুৱে টেটোনৰ ভূমিকা পালন কৰা দেখা যায় । নিংনি ভাৱৰীয়াৰ সাধুকথাই অসমৰ টেটোন শ্ৰেণীৰ সাধুকথাৰ ক্ষেত্ৰখনক বাৰুকৈয়ে সমৃদ্ধ কৰিছে।

**০.১ অধ্যয়নৰ উদ্দেশ্য ঃ**

প্ৰত্যেকটো গৱেষণা কাৰ্যৰ অন্তৰালত একোটা বিশেষ উদ্দেশ্য নিহিত থকাৰ দৰে আমাৰ গৱেষণা কাৰ্যৰ বিশেষ উদ্দেশ্য হ'ল-

(ক) অসমত প্ৰচলিত টেটোন শ্ৰেণীৰ সাধুকথা সম্পৰ্কে আলোচনা কৰা।

(খ) টেটোন শ্ৰেণীৰ সাধুকথাৰ আধাৰত নিংনি ভাৱৰীয়াৰ সাধুকথা সম্পৰ্কে আলোচনা কৰা।

**০.২ অধ্যয়নৰ পদ্ধতি ঃ**

প্ৰস্তাৱিত গৱেষণা কাৰ্যটো সম্পন্ন কৰাৰ বাবে বৰ্ণনাত্মক তথা বিশ্লেষণাত্মক পদ্ধতিৰ

সহায় লোৱা হৈছে।

**০.৩ অধ্যয়নৰ ক্ষেত্ৰ ঃ**

প্ৰস্তাৱিত গৱেষণা কৰ্মটোৰ ক্ষেত্ৰ হিচাপে বৰপেটা জিলাক বাচি লোৱা হৈছে। টেটোন শ্ৰেণীৰ সাধুকথাৰ স্বৰূপ জনাৰ ক্ষেত্ৰত পুথিগত তথ্যৰ সহায় লোৱা হৈছে যদিও নিংনি ভাৱৰীয়াৰ সাধুকথা সন্দৰ্ভত জনাৰ ক্ষেত্ৰত পুথিগত তথ্যৰ লগতে নিংনি ভাৱৰীয়াৰ বাসস্থান বৰপেটা জিলাক গৱেষণাৰ ক্ষেত্ৰ হিচাপে বাচি লোৱা হৈছে।

**০.৪ অধ্যয়নৰ প্ৰয়োজনীয়তা**

প্ৰস্তাৱিত গৱেষণাৰ বিষয়টো অধ্যয়নৰ বিশেষ প্ৰয়োজন আছে। সেই প্ৰয়োজনীয়তাবোৰ হ'ল—

(ক) এই বিষয়টো অধ্যয়নৰ জৰিয়তে টেটোন শ্ৰেণীৰ সাধুকথাৰ স্বৰূপ, বৈশিষ্ট্যাদি জানিব পৰা যাব।

(খ) এই বিষয়টো অধ্যয়নৰ জৰিয়তে অসমত প্ৰচলিত টেটোন শ্ৰেণীৰ সাধুকথা সম্পৰ্কে জানিব পৰা যাব।

(গ) নিংনি ভাৰৰীয়া এক অন্যতম টেটোনধৰ্মী চৰিত্ৰ। নিংনি ভাৰৰীয়াই ব্ৰিটিছ ৰাজত্বৰ সময়ৰ অসমত কানি বৰবিহৰ অবাধ প্ৰচলনৰ বিৰুদ্ধে মাত মাতিছিল। নিংনি ভাৰৰীয়া আছিল এজন সমাজ সংস্কাৰক। হাস্য-ব্যঙ্গৰ জৰিয়তে ভাৰৰীয়াই কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰিবলৈ প্ৰয়াস কৰিছিল। ব্যঙ্গ ৰচনাই মানৱ চেতনাক জাগ্ৰত কৰি পাঠক-শ্ৰোতাৰ মনত দীৰ্ঘম্যাদী প্ৰভাৱ পেলাবলৈ সক্ষম। আকৌ, সাহিত্যৰ বুৰঞ্জীত বিশেষ মূল্য নাথাকিলেও সমাজতত্ত্ব তথা লোকসংস্কৃতিৰ বিষয় হিচাপে সাধুকথা মূল্যৱান সম্পদ। নিংনি ভাৰৰীয়াৰ সাধুকথাই যি গুৰুত্ব লাভ কৰিব লাগিছিল, তেনে গুৰুত্ব লাভ কৰা দেখা নাযায়। এনেবোৰ দিশৰ প্ৰতি লক্ষ্য ৰাখি টেটোন শ্ৰেণীৰ সাধুকথা হিচাপে নিংনি ভাৰৰীয়াৰ সাধুকথাৰ প্ৰচাৰ-প্ৰসাৰত সহায়ক হ'ব বুলিয়েই এই বিষয়টো বাচি লোৱা হৈছে।

**১.০ টেটোন শ্ৰেণীৰ সাধুকথাৰ স্বৰূপ**

ইংৰাজী 'Trickstar Tale' -ৰ অসমীয়া পৰিভাষা হিচাপে টেটোন শ্ৰেণীৰ সাধুকথা অভিধাটো ব্যৱহাৰ কৰা হয়। টেটোন শব্দৰ আভিধানিক অৰ্থ হ'ল– 'টেঙৰ, দুষ্ট স্বভাৱ বিশেষ আৰু প্ৰতাৰক।' (বৰুৱা, ২০০০,পৃ.৪২৮)। টেঙৰ, দুষ্ট স্বভাৱৰ, প্ৰতাৰক, চৰিত্ৰ বিশেষক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সাধুকথাকে চমুকৈ টেটোনৰ সাধুকথা বুলি কোৱা হয়। 'টেটোন শ্ৰেণীৰ সাধুকথাসমূহ প্ৰবঞ্চক, টেঙৰ বা চতুৰ মানৱ বা মানৱ ভিন্ন চৰিত্ৰ কেন্দ্ৰিক, যিটো চৰিত্ৰই আনক ঠগাই তাৰ বুদ্ধিমত্তাই জনসাধাৰণক আমোদ প্ৰদান কৰে, তুলনামূলকভাৱে স্বাভাৱিক বা অস্বাভাৱিক ৰূপ চৰিত্ৰত প্ৰতিফলিত হয়।" (গোস্বামী,২০১৪,পৃ.১০৬) টেটোন শ্ৰেণীৰ সাধুকথাৰ মুখ্য চৰিত্ৰ বা নায়কে আনৰ সুখ-দুখ, সুবিধা-অসুবিধাৰ কথা চিন্তা নকৰি নিজৰ মনৰ কামনা সিদ্ধিৰ বাবে আনক ঠগায় বা প্ৰতাৰণা কৰে। টেটোন বৰ জেদী তথা অনমনীয় চৰিত্ৰ। "টেটোন অসংযত আৰু সাংঘাতিক ধৰণৰ চৰিত্ৰ। আদিম অধিবাসী, কৃষক, নগৰীয়া আদি সকলো শ্ৰেণীৰ লোকক বিমল আনন্দ যোগাই অহা টেটোন চৰিত্ৰই মকৰা বা শহাপহু অথবা সিংহ বা বাঘ নাইবা বান্দৰ বা পৰিহাস্যকাৰক (Jester) বা মূৰ্খ ৰূপত আত্ম প্ৰকাশ কৰে।" (শৰ্মা, ২০১১, পৃ. ১৭৯-৮০) টেটোনে সমাজৰ লোকৰ বিনোদনৰ বাবে হাস্যদ্দীপক অভিনয় কৰে। অৱশ্যে টেটোনৰ হাস্য-ব্যঙ্গৰ অন্তৰালত সামাজিক প্ৰকাৰ্য নিহিত হৈ থাকে।

**১.১ টেটোন শ্ৰেণীৰ সাধুকথাৰ বৈশিষ্ট্য**

টেটোন শ্ৰেণীৰ সাধুকথাৰ প্ৰকৃতি বিচাৰ কৰিলে ইয়াৰ কেতবোৰ বৈশিষ্ট্য ওলাই পৰে। সেই বৈশিষ্ট্যবোৰ হ'ল—

১.১.০১ এই শ্ৰেণীৰ সাধুকথাৰ মূখ্য চৰিত্ৰটোৱে আনৰ কথা চিন্তা নকৰি কেৱল নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে আনক ঠগায় বা প্ৰতাৰণা কৰে। অৱশ্যে আনক ঠগাবলৈ গৈ কেতিয়াবা টেটোনে নিজেও ঠগ যায়।

১.১.০২ টেটোন শ্ৰেণীৰ সাধুকথাৰ মুখ্য চৰিত্ৰটো অত্যন্ত জেদী। টেটোন জেদ পূৰাবলৈ উপযুক্ত সময় তথা সুযোগলৈ অপেক্ষা কৰে।

১.১.০৩ টেটোনৰ সাধুকথাত টেটোন চৰিত্ৰই নিজ ক্ৰিয়া-কলাপৰ জৰিয়তে সমাজৰ অন্যান্য লোকক হাস্যৰস প্ৰদান কৰে। এনে হাস্য-ব্যঙ্গৰ অন্তৰালত সামাজিক প্ৰকাৰ্যও নিহিত হৈ থাকে।

১.১.০৪ টেটোন ধৰ্মী সাধুকথাৰ মূল চৰিত্ৰটো বিচক্ষণ বুদ্ধিমত্তাশীল চৰিত্ৰ। প্ৰত্যুৎপন্নমতি টেটোন উপস্থিত বুদ্ধিৰ জৰিয়তে সাধাৰণ লোকে কৰিব নোৱাৰা কাম এটাও অনায়াসে কৰে।

১.১.০৫ টেটোনধৰ্মী সাধুকথাৰ মূখ্য চৰিত্ৰটোৱে ব্যক্তিস্বাধীনতাক গুৰুত্ব দি আত্মমৰ্যাদা অক্ষুন্ন ৰাখি ভাল পায়। টেটোনে আনৰ ওচৰত নতশিৰে থাকি ভাল নাপায়। সেয়ে তেওঁ বিভিন্ন কৌশল অৱলম্বন কৰি হ'লেও নিজৰ মতামত দাঙি ধৰে। কোনোৱে টেটোনক কথাৰে জব্দ কৰিব খুজিলেও প্ৰতিপক্ষ যিমান শক্তিশালী নহ'লেও টেটোনে বশ্যতা স্বীকাৰ নকৰি বুদ্ধিদীপ্ততাৰে উচিত প্ৰত্যুত্তৰ দিয়ে।

১.১.০৬ টেটোন শ্ৰেণীৰ সাধুকথাত মানুহৰ বাদেও জীৱ-জন্তু আদিয়েও টেটোনৰ ভূমিকা পালন কৰে। মানৱ বা

মানৰ ভিন্ন টেটোন চৰিত্ৰ আচলতে একোটা ৰূপক বা প্ৰতীকহে। লোকসমাজে এনে ৰূপক বা প্ৰতীকৰ সহায়ত বিভিন্ন সামাজিক প্ৰকাৰ্য সাধন কৰে।

**২.০ অসমত প্ৰচলিত টেটোন শ্ৰেণীৰ সাধুকথা**

পৃথিৱীৰ বিভিন্ন দেশৰ লগতে ভাৰতবৰ্ষ তথা অসমতো টেটোন শ্ৰেণীৰ সাধুকথাৰ প্ৰচলন আছে। অসমত কেতিয়াৰপৰা এই শ্ৰেণী সাধুকথাৰ প্ৰচলন হৈ আছে, সেই কথা ন দি ক'ব পৰা নাযায়। প্ৰফুল্লদত্ত গোস্বামীয়ে কৈছে- - "মঙ্গোলীয় লোকসকল অসমলৈ অহাৰ পিছৰেপৰা টেটোন শ্ৰেণীৰ সাধুকথা সম্ভৱতঃ অসমৰ জাতি-জনজাতিৰ মাজত প্ৰচলন হ'বলৈ ধৰে।" (গোস্বামী,২০১৪পৃ. ৪৫) গোস্বামীৰ এই অনুমান সৰ্বজনগ্ৰাহ্য নহয়। নবীনচন্দ্ৰ শৰ্মাই গোস্বামীৰ কথা অস্বীকাৰ কৰি কৈছে - "গোস্বামীৰ এই প্ৰমেয় সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব নোৱাৰি। উচ্চ শ্ৰেণী, মালিক বা গৰাকী বা প্ৰভু, শাসক, শোষণকাৰী অত্যাচাৰী, গণশত্ৰু আদিৰ ভণ্ডামি, ক্ৰুৰতা, শাসন-শোষণ আদিক ব্যঙ্গ বা ইতিকিং কৰাৰ উদ্দেশ্য আগত ৰাখি পৃথিৱীৰ সৰ্বত্ৰতে টেটোন চৰিত্ৰৰ উদ্ভৱ হোৱা দেখা যায়। উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, আফ্ৰিকা আদিতো টেণ্টন চৰিত্ৰৰ প্ৰচলন লক্ষ্য কৰিব পাৰি। এই ফালৰপৰা কোনো এটা বিশেষ অঞ্চলৰ কোনো এটা বিশেষ সাংস্কৃতিক পৰিয়াল বা ভাষা পৰিয়ালত টেটোনৰ উদ্ভৱ হৈছিল বুলি ক'ব নোৱাৰি।" (শৰ্মা, ২০১১, পৃ.১৪৩) নবীনচন্দ্ৰ শৰ্মাৰ কথাৰ আঁত ধৰি ক'ব পৰা যায় যে অসমত টেটোন শ্ৰেণীৰ সাধুকথা কেতিয়াৰপৰা প্ৰচলন হৈছিল, সেই কথা খাটাংকৈ ক'ব পৰা নগ'লেও অন্যন্য সাধুকথাৰ দৰে টেটোন শ্ৰেণীৰ সাধুকথাও যে দূৰ-অতীতৰপৰা প্ৰচলন হৈ আহিছে, সেই কথা ক'ব পৰা যায়। বিভিন্ন জাতি-জনজাতিৰ মাজৰ এই শ্ৰেণীৰ সাধুকথা প্ৰচলন হৈ থকালৈ লক্ষ্য ৰাখি কেৱল মংগোলীয় জনগোষ্ঠীৰ পৰা এই শ্ৰেণী সাধুকথা প্ৰচলন হোৱা কথা মানি লব নোৱাৰি।

অসমত বসবাস কৰা ভিন্ ভিন্ জাতি-উপজাতিৰ মাজত প্ৰচলিত কেইটামান উল্লেখযোগ্য টেটোনৰ সাধুকথা হ'ল— 'টেটোন', 'টেটোন তামুলী' 'টামন আৰু টেণ্টন', 'টেণ্টনপুৰৰ টেণ্টন', 'শিয়াল পণ্ডিত', 'বুঢ়াবুঢ়ী আৰু শিয়াল', 'শিয়াল আৰু ঘঁৰিয়াল,' 'নীল বৰণীয়া শিয়াল' আদি। অসমত প্ৰচলিত টেটোনৰ সাধুবোৰত শিয়াল চৰিত্ৰটোৱে টেটোনৰ ভূমিকা পালন কৰা দেখা যায়। চতুৰ শিয়ালে প্ৰায়েই নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে আন জীৱ-জন্তুক ঠগায়। অৱশ্যে টেটোন শিয়ালে কেতিয়াবা নিজেও ঠগ খাবলগীয়া হোৱা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে 'বুধিয়ক শিয়াল' নামৰ সাধু এটাত প্ৰথমতে টেটোন শিয়ালে বুদ্ধিৰে বাঘৰ পোৱালীক ঠগি সিহঁতৰ ভাগৰ খাদ্য কাঢ়ি খাই, বাঘক শ'লঠেকত পেলাই বাঘক মৃত্যুমুখলৈ ঠেলি দি বাঘৰ মৃত্যু হোৱাত বাঘিনী আৰু পোৱালী দুটাকো বুদ্ধিৰে ঠগাই সিহঁতে চিকাৰ কৰা খাদ্য টেটোন শিয়ালে আৰামত ভক্ষণ কৰিছিল। বাঘৰ পোৱালী দুটা ডাঙৰ হোৱাত শিয়ালৰ চলনা বুজিব পাৰি পোৱালি দুটাই শিয়ালক মাৰি পেলায়।

অসমত প্ৰচলিত টেটোনৰ সাধুকথাত শিয়ালৰ উপৰিও বাঘ, বান্দৰ, বগলী, কেঁকোৰা, টিপচী চৰাই আদি জীৱ-জন্তুৱেও টেটোনৰ ভূমিকা পালন কৰা দেখা যায়। 'বাঘ আৰু কেকোৰা' নামৰ সাধুত কেঁকোৰাই টেটোনৰ ভূমিকা পালন কৰা দেখা যায়। সাধুটোত টেটোন কেঁকোৰাই বাঘক এসাজ খাবলৈ নিমন্ত্ৰণ কৰি বাঘক নেগুৰডাল গাঁতৰ ভিতৰলৈ সোমাই দিবলৈ কৈ বাঘে নেগুৰডাল সোমাই দিয়াত কেঁকোৰাই বাঘৰ নেগুৰডাল কামুৰি চিঙি পেলায়। সাধুটোত বাঘ অজলা আৰু কেঁকোৰা চতুৰ ৰূপত অংকিত হৈছে। সেইদৰে, 'বান্দৰ আৰু মেকুৰী' নামৰ সাধুত টেটোন বান্দৰে মেকুৰীয়ে অনা পিঠা ভাগ কৰি দিয়াৰ চলেৰে সমস্ত পিঠা খাই মেকুৰীক ঠগা দেখা যায়। একেদৰে 'বান্দৰ আৰু ঘঁৰিয়াল' নামৰ সাধুত প্ৰত্যুৎপন্নমতি গুণসম্পন্ন টেটোন বান্দৰে উপস্থিত বুদ্ধি খটুৱাই নিশ্চিত বিপদৰপৰা ৰক্ষা পৰা দেখা যায়। সাধুটোত ঘৈণীয়েকৰ কথা পেলাব নোৱাৰি ঘঁৰিয়ালে বন্ধু বান্দৰক মিছা কথা কৈ পানীৰ মাজলৈ লৈ গৈ যেতিয়া ঘঁৰিয়ালৰ পত্নীয়ে বান্দৰৰ কলিজাটো খাবলৈ বিচৰাৰ বাবে তেনেদৰে মিছা কথা বান্দৰক কৈ বান্দৰক লৈ অহা বুলি কোৱাত বান্দৰে তৎমুহূৰ্ততে বুদ্ধি খটুৱাই কলিজাটো গছৰ ওপৰত থৈ অহা বুলি কয়। কলিজাটো লৈ আহিব লাগে যদি পাৰলৈ লৈ ব'লা বুলি কোৱাত ঘঁৰিয়ালে বান্দৰক পাৰলৈ লৈ আনে। তেতিয়া বান্দৰে তৎক্ষণাত গছৰ ওপৰত উঠি নিজৰ জীৱন ৰক্ষা কৰে। এই সাধুটোৰ লেখীয়াকৈ 'ঢোৰা কাউৰী আৰু টিপচী চৰাই' নামৰ সাধুত কণমানি টিপচি চৰায়ে টেটোনৰ ভূমিকা পালন কৰি বুদ্ধিৰে ঢোৰা কাউৰীক পুৰি মাৰি নিশ্চিত বিপদৰপৰা নিজৰ জীৱন ৰক্ষা কৰা দেখা যায়। এনেদৰে চালে দেখা

যায় যে অসমৰ বিভিন্ন জীৱ-জন্তু, চৰাই-চিৰিকটি আদিক কেন্দ্ৰ কৰি টেটোন শ্ৰেণীৰ সাধুকথা প্ৰচলন হৈ আছে।



### ৩.০ টেটোন শ্ৰেণীৰ সাধুকথা হিচাপে নিংনি ভাৰৰীয়াৰ সাধুকথা

টেটোনৰ সাধুকথাবোৰ কেৱল জীৱ-জন্তুক কেন্দ্ৰ কৰিয়েই সৃষ্টি হোৱা নাই। টেটোন চৰিত্ৰৰ গুণ-বৈশিষ্ট্য সম্বলিত কেতবোৰ লোকৰ কাৰ্যাৱলীক লৈও লোকসমাজত কেতবোৰ সাধুকথা প্ৰচলিত হৈ আছে। তেনে চৰিত্ৰবোৰৰ ভিতৰত কেতবোৰ বাস্তৱ আৰু কেতবোৰ কাল্পনিক। আন কেতবোৰ এনে টেটোনধৰ্মী চৰিত্ৰ পোৱা যায় যিবোৰ কাল্পনিক নে ঐতিহাসিক চৰিত্ৰ সেই কথা থিৰাংকৈ ক'ব পৰা নাযায়। ইতিহাসত ৰজাৰ সহচৰ বা ৰাজভাণ্ডাৰৰ ৰখীয়া 'বিদুষক' বা 'ভাঁড়' নামে কিছুমান চৰিত্ৰ পোৱা যায়। যেনে--- 'বীৰবল','গোপাল ভাঁড়', 'তেনালি ৰাম', 'মোল্লা নাসিৰুদ্দিন', 'মোল্লা-দা- পেয়াজা' আদি। এই চৰিত্ৰবোৰে বাকপটুতা, উপস্থিত বুদ্ধি আদিৰে মনোৰঞ্জন প্ৰদানৰ সমান্তৰালভাৱে বহু সময়ত ৰজাক নিশ্চিত বিপদৰপৰা ৰক্ষা কৰিছিল। এনে 'বিদুষক' বা 'ভাঁড়' জাতীয় চৰিত্ৰবোৰক ইংৰাজীত 'Jester' বুলি কোৱা হয়। 'Jester' শব্দৰ সমাৰ্থক শব্দবোৰ হ'ল— Fool, Stufor, Seurra, For Bufoon, clown, sot আদি। ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমত 'ভাঁড়' বা 'বিদূষক' শ্ৰেণীৰ চৰিত্ৰ পোৱা নাযায় যদিও 'ভাঁড়' বা 'বিদূষক' শ্ৰেণীৰ চৰিত্ৰৰ সমধৰ্মী এটা বিশেষ চৰিত্ৰ পোৱা যায়। সেই চৰিত্ৰটোৰ নাম হ'ল নিংনি ভাৰৰীয়া। টেটোনৰ গুণ-বৈশিষ্টবোৰ নিংনি ভাৰৰীয়া চৰিত্ৰত বিদ্যমান। নিংনি ভাৰৰীয়াক কেন্দ্ৰ কৰি অসমত বিশেষকৈ নামনি অসমত বহুতো সাধুকথা প্ৰচলিত হৈ আছে।

নিংনি ভাৰৰীয়া বৰপেটা জিলাৰ এজন সৰবৰহী স্বভাৱ কবি তথা হাস্যৰসিক ভাৰৰীয়া আছিল। "বৰপেটাৰ বুকুত উনৈশ শতিকাৰ তৃতীয় দশকত নিংনি ভাৰৰীয়াৰ জন্ম হৈছিল"। (পাঠক, ১৯৮৭,পৃ.২) সত্ৰ পৰিচালনাৰ সুবিধাৰ্থে বৰপেটা চহৰক বাইশখন হাটি অৰ্থাৎ গাঁৱত বিভক্ত কৰা হৈছিল। "নিংনি ভাৰৰীয়া বৰপেটাৰ মাজৰ হাটিৰ মানুহ আছিল"। (দাস, ২০০৫, পাতনি) নিংনি ভাৰৰীয়া স্থানীয় অঞ্চলত 'নিংনি ভাউৰা' নামে জনাজাত। কামৰূপী উপভাষাত 'ভাৰৰীয়া' পদ বুজাবলৈ 'ভাউৰা' শব্দটো ব্যৱহাৰ কৰা হয়। " "ভাৰৰীয়া" পদ সম্ভৱতঃ সংস্কৃত 'ভাৱ' (অৱস্থা বা স্থিতি) শব্দৰ পৰা ওলাইছে। যেনে ভাও জোৰা, (ছলনা কৰ্, to feign) ভাও ল, (বাব ল, to take the role of), ভাও দেখা (অনুকৰণ কৰ্, to mimic) ইত্যাদি ভাৰৰীয়াৰ ভাও বা অভিনয় বুলিলে অচিন্ত্য-পূৰ্ব (ex-tempore) পদ মুখে মুখে ৰচি ঠাইতে গোৱাকে বুজায়। ভাৰৰীয়াই সভা, মহোৎসৱ, গন্ধ আদিত দৰ্শকসকলৰ মনোৰঞ্জনৰ বাবে দৈনন্দিন জীৱনৰ হাস্যোদ্দীপক ঘটনা লৈ এইদৰে পদ ৰচি গায় নাইবা লগত ৪৩৫ জন পালী লৈ একো থ'ৰা হৈ এনে অভিনয় দেখুৱায়।" (মেধি, ১৯৭৯, পৃ.২২৭) নিংনি ভাৰৰীয়াই বাটে-পথে সভাই-সমিতিয়ে উৎসৱ-পাৰ্বনে ৰাইজৰ আগত অঙ্গী-ভঙ্গীৰে দৰ্শকক

আমোদ দিছিল। পিছলৈ তেওঁ লোকসমাজৰ মাজত নিংনি ভাৰৰীয়া বা নিংনি ভাউৰা নামে পৰিচিতি লাভ কৰে।

নিংনি ভাৰৰীয়া টেটোনৰ গুণ-বৈশিষ্ট্য সম্বলিত এটা অন্যতম চৰিত্ৰ। নিংনি ভাৰৰীয়াৰ কাহিনীক অৱলম্বন কৰি লোকসমাজত ভালেমান সাধুকথা প্ৰচলিত হৈ আছে। টেটোনৰ গুণ-বৈশিষ্ট্য সম্বলিত নিংনি ভাৰৰীয়াই নিজৰ মনে বিচৰা কামনা সিদ্ধিৰ বাবে আন চৰিত্ৰক ঠগায় বা প্ৰতাৰণা কৰা দেখা যায়। 'কলাবাপুৰ মাছমৰা ৰহস্য' নামৰ এটা সাধুত নিংনি ভাৰৰীয়াই কলাবাপক ঠগাই কলাবাপে মাৰি অনা মাছ ভক্ষণ কৰা দেখা যায়। কলাবাপে কষ্ট কৰি অনা মাছখিনি ঠগাই খাবলৈ নিংনি ভাৰৰীয়াই কোনো দ্বিধাবোধ কৰা দেখা নাযায় বা কলা বাপক প্ৰতাৰণা কৰি টেটোন ভাৰৰীয়াই এবাৰলৈকেও অনুশোচনা কৰা দেখা নাযায়। টেটোন ভাৰৰীয়াই কলাবাপক প্ৰতাৰণা কৰি কলাবাপে মাৰি অনা মাছখিনি নিজে ভক্ষণ কৰিবৰ উদ্দেশ্যে মাছখিনিক মৰা গৰুৰ লগত তুলনা কৰিছিল। কলাবাপৰ খোৱা-বোৱাৰ ক্ষেত্ৰত যে বাচ-বিচাৰ আছিল সেই কথা টেটোন ভাৰৰীয়াই জানিছিল। মাছখিনিক মৰা গৰুৰ লগত তুলনা কৰাত কলাবাপে কষ্ট কৰি মাৰি অনা মাছখিনি নাখাওঁ বুলি পেলাই দিয়াৰ লগে লগে টেটোন ভাৰৰীয়াই মাছখিনি বুটলি নিজৰ ঘৰলৈ লৈ গৈছিল।

'গৃহিনীক লাউ খোজা' নামৰ আন এটা সাধুটো টেটোন ভাৰৰীয়াৰ আত্মস্বাৰ্থ সিদ্ধিৰ বাবে আনক প্ৰতাৰণা কৰা এক কাহিনী পোৱা যায়। সাধুটোত অকলে থকাৰ সুযোগত এগৰাকী গৃহিনীক প্ৰতাৰিত কৰি নিংনি ভাৰৰীয়াই গৃহিনীগৰাকীক শ'লঠেকত পেলাই নিজৰ অভীষ্ট কামনা সিদ্ধি কৰা দেখা যায়। গৃহিনীগৰাকীক তেওঁ চালত উঠি লাউ পাৰি দিবলৈ বাধ্য কৰায়। ভাৰৰীয়াই গৃহিনীগৰাকীক কয়— "আই হেৰ ! মই কোনো কালে খেৰৰ ঘৰত উঠি পোৱা নাই তাতে মই ভাৰী মানুহ, চালখনো হেকেটা। মই জখলাত ধৰি থাকোঁ তয়ে পাৰি দেছোন পৰিবৰ কোনো ভয় নকৰিবি"। (দাস, ২০০৫, পৃ.৪২) গৃহিনী গৰাকীয়ে সোনকালে আপদ দূৰ কৰিবৰ বাবে চালত উঠি ভাৰৰীয়াক লাউ পাৰি দিয়ে। এটা লাউত সন্তুষ্ট নহৈ আনটো লাউও পাৰি দিলেহে নামিবলৈ তেওঁ জখলাডাল আগুৱাই দিব অন্যথা চালত উঠা তিৰোতা চাবলৈ সমজুৱাক মাতিব বুলি ভয় খুৱাই টেটোন ভাৰৰীয়াই অৱশিষ্ট লাউটোও গৃহিনী গৰাকীৰ পৰা হাত কৰে। ভাৰৰীয়াই গৃহিনী গৰাকীৰ প্ৰতি কৃতজ্ঞ হোৱাৰ পৰিৱৰ্তে গৃহিনীগৰাকীক চালৰ পৰা নমাত সহায় নকৰি নিজৰ স্বাৰ্থ পূৰণ কৰি লাউ লৈ তাৰপৰা পলায়।

টেটোন নিংনি ভাৰৰীয়া অত্যন্ত জেদী আৰু অনমনীয় স্বভাৱৰ আছিল। তেওঁ প্ৰতিশোধ পূৰণ কৰিবলৈ সময় তথা সুযোগলৈ অপেক্ষা কৰিছিল। 'মৌজাদাৰৰ লগত বন্ধুত্ব' নামৰ এটা সাধুত ভাৰৰীয়াই মৌজাদাৰৰ ওপৰত লোৱা প্ৰতিশোধৰ বিষয়ে জনা যায়। সাধুটোত দেখা যায় যে নিংনি ভাৰৰীয়াই এদিন মৌজাদাৰৰ ঘৰলৈ খাজনা দিবলৈ গৈছিল। ভাৰৰীয়াক দেখিও যেতিয়া মৌজাদাৰে বহিবলৈ কোৱা নাছিল তেতিয়া আত্মসন্মান বোধ থকা নিংনি ভাৰৰীয়াই মৌজাদাৰৰ ব্যৱহাৰত বৰ লাজ পায়। মৌজাদাৰে বহিবলৈ নোকোৱাত ভাৰৰীয়াই ওচৰতে থকা বেঞ্চ এখনত নিজে বহে। মৌজাদাৰক নোসোধাকৈ বেঞ্চখনত বহা বাবে মৌজাদাৰে ভাৰৰীয়াক তিৰস্কাৰ কৰে। মৌজাদাৰৰ তেনে কটু ব্যৱহাৰৰ পোটক তুলিবলৈ ভাৰৰীয়াই মনতে সংকল্প লয়। এদিন সুযোগ বুজি ভাৰৰীয়াই মৌজাদাৰৰ ওপৰত প্ৰতিশোধ লয়। এদিন বৰপেটাৰ সৰু হাকিমৰ ল'ৰা জন্মা বাবে কাছাৰীত সকলোকে চাহ-মিঠাইৰে আপ্যায়ন কৰা হৈছিল। সেই চাহ-পৰ্বত সকলোকে নিংনি ভাৰৰীয়াই নিমন্ত্ৰণ জনাইছিল। মৌজাদাৰ আহিলে তেওঁক বহিবলৈ দিবলৈ খুৰা ভঙা চকী এখন ভাৰৰীয়াই আগতেই সাজু কৰি ৰাখিছিল। যথা সময়ত মৌজাদাৰ আহিলত নিংনি ভাৰৰীয়াই আগতেই সাজু কৰি ৰখা খুৰা ভঙা চকীখন মৌজাদাৰক বহিবলৈ দি মৌজাদাৰক হামখুৰি খুৱাই পেলাই মাৰি নিজৰ প্ৰতিশোধ পূৰণ কৰিছিল। মৌজাদাৰে মাটিত বাগৰি পৰাত মৌজাদৰৰ দুখৰ সমভাগী হোৱা দেখুৱাই ভাৰৰীয়াই কয়— "উংকি কথাটো হ'ল! চেয়াৰখন মই নিজে আনি বহিছিলোঁ কিন্তু খুৰা এটা ভঙা বুলি ক'বই পৰা নাছিলোঁ, মই পাতল মানুহ বুলিহে সাৰিলোঁ নহলে বুঢ়া বয়সত মোৰো ককাল লেৰফেৰিয়া হ'লহেঁতেন।" (দাস, ২০০৫, পৃ.২২)।

টেটোন নিংনি ভাৰৰীয়াই তেওঁৰ কাৰ্যাৱলীৰ জৰিয়তে সমাজৰ লোকক হাস্যৰস প্ৰদান কৰা দেখা যায়। 'মৰা নদীত মাছ মৰা ৰহস্য' নামৰ এটা সাধুকথাত দেখা যায় যে কেম্বল চাহাব আৰু মেমক ভাৰৰীয়াই তেওঁৰ কাৰ্যৰ জৰিয়তে বিমল হাস্যৰস প্ৰদান কৰিছিল। জাকৈৰে মাছ মাৰি চাহাব-মেমক এসাজ খুৱাব বুলি কৈ ভাৰৰীয়াই শুকান গোবৰ কিছু সংগ্ৰহ কৰি আনি গোবৰবোৰ নদীৰ

পানীত এৰি দিয়ে আৰু যেতিয়া শুকান গোৰৰবোৰ পানীত ওপঙি উঠে মাছ বুলি জ্ঞান কৰি গোৰৰবোৰকে ভাৰৰীয়াই জাকৈৰে টানি আনে। শুকান গোৰৰবোৰ জাকৈৰে সৰকি যেতিয়া পুনৰ পানীত ভাহি উঠে তেতিয়া একো একোটা যেন ডাঙৰ মাছহে জাকৈৰে সৰকি যায়, তেনে ভাৰত ভাৰৰীয়াই আক্ষেপ কৰে। ভাৰৰীয়াৰ কাণ্ড দেখি চাহাব আৰু মেমে হাঁহি হাঁহি অস্থিৰ হয়। চাহাবে ভাৰৰীয়াক কয়- – "ইকি! জাখৈৰ দেখোন তলি নাই। কেনেকৈ মাছ পাবা ?" (দাস, ২০০৫, পৃ.১০) তেতিয়া ভাৰৰীয়াই কয়— "নহয় হুজুৰ জাখৈ এনেকুৱাই। জাখৈৰ তলি বন্ধ হ'লে মাছনো কোন পিনেদি সুমাব ?" (দাস, ২০০৫, পৃ.১০) আচলতে, মৰানদীত মাছ মৰাটো টেটোন ভাৰৰীয়াৰ এক উপলক্ষ্যহে আছিল, চাহাব আৰু মেমক হাস্যৰস প্ৰদান কৰাটোহে তেওঁৰ প্ৰধান উদ্দেশ্য আছিল।

টেটোনে হাস্য-ব্যঙ্গৰ জৰিয়তে সামাজিক প্ৰকাৰ্য সাধন কৰে। নিংনি ভাৰৰীয়াৰ সাধুকথাতো দেখা যায় যে টেটোন ভাৰৰীয়াৰ হাস্য-ব্যঙ্গৰ অন্তৰালত একোটা সামাজিক প্ৰকাৰ্য নিহিত হৈ আছিল। নিংনি ভাৰৰীয়াই অসামাজিক নীতি-নিয়ম আদিৰ বিৰুদ্ধে প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰতিবাদ সাব্যস্ত কৰিছিল। 'পণ্ডিতৰ নিগনি পুৱা ভক্ষণ' নামৰ এটা সাধুত দেখা যায় যে টেটোন নিংনি ভাৰৰীয়াই পঢ়াশালিৰ এজন ধঁপতুৱা পণ্ডিতক ধঁপাত বুলি নিগনি পুৱা খুৱাই ধঁপাত খোৱাটো যে বেয়া কাম, বিশেষকৈ পণ্ডিতসকলে ধঁপাত খোৱাটো যে একপ্ৰকাৰ দোষণীয় কাম সেই কথা বুজাই দিছিল। পঢ়াশালিত ছাত্ৰ-ছাত্ৰীক পাঠ-পঢ়াবলৈ এৰি নিতৌ যেতিয়া পণ্ডিতে ধঁপাত খাই ফুৰিছিল তেতিয়া পণ্ডিতক এশিকনি দিয়াৰ উদ্দেশ্যে ভাৰৰীয়াই চিলিমত ধঁপাতৰ সলনি নিগনি এটা ভৰাই পণ্ডিতক হুপিবলৈ দিয়ে। পণ্ডিতে কয়— "হেৰ নিংনি ! এচিলিম জ্বলোৱা তাকে এহুপা মাৰো"। (দাস, ২০০৫, পৃ.২৬) তেতিয়া পণ্ডিতৰ কথা অন্য অৰ্থত ব্যৱহাৰ কৰি চিলিমত নিগনি এটা ভৰাই অঙঠা এটা দি জ্বলাই ভাৰৰীয়াই পণ্ডিতক হুপিবলৈ দিয়ে। পণ্ডিতে বাৰে বাৰে হুপা স্বত্বেও ধোঁৱা নোলোৱাত চিলিমটো উবুৰিয়াত দিয়াত আধাপুৰা নিগনি এটা ওলাই পৰে। পণ্ডিতে এই কাৰ্যত ভাৰৰীয়াক ক্ষোভ কৰাত ভাৰৰীয়াই কয়— "আপুনি দেখোন ক'লে "বোলে নিংনি এচিলিম লগোৱা এই বুলি"- – সেইবাবে মই সন্মুখত পাই মৰা নিগনিটো লগাই দিলো। মনতে ভাবিলো আপুনি পণ্ডিত মানুহ কিজানি মলা ধপাতৰ সলনি নিগনি পুৱাকে খাবলৈ ভাল পায়।" (দাস, ২০০৫, পৃ.২৬) এনেদৰে সাধুকথাটোৰ মাজেৰে ভাৰৰীয়াই পণ্ডিতক ব্যঙ্গ কৰি পণ্ডিতক ধঁপাতমুক্ত কৰাৰ প্ৰয়াস কৰা দেখা যায়।

টেটোনে কাৰ্যৰ পৰিণতি বা শাস্তিৰ কথা বিবেচনা কৰি কাম নকৰে। ভৱিষ্যতে তেওঁৰ কাৰ্যৰ কেনে ফল হ'ব সেই কথা তেওঁ বিবেচনা নকৰে। নিংনি ভাৰৰীয়াৰ সাধুকথাতো দেখা যায় যে ভাৰৰীয়াইয়ো শাস্তি বা কু-পৰিণতিৰ কথা বা ভৱিষ্যতৰ কথা চিন্তা নকৰি বিভিন্ন কাৰ্যত প্ৰবৃত্ত হৈছিল। সমাজক মনোৰঞ্জন প্ৰদান কৰিবলৈ গৈ তেওঁ কেতিয়াবা ৰুচিবিহৰ্গিত বা নকৰিবলগীয়া কামো কৰিছিল। 'নামফটাৰ বিয়াৰ যৌতুকত নিংনি ভাৰৰীয়া' নামে এটা সাধুত ভাৰৰীয়াই নামফটা নামে পৰিচিত এজন আদবয়সীয়া লোকক বিয়া পাতি দিয়াৰ প্ৰলোভন দি তেওঁৰ পৰা টকা-পইচা সৰকোৱাৰ উপৰিও বিয়াৰ দিনা ডেকা ল'ৰা এজনক কইনা সজাই নিজে কইনাৰ যৌতুক হিচাপে ওলাই হোমৰ গুৰিত বহিছিল। নামফটা বা ৰাইজে প্ৰকৃত কথাটো জানিলে কেনে পৰিস্থিতি সৃষ্টি হ'ব সেই কথা তেওঁ ভবা নাছিল।

বিচক্ষণ বুদ্ধিমত্তাৰ অধিকাৰী টেটোন নিংনি ভাৰৰীয়াৰ বুদ্ধিমত্তাৰ পৰিচয় পোৱা যায় 'খাজনা ৰেহাই' নামৰ এটা সাধুকথাৰ মাজেৰে। সাধুটোত ভাৰৰীয়াই বুদ্ধিমত্তাৰে মাটিৰ খাজনা ৰেহাই পাবলৈ সক্ষম হোৱা দেখা যায়। খাজনা দিব নোৱাৰা অপৰাধত মৌজাদাৰৰ পিয়াদাই নিংনি ভাৰৰীয়াৰ ঘৰৰ লাম-লাকটু সোপাকে ভাঙি-ছিঙি লৈ যোৱাত মৌজাদাৰৰ লগত মৌজাদাৰে কথা পাতি থকা অৱস্থাত ভাৰৰীয়াই হাকিমৰ আগত নিজৰ দুখ বৰ্ণনা কৰে। হাকিমক তেওঁ ডাঙৰ আৰু মৌজাদাৰক সৰু বুলি এনেদৰে কয়—

"আপুনি হৈছে বৰ বাপ মৌজাদাৰ সৰু।

বোপাৰ আগত মই বুকু ঢাকুৰি মৰু।।" (দাস, ২০০৫, পৃ.৬)

প্ৰশংসা শুনি সকলোৱে ভাল পায়। সেইবাবে মৌজাদাৰতকৈ হাকিমক ডাঙৰ বুলি প্ৰশংসা কৰি তাৰ পিছতহে ভাৰৰীয়াই মৌজাদাৰৰ অত্যাচাৰৰ কথা প্ৰকাশ কৰে। পাঁচ টকা খাজনা দিব নোৱাৰা বাবে যে মৌজাদাৰৰ পিয়াদাই দুপৰীয়া বঢ়া ভাতো পেলাই দি কাঁহী-বাতি লৈ গৈছিল সেই কথা তেওঁ হাকিমৰ আগত দুখেৰে প্ৰকাশ কৰে এনেদৰে—

‘পাঁচটি টকা তাৰ বাবে মৌজাদাৰে পায়।
সময়মতে সুজিবলৈ নোৱাৰিলো দায়।।
এই দোষতেই দেউতা ৰজাৰ দূত গৈ।
দুপৰীয়া বঢ়া ভাতৰ কাঁহী পালেগৈ।।
খাই উঠি দিম বুলি কলোঁ হাতযোৰ কৰি।
টান মাৰি লৈ আহিল পাগ চুৰা কৰি।।” (দাস, ২০০৫, পৃ.৮)

ভাৰৰীয়াৰ এনে দুখ বৰ্ণনা শুনি হাকিমে মৌজাদাৰক ভাৰৰীয়াৰ খাজনা ৰেহাই দিবলৈ কয়। এনেদৰে বুদ্ধিমত্তাৰে নিংনি ভাৰৰীয়াই খাজনা ৰেহাই পাবলৈ সক্ষম হৈছিল। বিতৰ্ক কৰিলে তেওঁ হয়তো ফাটেকতহে পৰিবলগীয়া হ’লহেঁতেন।

এনেদৰে চালে দেখা যায় যে টেটোনৰ বৈশিষ্ট্যবোৰ নিংনি ভাৰৰীয়াৰ চৰিত্ৰত বাৰুকৈয়ে বিদ্যমান।

**৪.০ উপসংহাৰ**

অসমৰ বিভিন্ন জাতি-জনজাতিৰ মাজত পুৰণি কালৰেপৰাই বিভিন্ন সাধুকথা প্ৰচলিত হৈ আছে। বিভিন্ন জাতি-জনজাতিৰ মাজত প্ৰচলিত ভিন্ ভিন্ ধৰণৰ সাধুকথাই অসমীয়া সাধুকথাৰ জগতখনক বৈচিত্ৰ্যময় কৰি তোলাত বাৰুকৈয়ে সহায় কৰিছে। অসমীয়া সাধুকথাৰ জগতখনত টেটোন শ্ৰেণীৰ সাধুকথায়ো এক বিশেষ স্থান দখল কৰি আছে। অসমীয়া সমাজে টেটোন চৰিত্ৰক ঘৃণা কৰাৰ পৰিৱৰ্তে আকোঁৱালি লোৱাহে দেখা যায়। অসমৰ টেটোন শ্ৰেণীৰ সাধুকথাৰ জগতখনত নিংনি ভাৰৰীয়াৰ সাধুকথাই বিশেষ স্থান দখল কৰি আছে। অসমীয়া লোকসমাজত বিশেষকৈ নামনি অসমত নিংনি ভাৰৰীয়াৰ সাধুকথা বিশেষভাৱে সমাদৃত। সম্প্ৰতি নতুন প্ৰজন্মৰ মাজত অন্যান্য সাধুকথাৰ লগতে নিংনি ভাৰৰীয়াৰ সাধুকথাৰো চৰ্চা কম হোৱা পৰিলক্ষিত হৈছে। টেটোন নিংনি ভাৰৰীয়াৰ সাধুকথাৰ চিন্তা-চৰ্চাই এই শ্ৰেণী সাধুকথাৰ প্ৰচাৰ-প্ৰসাৰত অধিক সহায় কৰাৰ লগতে অসমীয়া টেটোন শ্ৰেণীৰ সাধুকথাৰ ক্ষেত্ৰখনক বাৰুকৈয়ে সমৃদ্ধ কৰি তুলিব বুলি ন দি ক’ব পৰা যায়। ❑


**সহায়ক গ্ৰন্থপঞ্জী**

**অসমীয়া ঃ**

গগৈ, লীলা (১৯৮৬) অসমৰ সংস্কৃতি। ডিব্ৰুগড়ঃ বনলতা।

গোস্বামী, প্ৰফুল্ল দত্ত (২০০৪) অসমীয়া জন সাহিত্য। গুৱাহাটী ঃ বাণী প্ৰকাশ।

দাস, যাদব চন্দ্ৰ (২০০৫) নিংনি ভাৰৰীয়াৰ ৰহস্য। বৰপেটা ঃ পঞ্চৰতন ফাৰ্ম।

পাঠক, কিশোৰী মোহন (১৯৮৭) নিংনি ভাৰৰীয়া। বৰপেটা ঃ ভাস্কৰ প্ৰকাশন।

মেধি, কালিৰাম (১৯৭৯), সম্পা.। কালিৰাম মেধি ৰচনাৱলী। যোৰহাট ঃ অসম সাহিত্য সভা, চন্দ্ৰকান্ত সান্দিকৈ ভৱন।

শৰ্মা নবীনচন্দ্ৰ (২০১৪) অসমৰ লোকসাহিত্য। গুৱাহাটী ঃ জ্যোতিপ্ৰকাশন।

ঐ ।(২০১১) লোকসংস্কৃতি। গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

**বাংলা**

নায়ক, জীবেশ (২০১০) লোকসংস্কৃতিবিদ্যা ও লোকসাহিত্য। কলকাতা ঃ কলকাতা, বঙ্গীয় সাহিত্য।

**ইংৰাজী**

Goswami, Prafulla Dutta (1970) Ballads and Tales of Assam, Guwahati : Department of Publication, Gauhati University.

**অভিধান**

বৰুৱা, হেমচন্দ্ৰ (২০০০) হেমকোষ। গুৱাহাটী ঃ হেমকোষ প্ৰকাশন।

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত আৰ্থ-সামাজিক দিশ ঃ এক অধ্যয়ন



তৰালী সূত্ৰধৰ

গৱেষক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
৯১০১৯৮৪৩৫৮
taralisutradhar991@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

অসম তথা ভাৰতীয় সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ লেখিকা মামণি ৰয়ছম গোস্বামীয়ে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল চুটিগল্পৰ মাজেৰে আৰু জনপ্ৰিয়তা লাভ কৰিছিল ঔপন্যাসিক হিচাপে। তেওঁৰ ৰচিত উপন্যাসসমূহ হৈছে চেনাবৰ সোঁত (১৯৭২), নীলকণ্ঠী ব্ৰজ (১৯৭৬), অহিৰণ (১৯৮০), মামৰে ধৰা তৰোৱাল (১৯৮০), বুদ্ধসাগৰ ধূঁসৰ গাইসা আৰু মহম্মদ মুছা (১৯৮০), দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮), জখ্মী যাত্ৰী (১৮৯০), তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (১৯৯৪), উদয়ভানুৰ চৰিত্ৰ (১৯৮৯), দাশৰথিৰ খোজ (১৯৯৯), ছিন্নমস্তাৰ মানুহটো (২০০১) আৰু থেং ফাখ্ৰী তহ্‌চিল্‌দাৰৰ তামৰ তৰোৱাল (২০০৯)। তেওঁৰ প্ৰায়বোৰ উপন্যাসতে নিপীড়িত আৰ্তজনৰ দুখ-দৈন্যতাৰ কাহিনী, অৰ্থনৈতিক বৈষম্যৰ চিত্ৰ তুলি ধৰা দেখা যায়। লেখিকাগৰাকীৰ প্ৰায়ভাগ উপন্যাসৰেই কাহিনী বাস্তৱ জীৱনৰ পৰা বুটলি অনা। উচ্চ শ্ৰেণীয়ে নিম্ন শ্ৰেণীক, উচ্চ বংশৰ লোকে নিম্ম বংশৰ লোক, বিত্তশালী লোকে অৰ্থহীন লোক, শিক্ষিত উচ্চ বিষয়াই নিৰক্ষৰ শ্ৰমিক শ্ৰেণীক, পুৰুষপ্ৰধান ৰক্ষণশীল সমাজে তথা পুৰুষতন্ত্ৰই নাৰীক হেয় জ্ঞান কৰি কেনেদৰে প্ৰতাৰণা কৰি অন্যায়ভাৱে অত্যাচাৰ কৰিছিল সেয়া লেখিকাই উপন্যাসৰ মাজেৰে তুলি ধৰি অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। আমাৰ আলোচনাত মামণি ৰয়ছম গোস্বামীৰ চেনাবৰ সোঁত (১৯৭২), অহিৰণ (১৯৮০), মামৰে ধৰা তৰোৱাল (১৯৮০), দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮) আৰু থেং ফাখ্ৰী তহ্‌চিল্‌দাৰৰ তামৰ তৰোৱাল (২০০৯) নামৰ উপন্যাসকেইখনত প্ৰতিফলিত হোৱা আৰ্থ-সামাজিক দিশ সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দ ঃ**

অৰ্থনৈতিক শোষণ, আৰ্থ-সামাজিক দিশ, শাসক-শোষিত শ্ৰেণী আদি।

**১.০০ অৱতৰণিকা ঃ**

জন্মগতভাৱে মানুহ সামাজ প্ৰিয় প্ৰাণী আৰু সমাজেই মানুহৰ আবাসস্থলী। তদ্ৰূপ এই সমাজত ভিন্ন ভাষীৰ, নানা শ্ৰেণীৰ নানা বৃত্তিৰ লোকে বাস কৰে। বিভিন্ন বৃত্তিৰ মানুহৰ জীৱন যাত্ৰাৰ মানো ভিন্ন ধৰণৰ। এনে ভিন্নতাৰ বাবে উচ্চ, মধ্য, নিম্ন আদি শ্ৰেণীৰ সৃষ্টি হয়। উচ্চ শ্ৰেণীৰ লোকে নিম্ন শ্ৰেণীৰ লোকক তেওঁলোকৰ অধীনত ৰাখি আত্মস্বাৰ্থ পূৰ কৰে। আনপিনে আমাৰ সমাজ ব্যৱস্থাত অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আদি সকলো ক্ষেত্ৰতেই বিষমতা বিদ্যামান। এই বিষমতাৰ কাৰণে উচ্চ স্তৰৰ লোকে অৰ্থাৎ অৰ্থনৈতিক, সামাজিক দিশৰ ফালৰ পৰা সবল লোকে আৰ্থ-সামাজিক দিশত দুৰ্বল নিম্ন স্তৰৰ লোকক বহু সময়ত শোষণ আৰু শাসন কৰে। ফলত যুগ যুগ ধৰি নিম্ন স্তৰৰ বা নিম্ন শ্ৰেণীৰ লোক উচ্চ পৰ্যায়ৰ তথা উচ্চ শ্ৰেণীৰ দ্বাৰা প্ৰবঞ্চিত, অৱদমিত, নিষ্পেষিত হৈ আহিছে। কাৰণ শোষিত শ্ৰেণীৰ লোকসকল অৰ্থনৈতিকভাৱ দুৰ্বল বাবে শোষক শ্ৰেণীৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ শক্তি আৰু সাহস সিহঁতৰ নাই অথবা শাসক শ্ৰেণীৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলেও সিহঁত নিৰ্যাতনৰ বলি হ'বলগীয়া হয়। ফলত শিক্ষা, অৰ্থ বা নিজৰ প্ৰাপ্যৰ পৰাও বঞ্চিত হৈ সাধাৰণ শ্ৰেণীৰ শ্ৰমিকসকল সদায় দুখ-যাতনাৰ মাজেৰে জীৱন - যাপন কৰিবলৈ বাধ্য হোৱাৰ উপৰিও সিহঁতৰ জীৱন সদায় অন্ধকাৰৰ মাজত ডুব গৈ থাকে। সেয়ে আমাৰ এই অধ্যয়নত অন্যায়-অবিচাৰ, শোষণ, নিপীড়ণৰ বাবে হাতত কলম তুলি লোৱা ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত বৰ্ণিত আৰ্থ-সামাজিক দিশৰ বিষয়ে আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে।

**১.০১ অধ্যয়নৰ পৰিসৰ আৰু উৎস ঃ**

অৰ্থনৈতিক, সামাজিক দিশৰ পৰা সম্বলশালী, ক্ষমতাশালী, স্বাৰ্থলোভী, সুবিধাবাদী লোকে আধিপত্য আৰু প্ৰভুত্ব অক্ষুণ্ণ ৰাখিবলৈ কিদৰে অৰ্থনৈতিকভাৱে নিৰ্বলী, সৰ্বহাৰা শ্ৰেণীক শোষণ কৰে সেয়া আলোকপাত কৰাই এই অধ্যয়নৰ মূল লক্ষ্য আৰু উদ্দেশ্য।

**১.০২ অধ্যয়নৰ উৎস আৰু পৰিসৰ ঃ**

আলোচ্য গৱেষণা পত্ৰত মামণি ৰয়ছম গোস্বামীৰ চেনাবৰ সোঁত (১৯৭২), অহিৰণ (১৯৮০), মামৰে ধৰা তৰোৱাল (১৯৮০), দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮) আৰু থেং ফাখ্ৰী তহ্চিল্দাৰৰ তামৰ তৰোৱাল (২০০৯) নামৰ উপন্যাসকেইখনক মুখ্য উৎস হিচাপে লোৱা হৈছে। গৌণ উৎস হিচাপে মূল বিষয়ৰ সৈতে সংগতি থকা অন্যান্য গ্ৰন্থ, প্ৰবন্ধ, আলোচনী আদিৰ সহায় লোৱা হৈছে। সাধাৰণতে দেখা যায় উচ্চ, ধনী, বিত্তশালী, ক্ষমতাশালী শ্ৰেণীৰ লোকে বিত্তহীন, দুৰ্বল, নিম্ন শ্ৰেণীৰ লোকক তলতীয়া কৰি ৰাখিবৰ বাবে অন্যায়ভাৱে নিৰ্যাতন চলোৱা দেখা যায়। এই কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই মামণি ৰয়ছম গোস্বামীৰ আৰ্থ-সামাজিক দিশ, অৰ্থনৈতিক বৈষম্যৰ কাহিনী বৰ্ণিত উপন্যাস কেইখনক আলোচ্য গৱেষণা পত্ৰৰ আওতালৈ অনা হৈছে।

**১.০৩ অধ্যয়নৰ পদ্ধতি ঃ**

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত প্ৰতিফলিত আৰ্থ-সামাজিক দিশ আৰু অৰ্থনৈতিক শোষণৰ বিষয়ে আলোচনা কৰোঁতে মুখ্যত বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

**২.০০ মূল আলোচনা ঃ**

মানুহ যিহেতু সমাজ অঙ্গীভূত প্ৰাণী সেই হিচাপে প্ৰতিগৰাকী সাহিত্যিকৰ সাহিত্যৰ মাজেৰে অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি দিশৰ ছবিও প্ৰতিবিম্বিত হোৱা পৰিলক্ষিত হয়। বিশেষকৈ দ্বিতীয় মহাসমৰৰ পিছত সাহিত্যিকসকলে তেওঁলোকৰ ৰচনাত আৰ্থ-সামাজিক দিশৰ ছবি প্ৰকট ৰূপত চিত্ৰিত কৰা দেখা যায়। আনহাতে মামণি ৰয়ছম গোস্বামী আছিল যুদ্ধোত্তৰ যুগৰ এগৰাকী প্ৰসিদ্ধ সাহিত্যিক। গতিকে তেওঁৰ উপন্যাসসমূহতো সমকালীন অসমীয়া সমাজ জীৱনৰ চিত্ৰ সুন্দৰভাৱে অংকিত হোৱা দেখিবলৈ পোৱা যায়।

**২.০১** মামণি ৰয়ছম গোস্বামী ৰচিত প্ৰথম উপন্যাসখন হৈছে *চেনাবৰ সোঁত*। ইয়াত লেখিকাই কাশ্মীৰৰ চীনাবৰ নদীৰ একুৱাডাক্টৰ কামত কৰ্মৰত লাঞ্ছিত, বঞ্চিত, নিপীড়িত পুৰুষ-নাৰী শ্ৰমিকৰ দুৰ্দশাময় জীৱনৰ বাস্তৱ ছবি সুন্দৰকৈ উপস্থাপন কৰিছে। উপন্যাসখনত শোষক আৰু শোষিত দুই শ্ৰেণীৰ কাহিনী বৰ্ণিত হৈছে। উপন্যাসখনত শোষক শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে কোম্পানীৰ উচ্চ বিষয়া ৰাজ চাহাব, ৰাজাজ চাহাব আদি লোকসকলে; এওঁলোক শিক্ষিত, বিত্তশালী লোক আৰু শোষিত শ্ৰেণীৰ প্ৰতিভূ হৈছে সদাশিৱ, শিৱান্না,

গৌৰীশংকৰ, বলবন্ত, ৰঘুৱা, ৰাঘামা, সোণী, ধনমাই আদি শ্ৰমিকসকল; ইহঁত নিৰক্ষৰ, সম্বলহীন, দুৰ্বল, সৰ্বহাৰা নিম্ন শ্ৰেণীৰ লোক। ইহঁতে ভিন্ন ঠাইৰ পৰা আহি ক্ষুধাৰ তাড়নাত চীনাব নদীৰ ওপৰত নিৰ্মিত দলঙৰ কামত যোগদান কৰে। কিন্তু সেই সময়ত (১৯৬৬ চনত) হিন্দুস্থান কনষ্ট্ৰাকশ্যন কোম্পানীৰ চীনাবৰ ব্ৰাঞ্চত কোনো শ্ৰমিক ইউনিয়ন গঠন হোৱা নাছিল বাবে তাৰে সুযোগ লৈ কোম্পানীৰ মালিকে শ্ৰমিকসকলক নূন্যতম বেতনত দিন-ৰাতি কামত খটুৱাইছিল। কোম্পানীয়ে শ্ৰমিকক থাকিবলৈ ভাল ঘৰো সাজি দিয়া নাছিল; সিহঁতৰ তুলনাত কোম্পানীৰ উচ্চ বিষয়াসকলৰ থকা-লোৱাৰ সুবিধা বহুগুণে ভাল আছিল। তেওঁলোকৰ বাবে ৰন্ধা-বঢ়া কৰা ৰান্ধনী, ঘৰ ৰখীয়া চকিদাৰ, ভ্ৰমণৰ বাবে গাড়ীৰ ব্যৱস্থাও কোম্পানীয়ে কৰি দিছিল। অৰ্থাৎ কোম্পানীৰ মালিকপক্ষই শ্ৰমিকে তেজক পানী কৰি কৰা শ্ৰমেৰে ঘটা টকাৰে আৰামদায়ক জীৱন কটাইছিল। আনহাতে শ্ৰমৰ প্ৰকৃত মূল্য লাভৰ পৰা বঞ্চিত শ্ৰমিকসকলে সদায় যন্ত্ৰণাময় জীৱন কটাবলৈ বাধ্য হৈছিল। সেয়ে চাহাবে কেইটিমান টকা বঢ়াই দিব বুলি কোৱাত সদাশিৱই পত্নী ৰাঘামাৰ কথা নুশুনি খালাচীহঁতৰ দৰে দুটকা বেতনৰ কাম এৰি 'ৰেষ্ট হাউচ'ৰ চকিদাৰী কাম কৰিবলৈ লৈছিল। আনপিনে শ্ৰমিক নাৰী সোণীহঁতৰ দিন মজুৰি আছিল মাত্ৰ দুটকা চাৰি অনা। এই টকাৰে সিহঁতে নিজৰ লাগতীয়াল সামগ্ৰীখিনিও ক্ৰয় কৰিব পৰা নাছিল। ফলত কোনো কোনো শ্ৰমিক নাৰীয়ে নিজৰ সতীত্ব বিক্ৰী কৰিবলৈও বাধ্য হৈছিল। উপন্যাসখনৰ তেনেই এটি নাৰী চৰিত্ৰ হৈছে পাৰ্বতী। কোম্পানীৰ মালিকে শ্ৰমিকসকলোক উৎপাদনৰ আহিলা হিচাপেহে ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ দৃষ্টিত শ্ৰমিকৰ জীৱনৰ কোনো মূল্য নাছিল। কাম কৰি থাকোঁতে আহত হোৱা নাইবা দুৰ্ঘটনাত পতিত হৈ মৃত্যু ঘটা শ্ৰমিকক কোম্পানীয়ে সিহঁতৰ পাবলগীয়া শ্ৰমৰ সম্পূৰ্ণ মূল্য কেতিয়াও বহন কৰা নাছিল। কাম কৰি থাকোঁতে দুৰ্ঘটনাত পতিত হৈ সৃত্যুক সাবটি লোৱা শ্ৰমিকক মাত্ৰ কেইটিমান টকা দি কোম্পানীয়ে সিহঁতৰ মুখ বন্ধ কৰি থৈছিল। উপন্যাসখনত কোম্পানীৰ ভুলৰ বাবে অকল সদাশিৱৰে যে মৃত্যু হৈছিল তেনে নহয় কাম কৰি থাকোঁতে ওপৰৰ পৰা পৰি কেইবাটাও শ্ৰমিকৰ কৰুণ মৃত্যু ঘটিছিল। এইদৰে ব্যক্তিগত কোম্পানীৰ মালিকে নিজৰ লাভৰ বাবে শ্ৰমিকক প্ৰতাৰণা কৰাৰ ফলত শ্ৰমিকৰ জীৱন যন্ত্ৰণাৰে ভৰি পৰিছিল। আনহাতে নিৰক্ষৰ, সৰ্বহাৰা শ্ৰমিকসকল অৰ্থহীন, ক্ষমতাহীন, দুৰ্বল বাবে সমাজতো সিহঁতৰ স্থান অতি নিম্ন আছিল; সম্বলশালী, বলী লোকে সিহঁতক মানুহ বুলিয়েই গণ্য কৰিব বিচৰা নাছিল।

২.০২ অৰ্থনৈতিক বৈষম্যৰ কাহিনী বৰ্ণিত গোস্বামীৰ আন এখন উপন্যাস হৈছে *অহিৰণ*। শ্ৰমিক জীৱনক আধাৰ কৰি ৰচিত এই উপন্যাসখনৰ পটভূমি হ'ল মধ্যপ্ৰদেশৰ অহিৰণ নদী। এইখন উপন্যাসত শ্ৰমিকৰ লগতে উচ্চ বিষয়া তথা সুদক্ষ অভিযন্তাও কোম্পানীৰ মালিকৰ দ্বাৰা লাঞ্ছিত. বঞ্চিত, উৎপীড়িত হৈছিল। উপন্যাসখনত কোম্পানীৰ দ্বাৰা শোষিত সুদক্ষ ইঞ্জিনীয়াৰজন হৈছে হৰ্শুল চাহাব। তেওঁ অহিৰণ নদীত একুৱাডাক্ট নিৰ্মাণৰ বাবে কাম হাত লোৱা কোম্পানীটোৰ উন্নতিৰ হকে বিশটা বছৰ একেৰাহে দেহে কেহে খাটি কাম কৰাৰ পিছতো কোম্পানীটোৱে তেওঁৰ পদন্নোতি কৰা নাছিল। ব্যক্তিগত কোম্পানীটোৱে তেওঁক বছৰে বছৰে অন্যায়ভাৱে অৰ্থনৈতিক শোষণ কৰা ফলত তেওঁ নিজাববীয়াকৈ ভাল ঘৰ এটি সাজিব, বিয়া পাতিব পৰা নাছিল। চল্লিশোৰ্ধত তেওঁ পাণ্ডে চাহাবৰ বিধৱা পত্নী নিৰ্মলাক বিয়া কৰাই যদিও কোম্পানীয়ে তেওঁৰ শ্ৰমৰ প্ৰকৃত মূল্য নিদিয়াৰ বেদনাত জৰ্জৰিত হৈ হৰ্শুলে পত্নীৰ প্ৰতি উদাসীন হৈ পৰাত সিহঁতৰ সংসাৰ থান-বান হৈ পৰে। আনহাতে উপন্যাসখনত উল্লেখিত অনুসৰি ১৯৭২ চনলৈ কোম্পানীৰ হকে কাম কৰা আন আন ব্ৰাঞ্চৰ শ্ৰমিকৰ দৈনিক মজুৰি জন্মু, কাশ্মীৰ আদি ঠাইত তিনি টকা পঞ্চাশ পইচা আছিল। কিন্তু অহিৰণ ব্ৰাঞ্চত কাম কৰা বনুৱাক মজুৰি দিছিল মাত্ৰ দুটকা। সেয়ে কোম্পানীয়ে অহিৰণৰ একুৱাডাক্ট নিৰ্মাণৰ কামত কৰ্মৰত শ্ৰমিকৰ দৰমহা আঠ অনা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইতিমধ্যে শ্ৰমিক ইউনিয়ন গঠন হৈছিল বাবে অহিৰণ ব্ৰাঞ্চৰ শ্ৰমিকক দীৰ্ঘ দিন ধৰি কোম্পানীয়ে শোষণ কৰি অহাই ইউনিয়নে শ্ৰমিকসকলক একগোট কৰি কোম্পানীৰ মালিকপক্ষৰ বিৰুদ্ধে ধৰ্মঘট আৰম্ভ কৰে। শ্ৰমিকসকল জাগি উঠাত আন্দোলনৰ ভয়ত কোম্পানীয়ে শ্ৰমিকৰ দৈনিক বেতন তিনি টকা আঠ অনাকৈ দিবলৈ ৰাজি হয়। আনপিনে শ্ৰমিকৰ সামান্য ভুলৰ বাবেও মালিকে সিহঁতক কামৰ পৰা খেদি দিছিল। বেমাৰ হ'লে বা কাম কৰি থাকোঁতে আঘাত পোৱা কোনো শ্ৰমিকে কামৰ পৰা ছুটী ল'লেও মালিকে সিহঁতক চুৱনীৰ কুকুৰৰ দৰে দুৰ্ব্যৱহাৰ কৰি কামৰ পৰা উলিয়াই দিছিল। আকৌ

ইউনিয়নৰ লোকেল লীডাৰসকলেও নিজৰ স্বাৰ্থৰ বাবে কোম্পানীৰ পৰা শ্ৰমিকৰ মজুৰি অধিক লৈ সিহঁতক কম মজুৰিত কামত খটুৱাই শ্ৰমিক-ইঞ্জিনীয়াৰৰ মাজত এখন নেদেখা প্ৰাচীৰৰ সৃষ্টি কৰিছিল। কোম্পানীৰ মালিকে আৰু লোকেল লীডাৰহঁতে নিৰক্ষৰতাৰ সুবিধা লৈ অন্যায়ভাৱে শ্ৰমিকসকলৰ ওপৰত অৰ্থনৈতিক নিৰ্যাতন চলোৱাৰ বাবে শ্ৰমিকসকল সদায় অন্ধকাৰৰ মাজত ডুব গৈ থাকিবলগীয়া হৈছিল। সচৰাচৰ দেখা যায় আমাৰ সমাজত ধনী, ক্ষমতাশালী, বলী, শিক্ষিত শ্ৰেণীৰ তথা উচ্চ শ্ৰেণীৰ লোককহে সকলোৱে সন্মান কৰে, আগ শাৰীত ঠাই দিয়ে আৰু সাধাৰণ সৰ্বহাৰা শ্ৰমিক শ্ৰেণীক তলতীয়া কৰি ৰাখে। ফলত নিম্ন শ্ৰেণীৰ সামাজিক স্থান সদায় নিম্ন হৈয়ে থাকে।



২.০৩ লাঞ্ছিত, নিৰ্যাতিত শ্ৰমিকৰ দুখ-দুৰ্দশাক লৈ ৰচিত গোস্বামীৰ আন এখন উপন্যাস হ'ল *মামৰে ধৰা তৰোৱাল*। এই উপন্যাসখনৰ বাবে লেখিকাই সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ একুৰাডাক্ট বন্ধা কামত নিয়োজিত ভিন্ন প্ৰান্তৰ ভিন্ন ভাষীৰ শ্ৰমিকসকলৰ ওপৰত ডানকান কনষ্ট্ৰাকশ্বন কোম্পানীৰ মালিক, উচ্চ বিষয়া ঠাকুৰ চাহাব আৰু লোকেল লীডাৰ শাস্ত্ৰী মহাৰাজে কিদৰে অৰ্থনৈতিক নিষ্পেষণ চলাইছিল সেয়া ঔপন্যাসিকে উপন্যাসখনত সুন্দৰকৈ উপস্থাপন কৰিছে। উপন্যাসখনত বিশেষকৈ শোষক শ্ৰেণীৰ প্ৰতিভূ কোম্পানীৰ মালিক, ঠাকুৰ চাহাব আৰু শাস্ত্ৰী মহাৰাজে হৰিজন সম্প্ৰদায়ৰ শ্ৰমিক যশোৱন্ত, লিছু লেঙেৰা, শিবু ধাছলা, ভৃগু ছুইপাৰ, ৰামু, বামু, নাৰায়ণী, বসুমতী বুঢ়ী আদিৰ ওপৰত উৎপীড়ণ চলাইছিল। কাৰণ শোষক শ্ৰেণীয়ে নিজৰ প্ৰভুত্ব আৰু আধিপত্য অক্ষুণ্ণ ৰাখিবলৈ বহু সময়ত শ্ৰমিক শ্ৰেণীক দমন কৰি ৰাখে। একেটা কোম্পানীৰ তলত শ্ৰমিকসকলে বিশ, পোন্ধৰ বছৰ ধৰি কাম কৰাৰ পাছতো কোম্পানীয়ে সিহঁতৰ চাকৰি স্থায়ীকৰণ কৰা নাছিল। বৰং কামৰ অন্তত কোম্পানীয়ে সিহঁতক কামৰ পৰা বহিষ্কাৰ কৰি ফটা জোতাৰ দৰে দলিয়াইহে পেলাইছিল। কোম্পানীয়ে অশেষ পৰিশ্ৰমৰ বিনিময়ত সিহঁতক নামমাত্ৰ মজুৰি দিছিল। সিহঁতৰ কামৰো নিৰ্দিষ্ট সময়সীমা নাছিল। শ্ৰমিকে কেনেদৰে, কিমান কাম কৰিব লাগিব সেয়াও কোম্পানীৰ মালিক আৰু উচ্চ বিষয়াসকলেহে নিৰ্ধাৰণ কৰি দিছিল। মালিকে শ্ৰমিকক কেৱল উৎপাদনৰ যন্ত্ৰ হিচাপেহে ব্যৱহাৰ কৰিছিল। শ্ৰমিকসকলক অতি কম মজুৰি দি মালিকে অধিক কাম আদায় কৰি নিৰ্মমভাৱে সিহঁতক অৰ্থনৈতিক শোষণ কৰিছিল। দীৰ্ঘদিন ধৰি মালিকপক্ষৰ দ্বাৰা শোষিত শ্ৰমিকসকল অতিষ্ঠ হৈ ইউনিয়ন আৰু লোকেল লীডাৰ শাস্ত্ৰী মহাৰাজৰ উচতনিত কোম্পানীৰ বিৰুদ্ধে ধৰ্মঘট আৰম্ভ কৰে। সিহঁতে ইউনিয়নত যোগদান কৰাই কোম্পানীয়ে এমাহৰ দৰমহা বন্ধ কৰি দিয়ে। এইদৰে অন্যায়ভাৱে কোম্পানীয়ে শ্ৰমিকৰ দৰমহা বন্ধ কৰি দিয়াত পেটৰ ভোকত কচাইয়ে কুকুৰলৈ দলিয়াই দিয়া ছাগলীৰ নাৰী-ভৰুক লৈ টনা-আজোৰা কৰিবলৈ ধৰে। আনপিনে স্বাৰ্থলোভী লোকেল লীডাৰ শাস্ত্ৰীয়ে সুবিধা বুজি কোম্পানীৰ মালিকৰ সৈতে হাত মিলাই চাৰি হাজাৰ টকা লৈ সৰ্বহাৰা শ্ৰমিকসকলক প্ৰবঞ্চনা কৰি শ্ৰমিকৰ ধৰ্মঘট বিফল কৰিলে। বৰ্খাস্ত শ্ৰমিকসকল সাই ব্ৰান্স এৰি গুচি যোৱাত শাস্ত্ৰীয়ে শ্ৰমিকক ঠগি অন্যায়ভাৱে ঘটা টকাৰে এটি দালান কৰি বিলাসিতাপূৰ্ণ জীৱন আৰম্ভ কৰে। আইন অনুসৰি বছৰ বছৰ ধৰি একেটা কোম্পানীত কাম কৰা শ্ৰমিকক সিহঁতৰ পাবলগীয়া শ্ৰমৰ অৰ্থৰ উপৰিও সিহঁতক

কিছুদিন চলিবলৈ উপৰুৱাকৈ কিছু টকা দিব লাগে। কিন্তু ডানকান কনষ্ট্ৰাকশ্বন কোম্পানীৰ মালিকে সাইৰব্ৰাঙ্গত কাম কৰা শ্ৰমিকক বৰ্খাস্ত কৰাৰ পাছত সিহঁতৰ শ্ৰমৰ প্ৰকৃত মূল্যও বহন কৰা নাছিল। এইদৰে কোম্পানীৰ মালিকে বছৰ বছৰ ধৰি শ্ৰমিকসকলক তেওঁলোকৰ তলতীয়া কৰি ৰাখিবলৈ অৰ্থনৈতিক নিষ্পেষণ কৰিছিল। আনপিনে হৰিজন সম্প্ৰদায়ৰ শ্ৰমিকসকল নিম্ন শ্ৰেণীৰ আছিল বাবে সমাজেও সিহঁতক অস্পৃশ্য বুলি ঘৃণা কৰিছিল। এপিনে অৰ্থৰ অভাৱত আৰু আনপিনে সমাজৰ ৰোষৰ বলি হৈ সিহঁত সদায় আনৰ অধীনত চলবলৈ বাধ্য হৈছিল।

২.০৪ মুখ্যত বিধৱা পীড়ণৰ চিত্ৰ প্ৰকট ৰূপত প্ৰতিফলিত গোস্বামীৰ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসখনতো লেখিকাই সামাজিক, অৰ্থনৈতিক দিশৰ ছবি অতি সুন্দৰকৈ অংকন কৰিছে। ইয়াত পিতৃতান্ত্ৰিক ৰক্ষণশীল সমাজে কঠোৰ নিয়ম-নীতি সৃষ্টি কৰি বিধৱা নাৰীক নিষ্ঠুৰভাৱে শোষণ কৰিছিল। উপন্যাসখনৰ মুখ্য নাৰী চৰিত্ৰ গিৰিবালা এনে নিৰ্যাতনৰ বলি হৈছিল। ককাকৰ তিথিৰ দিনা চুৰকৈ মাংস খোৱাৰ বাবে তাইক বামুণ আনি প্ৰায়চিত্ত কৰোৱা হৈছিল। পুৰণি পুথি সংগ্ৰহ কৰিবলৈ অহা মাৰ্ক চাহাবৰ কোঠাত মাজৰাতি একেলগে থকাৰ বাবে 'মেষদাহ' সাজি তাৰ তলত বহুৱাই তাইক শুদ্ধিকৰণ কৰাইছিল তাৰ পাছত সেই মেষদাহত জুই লগাই দিছিল। গিৰিবালাই জুই লগাই গিলে মেষদাহৰ পৰা ওলাই আহিব বুলি কৈছিল যদিও ওলাই নাহিলে। বৰঞ্চ সেই জুইত তাই নিজকে আত্মজাহ দিলে। ঊনবিংশ শতিকাৰ দ্বিতীয়-তৃতীয় দশকৰ সময়ছোৱাৰ ৰক্ষণশীল সমাজত তেনে নিয়ম কেৱল নাৰীৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰা হৈছিল। এনে সমাজত নাৰীৰ স্থান আছিল অতি নিম্ন। নাৰীয়ে পুৰুষশাসিত সমাজৰ নিৰ্ধাৰিত নিয়ম মতে উঠা-বহা কৰিব লাগিছিল। আকৌ এইখন সমাজত উচ্চ হিন্দু বৰ্ণৰ লোকৰ স্থান আছিল অতি উচ্চ আৰু তাৰে সুবিধা লৈ সত্ৰৰ সত্ৰাধিকাৰ গোসাঁই-মহন্তসকলে নিম্ন বংশৰ লোকসকলক তেওঁলোকৰ অধীনত ৰাখিবলৈ অন্যায়ভাৱে নিৰ্যাতন কৰিছিল। তেওঁলোক অৰ্থৰ পিনৰ পৰাও সম্বলশালী আছিল বাবে অধিক মাটিৰ গৰাকী হ'বলৈ কুট বুদ্ধিৰে ১৮৩৪ চনত ম্যাদী পট্টা থকা-নথকা বহুতো খেৰাজ-নিষ্পিখেৰাজ মাটি অৰ্থাৎ কৰ দিবলগীয়া আৰু কৰ নিদিয়া মাটি আত্মসাৎ কৰিছিল। এই কথা আলোচ্য উপন্যাসখনত স্পষ্টকৈ আছে। পাছত সেই মাটি সত্ৰৰ ভাবি সত্ৰাধিকাৰ ইন্দ্ৰনাথহঁতৰ পূৰ্বপুৰুষে আৰু ভিখাৰু গোসাঁইহঁতে মাটিহীন ৰায়ত কৃষকসকলক আধিলৈ দি বিনা কষ্টৰে খেতি পথাৰৰ পৰা উৎপাদিত খাদ্য সামগ্ৰী সংগ্ৰহ কৰিছিল। সেই ভূই মাটিৰ খাজনাও তেওঁলোকে দিয়া নাছিল। ৰায়ত খেতিয়কে আধি খোৱা ভূই মাটিৰ কৰ নিজে দি অতি কষ্টৰে শস্য উৎপাদন কৰাৰ পিছতো উৎপাদিত শস্যৰ আধা অংশ মাটিৰ মালিকীস্বত্ব খটুৱা মাটিৰ মালিক গোসাঁইসকলোক দিবলৈ বাধ্য হৈছিল। এনেদৰে উচ্চ বংশৰ লোক গোসাঁইসকলে সম্বলহীন, হোজা, নিম্ন শ্ৰেণীৰ লোকসকলক তথা সাধাৰণ শ্ৰেণীৰ কৃষকসকলক নিজৰ অধীনত ৰাখিবলৈ অৰ্থনৈতিক শোষণ কৰিছিল। তেওঁলোকে সাধাৰণ শ্ৰেণীৰ লোক যাতে আৰ্থ-সামাজিক দিশত সবল হ'ব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিছিল। কিন্তু উপন্যাসখনৰ নায়ক আমৰঙা সত্ৰৰ ভাবি সত্ৰাধিকাৰ ইন্দ্ৰনাথে সাধাৰণ শ্ৰেণীৰ কৃষকসকলক সিহঁতৰ পূৰ্বপুৰুষসকলকৰ দৰে নিজৰ অধীনত ৰাখিব বিচৰা নাছিল। ইন্দ্ৰনাথৰ মাটি-বাৰী, ধন-সম্পত্তিৰ প্ৰতিও লোভ নাছিল। সেয়ে তেওঁ ৰায়ত কৃষকসকলক মাৰাৰভিঠাৰ মাটিৰ স্বত্ব ৰায়তসকলক গোটাই দিবলৈ তেওঁলোকৰ নামত মাটিৰ কাঁচা পট্টা তৈয়াৰ কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সেই কথা ৰায়তসকলক কোৱাৰ পূৰ্বে সিহঁতে ইন্দ্ৰনাথক হুলাবাৰীৰে নিৰ্মমভাৱ প্ৰহাৰ কৰি হত্যা কৰে। উপন্যাসখনত উচ্চ শ্ৰেণীৰ গোসাঁইসকলে নিম্ন শ্ৰেণীৰ মাটিহীন সাধাৰণ খেতিয়ক সকলক অন্যায়ভাৱে আৰ্থ-সামাজিক দিশত শোষণ কৰাৰ চিত্ৰ সুন্দৰকৈ চিত্ৰিত হৈছে।

২.০৫ অৰ্থনৈতিক নিৰ্যাতনৰ কাহিনী বৰ্ণিত মামণি ৰয়ছম গোস্বামীৰ আন এখন উপন্যাস হ'ল *থেং ফাখ্ৰী তহ্চিল্দাৰৰ তামৰ তৰোৱাল*। এই উপন্যাসখনত বিদেশী তথা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পৰাধীন ভাৰতৰ-অসমৰ বিজনী নামৰ ভিতৰুৱা অঞ্চল এটিত থেং ফাখ্ৰী নামৰ এগৰাকী বড়ো মহিলাক ইজাৰাদাৰৰ পৰা তহ্চিল্দাৰলৈ পদন্নোতি কৰাই তেওঁৰ হতুৱাই ৰাজহ সংগ্ৰহ কৰি নিচলা, নিৰক্ষৰ শ্ৰেণীৰ লোকক কেনেদৰে অৱদমন কৰিছিল তাৰে ছবি লেখিকাই বাস্তৱ ৰূপত তুলি ধৰিছে। উপন্যাসখনত উল্লেখিত বৃটিশ-শাসিত চৰকাৰৰ বিষয়ববীয়াসকল হৈছে কেপ্তেইন হাৰ্ডি চাহাব, মেক্লিনছন চাহাব, নাকেন ক্লাক আদি। এওঁলোক শোষক শ্ৰেণীৰ ধাৰক আৰু বাহক। চতুৰ, শক্তিশালী জাতিৰ ইংৰাজসকলে নিজৰ

আধিপত্য বিস্তাৰ কৰিবলৈ আৰু শাসনব্যৱস্থা ৰক্ষাৰ কৰিবলৈ মোগলে বাৰে বাৰে অসম আক্ৰমণ কৰাৰ সুবিধা গ্ৰহণ কৰি বলিত নাৰায়ণ ৰজাৰ হাতৰ পৰা চতুৰালিকৈ খুটাঘাট আৰু হাব্ৰাঘাটৰ ফৌজদাৰী ক্ষমতা নিজৰ হাতলৈ হস্তান্তৰ কৰিছিল। পৰৱৰ্তী সময়ত ৰজাই কৃষকৰ ৰোষৰ ভয়ত খাজনা সংগ্ৰহৰ দায়িত্ব নিজে বিদেশী কোম্পানীৰ হাতত অৰ্পণ কৰিবলৈ বাধ্য হয়। আনপিনে ৰজাৰ আকস্মিক মৃত্যুৰ পাছত ৰাজকোঁৱৰ নাবালক আছিল বাবে ৰাণী ভাগ্যেশ্বৰীয়ে ৰাজকাৰ্য চোৱা-চিতা কৰে। তাৰে সুবিধা লৈ বিদেশী কোম্পানীটোৱে সাধাৰণ নিৰীহ প্ৰজা আৰু অৰ্থহীন কৃষকৰ ওপৰত মেট্‌মৰা কৰৰ বোজা জাপি সিহঁতৰ ওপৰত মানসিক অত্যাচাৰ চলাইছিল। কোম্পানীয়ে সাধাৰণ প্ৰজা আৰু কৃষকৰ পৰা হাতী-গৰু চৰোৱা পথাৰ, পাণ-তামোলৰ গছ আদিৰ বাবেও কৰ ল'বলৈ আৰম্ভ কৰি দিয়ে। কোনো কাৰণত কৃষকসকলে দুই-তিনি মাহলৈ কৰ দিব নোৱাৰিলে সিহঁতৰ ঘৰ ক্ৰোক কৰি ঘৰৰ সকলো সামগ্ৰী কাঢ়ি আনে। সাধাৰণ শ্ৰমিকৰ ওপৰত চলোৱা এনে উৎপীড়ণ সহিব নোৱাৰি উপায়ন্তৰ হৈ কিছুমান কৃষক নিজৰ জন্মভূমি এৰি ভূটানলৈ পলাই গৈছিল। এইদৰে শক্তিশালী জাতি তথা ক্ষমতাশালী দেশে পৰাধীন, দুৰ্বল দেশক তেওঁলোকৰ অধীনত ৰাখিবৰ বাবে নিষ্ঠুৰভাৱে শোষণ কৰিছিল। পৰাধীন দেশ যাতে অৰ্থনৈতিকভাৱে সবল হৈ স্বাধীন হ'ব নোৱাৰে তাৰ কাৰণে তেনে দেশে দুৰ্বল দেশৰ ওপৰত পাৰ্যমানে অন্যায়ভাৱে অৰ্থনৈতিক শোষণ কৰিছিল।

উক্ত আলোচিত উপন্যাসসমূহৰ উপৰিও মামণি ৰয়ছম গোস্বামীৰ বিধৱা নাৰীৰ যন্ত্ৰণাপীড়িত জীৱনক লৈ ৰচিত *নীলকণ্ঠী ব্ৰজ* আৰু *ছিন্নমস্তাৰ মানুহটো* উপন্যাসতো আৰ্থ-সামাজিক দিশৰ চিত্ৰ প্ৰতিফলিত হোৱা দেখা গৈছে। *নীলকণ্ঠী ব্ৰজত* ৰক্ষণশীল পৰম্পৰাগত সমাজে বিধৱা

নাৰীৰ ওপৰত কোঠৰ ৰীতি-নীতি জাপি দিয়ে যে অকল নিৰ্যাতন চলাইছিল তেনে নহয় খুদকণ শান্তি বিচাৰি পবিত্ৰভূমি বৃন্দাবনত বাস কৰা ৰাধেশ্যামী বিধৱাসকলে 'ঔদ্ধ দেহিক'ৰ বাবে সাঁচি থোৱা টকাকেইটাও নাৰীৰ ওপৰত প্ৰভুত্ব প্ৰদৰ্শন কৰা পাণ্ডাসকলে কাঢ়ি নিছিল। উপন্যাসখনত উল্লেখ আছে ভোজন আশ্ৰমৰ চিট্টিবাবুয়ো মৃত্যুৰ ক্ষণ গণিবলৈ লোৱা ৰাধেশ্যামীসকলক আশ্ৰমৰ পৰা খেদি দি তেওঁলোকে সঞ্চয় কৰা টকা অন্যায়ভাৱে কাঢ়ি লৈছিল। মুঠতে শাসক শ্ৰেণীক প্ৰতিনিধিত্ব কৰা পাণ্ডা, দালাল, ভোজন আলয়ৰ বিষয়ববীয়াসকলে বিধৱা নাৰীক জীৱ-জন্তুৰ দৰে ব্যৱহাৰ কৰিছিল। তেনে সমাজত নাৰীৰ স্থান আছিল একেবাৰে নিম্নখাপৰ। *ছিন্নমস্তাৰ মানুহটো* উপন্যাসখনতো নাৰীক বলি দিবলৈ নিয়া অবোধ প্ৰাণী জ্ঞান কৰিছিল। উদাহৰণস্বৰূপে বিধিৱালাৰ কথাই ক'ব পৰা যায়। বিধিৱালাক গোড়া ধৰ্মালম্বীৰ পিতৃয়ে এগৰাকী আদহীয়া ব্যক্তিলৈ বিয়া দিব বিচাৰিছিল আৰু তাইৰ বিয়াৰ নামত শক্তিপীঠ কামাখ্যাধামত ম'হ বলি দিবলৈ আনিছিল। নিজ হাতে লালন-পালন কৰি ডাঙৰ কৰা ম'হটো বলি দিব নিদি তাই ৰাতিৰ আন্ধাৰত এৰি দিছিল। সেই দোষৰ বাবে পিতৃয়ে তাইক চুলিত ধৰি চোচোৰাই আনি লঠিয়াইছিল, মাৰ-ধৰ কৰিছিল। অন্যহাতে পুলু নামৰ এজন ঢুলীয়াক নামবিহীন মাটিৰ মালিকে অৰ্থ আৰু ক্ষমতাহীনতাৰ সুযোগ লৈ মাটি বন্ধকত ৰাখি অন্যায়ভাৱে নিৰ্যাতন কৰিছিল। ঢুলীয়া বৃত্তিৰে কোনোমতে পৰিয়ালটি পোহ-পাল দিয়া পুলুই বন্ধকত থোৱা মাটিৰ এক অংশ মোকলাব বিচাৰিলে অৰ্থলোভী, সুবিধাবাদী মাটিৰ মালিকে পুলুৰ মাটি এৰি দিয়া নাছিল। ফলত এফালে ডাঙৰ পুত্ৰৰ বেমাৰ চিকিৎসা কৰিব নোৱাৰা দুখ আৰু মাটি মোকলাব নোৱাৰাৰ বেদনাত জৰ্জৰিত হৈ দিনে দিনে শুকাই-খীণাই পুলু নৰকংকাললৈ পৰিণত হয়।

**৩.০০ উপসংহাৰ ঃ**

সামৰণিত ক'ব পৰা যায় যে ওপৰত আলোচিত মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহৰ মাজেৰে আৰ্থ-সামাজিক দিশৰ লগতে অৰ্থনৈতিক শোষণৰ চিত্ৰও চিত্ৰিত হৈছে। তদুপৰি এই অধ্যয়নৰ মাজেৰে শাসনব্যৱস্থা ৰক্ষাৰ বাবে যুগ যুগ ধৰি শোষক শ্ৰেণীয়ে পিছপৰা, সৰ্বহাৰা শ্ৰমিক শ্ৰেণীক অন্যয়ভাৱে কিদৰে শোষণ কৰিছিল, ক্ষমতা বজাই ৰাখিবৰ বাবে নাইবা প্ৰভুত্ব আৰু আধিপত্য বিস্তাৰ কৰিবৰ বাবে সাধাৰণ, পিছপৰা শ্ৰেণীৰ লোকক কেনেদৰে দমন কৰি ৰাখিছিল তাৰো সন্ধান পোৱা গৈছে। গতিকে সমস্ত ভাৰতবৰ্ষতে এক ঢৌৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱা ঔপন্যাসিকগৰাকীৰ উপন্যাসসমূহ অধ্যয়ন কৰাৰ যথেষ্ঠ থল আছে লগতে তেওঁৰ উপন্যাসসমূহ অধ্যয়ন কৰাৰো গুৰুত্ব অপৰিসীম। ❑

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

**মুখ্য সমল**

ভৰালী, হেমন্ত কুমাৰ। সংক. আৰু সম্পা.। *মামণি ৰয়ছম গোস্বামীৰ সাহিত্য সম্ভাৰ* (প্ৰথম খণ্ড)। প্ৰথম সংস্কৰণ। অসম প্ৰকাশন পৰিষদ। গুৱাহাটী ঃ শিৰম প্ৰিণ্টাৰ্চ, ২০১৪। মুদ্ৰিত।

---। সংক. আৰু সম্পা.। *মামণি ৰয়ছম গোস্বামীৰ সাহিত্য সম্ভাৰ* (দ্বিতীয় খণ্ড)। প্ৰথম সংস্কৰণ। অসম প্ৰকাশন পৰিষদ। গুৱাহাটী ঃ শিৰম প্ৰিণ্টাৰ্চ, ২০১৪। মুদ্ৰিত।

---। সংক. আৰু সম্পা.। *মামণি ৰয়ছম গোস্বামীৰ সাহিত্য সম্ভাৰ* (তৃতীয় খণ্ড)। প্ৰথম সংস্কৰণ। অসম প্ৰকাশন পৰিষদ। গুৱাহাটী ঃ লাচিত প্ৰিণ্টিং প্ৰেছ, ২০১৪। মুদ্ৰিত।

---। সংক. আৰু সম্পা.। *মামণি ৰয়ছম গোস্বামীৰ সাহিত্য সম্ভাৰ* (চতুৰ্থ খণ্ড)। প্ৰথম সংস্কৰণ। অসম প্ৰকাশন পৰিষদ। গুৱাহাটী ঃ আৰ কে পাব্লিকেশ্যন, ২০১৪। মুদ্ৰিত।

**গৌণ সমল ঃ**

**অসমীয়া**

গগৈ, হৃদয়ানন্দ। *আধুনিকতাৰ সন্ধানত মামণি ৰয়ছম গোস্বামী*। দ্বিতীয় প্ৰকাশ। গুৱাহাটী ঃ জ্যোতি প্ৰকাশন, ২০০৫। মুদ্ৰিত।

গোস্বামী, ত্ৰিদিব। পৰি., সংক. আৰু সম্পা.। *ইন্দিৰা ব্যক্তিত্ব আৰু সাহিত্য*। গুৱাহাটী ঃ অসম পাব্লিচিং কোম্পানী, ২০১৪। মুদ্ৰিত।

গোহাঁই, ৰাণী। পৰি., সংক. আৰু সম্পা.। *হৃদয় তপস্বিনী*। গুৱাহাটী ঃ জ্যোতি প্ৰকাশন, ১৯৯৯। মুদ্ৰিত।

ঠাকুৰ, নগেন। সম্পা.। *এশ বছৰৰ অসমীয়া উপন্যাস*। দ্বিতীয় প্ৰকাশ। গুৱাহাটী বিশ্ববিদ্যালয় অসমীয়া বিভাগৰ দ্বাৰা সম্পাদিত। গুৱাহাটী ঃ জ্যোতি প্ৰকাশন। ২০১২। মুদ্ৰিত।

নাথ, ভনিতা। *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস ঃ বিচাৰ-বিশ্লেষণ*। গুৱাহাটী ঃ পূৰ্বায়ণ প্ৰকাশন, ২০২০। মুদ্ৰিত।

শৰ্মা, গোবিন্দ প্ৰসাদ। *নাৰীবাদ আৰু অসমীয়া উপন্যাস*। দ্বিতীয় সংস্কৰণ। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ২০১১। মুদ্ৰিত।

শৰ্মা, শৈলেনজিৎ। সম্পা.। *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস জীৱন-জিজ্ঞাসা, সমাজ-বাস্তৱতা, মূল্যায়ন ইত্যাদি*। গুৱাহাটী ঃ অশোক পাব্লিকেশ্যন, ২০১৯। মুদ্ৰিত।

হুছেইন, নিকুমণি। *মামণি ৰয়ছম আভা আৰু প্ৰতিভা*। দ্বিতীয় প্ৰকাশ। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশন, ২০১১। মুদ্ৰিত।

**ইংৰাজী ঃ**

Ambedkar, B R. *Castes In India*. New Delhi : Neha Publishers & Distributors, 2022. Print.

Maitra, Kiran. *Marxism In India*. New Delhi : Lotus Collection Roli Books, 2012. Print.

Miliband, Ralph. *Marxism And Politics*. Delhi : Aakar Books, 2006. Print.

**বাংলা ঃ**

বাৰ্নস, এমিল। *মাৰ্কসবাদ*। ঢাকা ঃ প্ৰান্তিকা। ২০২০। মুদ্ৰিত।

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# সেউজ বেংকিং ব্যৱহাৰত বিত্তীয় শিক্ষাৰ প্ৰয়োজনীয়তা



**মুনমী বৰদলৈ**

গৱেষক ছাত্ৰী, বাণিজ্য বিভাগ
কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৮৬৩৮৪৬৪৯০৪
bordoloimunmi209@gmail.com



**ড° গোবিন্দ ডেকা**

সহযোগী অধ্যাপক, বাণিজ্য বিভাগ
কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৯৩৬৫২৯৯৭৬৬
gobindadeka@gmail.com

**সাৰাংশ** (Abstract) :

তাহানিতে ইটালীৰ লোম্বাৰ্ডৰ সদাগৰসকলে 'bancus' অৰ্থাৎ বেঞ্চৰ ওপৰত বহি আৰম্ভ কৰা বেংক ব্যৱস্থা বহু বিৱৰ্তনৰ পথেৰে আগুৱাই আহি বৰ্তমান সময়ত সফলতাৰ শীৰ্ষস্থানত অৱতৰণ কৰিছেহি। অত্যাধুনিক কাৰিকৰী ব্যৱস্থা আৰু ই-বেংকিঙৰ ব্যৱহাৰৰ ফলত শেহতীয়া দশকবোৰত সমগ্ৰ বিশ্বতে বেংকসমূহৰ দ্বাৰা সৃষ্টি কৰা বিভিন্ন বিত্তীয় সেৱাৰ প্ৰচলন ক্ৰমান্বয়ে বৃদ্ধি পাইছে। পূৰ্বৰ প্ৰজন্মই হয়তো মূলতঃ নগদ ধনেৰে সামগ্ৰী ক্ৰয় কৰিছিল, কিন্তু আজিৰ প্ৰজন্মৰ মাজত ইণ্টাৰনেট বেংকিং, ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ড, ইউপিআই আদি ব্যৱস্থা অধিক জনপ্ৰিয়। ইণ্টাৰনেটৰ মাধ্যমত চালিত বৰ্তমানৰ বেংকিং ব্যৱস্থাই গ্ৰাহক তথা বেংক দুয়োপক্ষকে লাভান্বিত কৰিছে। লগতে ই প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰিৱেশ সুৰক্ষাৰ দিশতো আৰিহণা যোগাইছে। সেয়েহে বৰ্তমান ইয়াক 'সেউজ বেংকিং' হিচাপে অভিহিত কৰা হৈছে । কিন্তু দেখা গৈছে যে দেশৰ সৰ্বসাধাৰণ লোক এই বেংকিং ব্যৱস্থা দ্বিধাহীনভাৱে ব্যৱহাৰ কৰিব পৰা নাই। কিয়নো এই ব্যৱস্থাসমূহ ব্যৱহাৰ কৰিব পৰাকৈ তেওঁলোকৰ প্ৰয়োজনীয় বিত্তীয় শিক্ষাৰ অভাৱ। এই গৱেষণা পত্ৰত বৰ্তমানৰ বেংকসমূহে কাৰ্যকৰী কৰা সেউজ বেংকিং পদ্ধতিৰ ব্যৱহাৰ, সুবিধা, অসুবিধা আদি বিভিন্ন দিশ সৰ্বসাধাৰণ লোকে বুজিব পৰাকৈ উপস্থাপন কৰা হৈছে। তদুপৰি ভৱিষ্যতে ভাৰতীয় বেংকিং ব্যৱস্থাত সংযোজন হ'বলগীয়া কিছুমান নতুন দিশৰ ওপৰতো ইয়াত আলোকপাত কৰাৰ চেষ্টা কৰা হৈছে।

**প্ৰাধান্যমূলক শব্দসমূহ ঃ**

বিত্তীয় শিক্ষা, সেউজ বেংকিং, পৰিৱেশ বন্ধু বেংক ব্যৱস্থা, এটিএম, ইণ্টাৰনেট বেংকিং, গ্ৰীণ চেনেল কাউণ্টাৰ

## ১. পাতনি (Introduction):

বেংক হৈছে এনে এক বিত্তীয় প্ৰতিষ্ঠান যিয়ে গ্ৰাহকৰ পৰা জমা গ্ৰহণ কৰে আৰু সেই জমা উৎপাদনশীল কামলৈ প্ৰবাহিত কৰি অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অতি প্ৰাচীন কালত ইটালীৰ লোম্বাৰ্ডৰ সদাগৰসকলে 'bancus' অৰ্থাৎ বেঞ্চৰ ওপৰত বহি ধনৰ লেন-দেন কৰিছিল আৰু সেই 'bancus' শব্দৰ পৰাই বেংক শব্দৰ উৎপত্তি হৈছিল বুলি প্ৰবাদ আছে। এখন বেঞ্চৰ ওপৰত আৰম্ভ হোৱা সেই বেংকিং ব্যৱস্থা বিভিন্ন পৰ্যায়ৰ মাজেৰে পাৰ হৈ আহি বৰ্তমান সময়ত সকলো দিশতে কৃতিত্বৰ শিখৰত অৱস্থান কৰিছে। তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ আৰু ই-বেংকিঙৰ প্ৰৱৰ্তনে বৰ্তমানৰ বেংকিং ব্যৱস্থাৰ স্বৰূপ

সম্পূৰ্ণৰূপে সলনি কৰি পেলাইছে । বেংকিং কাম-কাজ সংঘঠিত কৰিবলৈ এতিয়া গ্ৰাহকসকল সোঁ-শৰীৰে বেংকলৈ যোৱাৰ প্ৰয়োজন নহয়। বেংসমূহে প্ৰৱৰ্তন কৰা নানানটা ডিভাইচ বা সজুঁলিৰ জৰিয়তে গ্ৰাহকে নিজ গৃহ নাইবা কৰ্মস্থলীৰ পৰাই অনয়াসে বেংকিং কাৰ্য কৰিব পাৰে। ফলত তেওঁলোকৰ সময় আৰু খৰচ ৰাহি হৈছে। বেংকসমূহেও ইয়াৰ দ্বাৰা বিভিন্ন ধৰণে উপকৃত হৈছে। এই ব্যৱস্থাৰ আন এটা উল্লেখনীয় দিশ হৈছে পৰিৱেশ বা পাৰিপাৰ্ষিকতাৰ ওপৰত ইয়াৰ অনুকুল প্ৰভাৱ। সমগ্ৰ বিশ্বৰ বেংক গ্ৰাহকসকলে ই-বেংকিং ব্যৱহাৰ কৰিবলৈ লোৱাৰ ফলত পৰিৱেশৰ ওপৰত ইয়াৰ যোগাত্মক প্ৰভাৱ পেলাইছে বুলি ইতিমধ্যে বিশ্বৰ বিশযজ্ঞ ব্যক্তিসকলে পতিয়ন গৈছে। সেয়েহে এই বেংকিং ব্যৱস্থাটোক 'সেউজ বেংকিং' নামেৰে অভিহিত কৰা হৈছে। অৱশ্যে এই ব্যৱস্থাসমূহ সৰ্বসাধাৰণ লোকে ব্যৱহাৰ কৰিব পৰাকৈ তেওঁলোকৰ উপযুক্ত বিত্তীয় শিক্ষাৰ প্ৰয়োজন। অন্য অৰ্থত ক'বলৈ হ'লে তেওঁলোক বিত্তীয়ভাৱে সাক্ষৰ হ'ব লাগিব। বিত্তীয় সাক্ষৰতা হৈছে আমাৰ দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংগ। বিত্তীয় আহিলাসমূহ ভালদৰে পৰিচালনা কৰিব পৰাকৈ জ্ঞান, দক্ষতা আৰু আত্মবিশ্বাস থকাটোক বিত্তীয় সাক্ষৰতা বুলি ক'ব পাৰি। বিত্তীয় নিৰক্ষৰ লোকে এই ব্যৱস্থাসমূহ ব্যৱহাৰ কৰিবলৈ সাধাৰণতে দ্বিধাবোধ কৰে।

২. **অধ্যয়নৰ উদ্দেশ্যসমূহ** (Objectives of the Study) ঃ
এই গৱেষণাৰ মূল উদ্দেশ্যসমূহ হৈছে ঃ
(১) বাণিজ্যিক বেংকসমূহে গ্ৰহণ কৰা বিভিন্ন সেউজ বেংকিং পদ্ধতিসমূহৰ ব্যৱহাৰ, উপযোগিতা, দোষ আদি বিষয়সমূহ অধ্যয়ন কৰি সৰ্বসাধাৰণ লোকৰ মাজত দাঙি ধৰা
(২) ভাৰতীয় বেংক ব্যৱস্থাৰ ৰূপৰেখাৰ বিষয়ে আলোচনা কৰা
(৩) ভাৰতীয় বেংক ব্যৱস্থাৰ ভৱিষ্যতৰ ধাৰা সম্পৰ্কে আলোকপাত কৰা

৩. **গৱেষণাৰ পদ্ধতি** (Research Methodology) ঃ
এই গৱেষণা পত্ৰখন মূলতঃ বিভিন্ন গ্ৰন্থ, আলোচনী, গৱেষণা গ্ৰন্থ, বাতৰি-কাকত, বিভিন্ন প্ৰকাশ মাধ্যমত প্ৰকাশিত গৱেষণা পত্ৰ আদিৰ পৰা সংগ্ৰীহিত গৌণ সমল ব্যৱহাৰ কৰি প্ৰস্তুত কৰা হৈছে। লগতে ইণ্টাৰনেটত উপলব্ধ ৰিজাৰ্ভ বেংকক আদি কৰি বিভিন্ন বেংকৰ ৱেবচাইট, বিভিন্ন প্ৰতিবেদন, ব্ল'গ আদিৰ পৰাও সমল সংগ্ৰহ কৰা হৈছে। তাৰোপৰি লিখকৰ দ্বাৰা পূৰ্বতে প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থৰ পৰাও ইয়াত কিছু সমল সন্নিৱিষ্ট কৰা হৈছে। সকলো সংগৃহীত সমল পৰ্যালোচনা কৰি লিখকৰ নিজৰ মতামতেৰে সৈতে এই পত্ৰখন লিখি উলিওৱা হৈছে।

৪. **সাহিত্য পৰ্যালোচনা** (Review of Literature) ঃ
পৰিৱেশৰ ওপৰত বেংকিং সেৱাৰ প্ৰভাৱ অপৰিসীম, কাৰণ তেওঁলোকে দৈনন্দিন কাম-কাজ সম্পাদন কৰোতে বিভিন্ন প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰে যিয়ে পৰিৱেশৰ ওপৰত চাপ বৃদ্ধি কৰে (Srivatsa H. S., 2011)। সেয়েহে একো একোজন দায়িত্বশীল কৰ্পৰেট নাগৰিক হিচাপে বেংকসমূহে বিশ্বাস কৰে যে তেওঁলোকে বৰ্তমান সময়ত লোৱা প্ৰতিটো সৰু সৰু সেউজ পদক্ষেপে সেউজ ভৱিষ্যত গঢ়ি তোলাত বহুখিনি সহায় কৰিব পাৰে (Thombre K. A., 2011)। বাণিজ্যিক বেংকসমূহে তেওঁলোকৰ আভ্যন্তৰীণ পৰিচালনাৰ দ্বাৰা পৰিৱেশৰ ওপৰত সৃষ্টি কৰা বিপদাশংকা হ্ৰাস কৰাৰ সক্ৰিয় কৌশল হিচাপে পৰিৱেশ অনুকূল সামগ্ৰী আৰু সেৱাৰ উৎপাদনকাৰী প্ৰতিষ্ঠানসমূহলৈ প্ৰত্যক্ষ বিত্তীয় সাহায্যৰ দ্বাৰা দীৰ্ঘম্যাদী লাভ অৰ্জন কৰাৰ ব্যৱস্থা কৰি আহিছে (Guo H., 2005)। পৰিৱেশজনিত সমস্যা সমাধান কৰাৰ স্বাৰ্থত প্ৰদূষণ প্ৰতিৰোধকাৰী স্বচ্ছ উৎপাদন সঁজুলি আৰু যন্ত্ৰপাতিৰ উৎপাদনকৰী উদ্যোগত বেংক বিনিয়োগ বৃদ্ধিৰ ফলত উদ্যোগ, বেংক আৰু পৰিৱেশ তিনিও পক্ষই লাভৱান হৈছে (Dhewanthi L., 2007)। সেউজ বেংকিং পদ্ধতিসমূহ কেৱল পৰিৱেশৰ বাবেই উপযোগী নহয়, এইবোৰে বেংকসমূহৰ কাৰ্যদক্ষতাও বৃদ্ধি কৰে। কিন্তু ভাৰতৰ বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানসমূহে এই দিশত আজিকোপতি কোনো উল্লেখনীয় বৃহৎ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই যদিও এই দিশত সঁচাকৈয়ে তেওঁলোকে এটা ডাঙৰ ভূমিকা পালন কৰিবলগীয়া আছে (Sahoo P. & Nayak B.P., 2008; Biswas N., 2011; Prasad A. M., 2011)। অৱশ্যে, ভাৰতৰ বেংকসমূহে ক্ৰমবৰ্ধমান গতিত এটিএম, ইণ্টাৰনেট বেংকিং, টেলি-বেংকিং, ম'বাইল বেংকিং আদি ইলেক্ট্ৰনিক চেনেলৰ জৰিয়তে সেৱা আগবঢ়াই আহিছে। এটিএম বহুলভাৱে গ্ৰহণ কৰা হৈছে যদিও প্ৰচুৰ সম্ভাৱনাপূৰ্ণ অন্যান্য ইলেক্ট্ৰনিক বেংকিং মাধ্যম গ্ৰহণৰ স্তৰ অৱশ্যে এতিয়াও চকুত লগা ধৰণে বৃদ্ধি হোৱা নাই (Joshua A. J.& Koshy M. P.,2011)।

৫. **সেউজ বেংকিং** (Green Banking) ঃ
সাম্প্ৰতিক কালৰ পৃথিৱীৰ আটাইতকৈ ভয়াৱহ সমস্যাটো হৈছে পৰিৱেশ প্ৰদূষণ সমস্যা। প্ৰকৃতাৰ্থত ই এক মানৱ সৃষ্ট সমস্যা। শিল্প-উদ্যোগ ব্যৱসায়-বাণিজ্য, নগৰীকৰণ আদিৰ অগ্ৰগতিৰ লগে লগে ইয়াৰ পৰা সৃষ্টি

হোৱা ঋণাত্মক প্ৰভাৱৰ ফলত পৰিৱেশ প্ৰদূষণৰ সমস্যাটো আৰু অধিক জটিল হৈ পৰিছে। কাৰণ উদ্যোগীকৰণ আৰু পৰিৱেশৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। উদ্যোগিক ক্ষেত্ৰত যিমানে প্ৰগতি লাভ কৰিব সিমানে ইয়াৰ ঋণাত্মক প্ৰভাৱ পৰিৱেশৰ ওপৰত নিশ্চিত ভাৱে বৃদ্ধি পাব। সেয়েহে বৰ্তমান পৃথিৱীৰ সকলো দেশেই এই দিশত সচেতন হৈছে আৰু উদ্যোগীকৰণৰ জয়যাত্ৰা বাহাল ৰাখিপৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ কেনেদৰে নিম্নৰ পৰা নিম্নতম কৰিব পৰা যায় তাৰ কাৰণে তেওঁলোকে ব্যৱস্থা গ্ৰহণ কৰিছে।

এই দিশত বেংকিং উদ্যোগসমূহেও পিছ পৰি থকা নাই। বেংক হৈছে জন-সমাজৰ লগত জড়িত এক বিত্তীয় প্ৰতিষ্ঠান। স্বাভাৱিকতে তেওঁলোকৰ সমাজ আৰু পৰিৱেশৰ প্ৰতি দায়বদ্ধতা অপৰিসীম। সেই হিচাপে তেওঁলোকে সমাজ তথা পৰিৱেশৰ উপকাৰী বিভিন্ন কাম-কাজৰ জৰিয়তে নিজকে সামাজিক আৰু নৈতিক দিশত পৰিচালিত সংগঠন হিচাপে প্ৰক্ষেপ কৰা উচিত। অৱশ্যে এটা কথা ঠিক যে বেংকিং উদ্যোগৰ কাৰ্য্যকলাপে প্ৰত্যক্ষভাৱে পৰিৱেশৰ ওপৰত তেনে কোনো বিশেষ প্ৰভাৱ নেপেলায়। কিন্তু ইয়াৰ পৰোক্ষ প্ৰভাৱ পৰিৱেশৰ ওপৰত নপৰাকৈ থকা নাই। কিয়নো পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পৰা বিভিন্ন কল-কাৰখানা, উদ্যোগসমূহ বিশেষতঃ বেংকসমূহে যোগান ধৰা পুঁজিৰ দ্বাৰাই স্থাপন হৈছে। গতিকে এই ক্ষেত্ৰত তেওঁলোকো পৰোক্ষভাৱে জগৰীয়া। আনহাতে, বেংকসমূহে প্ৰতিদিনে যিমানখিনি ইন্ধন আৰু অন্য প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি আহিছে তাৰ প্ৰভাৱো পৰিৱেশৰ ওপৰত নপৰাকৈ থকা নাই।

সেয়েহে বৰ্তমান সময়ৰ বেংকসমূহৰ তেওঁলোকৰ ব্যৱহাৰিক বেংকিং কাম-কাজে যাতে পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব নোৱাৰে তাৰ বাবে তেওঁলোক অধিক যত্নপৰ হৈছে। পৰিৱেশ জনিত এই দিশসমূহ অনুধাৱন কৰিয়েই সমগ্ৰ বিশ্বৰ বেংকসমূহে পৰিৱেশৰ ওপৰত যোগাত্মক প্ৰভাৱ পেলাব পৰা বিভিন্ন ধৰণৰ বেংকিং পদ্ধতিৰ উদ্ভাৱন কৰিছে। বৰ্ত্তমান পৃথিৱীৰ প্ৰায়বোৰ দেশৰ বেংকসমূহে ইন্ধন ব্যৱহাৰৰ ক্ষেত্ৰত সচেতন হোৱাৰ লগতে তেওঁলোকে পৰিৱেশ বিনষ্ট কৰি আহৰণ কৰা প্ৰাকৃতিক সম্পদসমূহৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ লৈছে। বেংকসমূহে কাগজৰ ব্যৱহাৰ সীমিত হোৱা ন ন বেংকিং পদ্ধতি উদ্ভাৱন কৰি তাৰ প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰিছে। বৰ্তমান সময়ৰ এই নতুন বেংকিং পদ্ধতিসমূহক 'সেউজ বেংকিং' (Green Banking) বুলি জনা যায় । অৱশ্যে ইয়াত সেউজ শব্দটো সেউজীয়া ৰং হিচাপে ব্যৱহাৰ কৰা হোৱা নাই । ইয়াক 'পৰিৱেশ বন্ধু' (eco-friendly) হিচাপেহে ব্যৱহাৰ কৰা হৈছে । সেই হিচাপে সেউজ বেংকিং মানে হৈছে বেংক ব্যৱস্থাত পৰিৱেশ অনুকূল পদ্ধতিৰ প্ৰসাৰৰ জৰিয়তে বেংকিং কাৰ্য্যকলাপৰ পৰা 'কাৰ্বন নিৰ্গমন' হ্ৰাস কৰাৰ এক সমূহীয়া ব্যৱস্থা ।

**৬. সেউজ বেংকিং পদ্ধতিৰ সুবিধা আৰু অসুবিধাসমূহ** (Benefits and drawbacks of Green Banking Practices) ঃ

সেউজ বেংকিং পদ্ধতিসমূহৰ প্ৰসাৰ আৰু প্ৰচাৰৰ জৰিয়তে পৰিৱেশ, গ্ৰাহক, বেংক আৰু ব্যৱসায়ী উভয়েই উপকৃত হোৱাৰ অৱকাশ আছে। বিশেষকৈ পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ অত্যন্ত ইতিবাচক। এই ব্যৱস্থাসমূহ পৰিৱেশৰ অনুকূল, কাৰণ ইয়াত কাগজৰ ব্যৱহাৰ নহয়, অথবা হ'লেও অতি সীমিত। বেছিভাগ সেউজ বেংকিং পদ্ধতিৰ বাবে গ্ৰাহকে কায়ীকভাৱে বেংকলৈ যোৱাৰ প্ৰয়োজন নাই। সেয়েহে ই পথত জান-বাহনৰ চলাচল হ্ৰাস কৰাত সহায় কৰে। স্বাভাৱিকতে ই কাৰ্বন নিৰ্গমনৰ পৰিমান কমাই আনি বায়ু প্ৰদূষণ হ্ৰাস কৰাত সহায় কৰে। সেউজ বেংকিং ব্যৱস্থাৰ জৰিয়তে গ্ৰাহকসকলেও বিভিন্ন ধৰণেৰে উপকৃত হ'ব পাৰে। গ্ৰাহকে দিনটোৰ যিকোনো সময়তে আৰু যিকোনো ঠাইতে বেংকিং কাৰ্য কৰিব পাৰে। গ্ৰাহকৰ বাবে ই সময়ৰ লগতে খৰচো ৰাহি কৰে। সেউজ বেংকিং পদ্ধতিসমূহ বেংকৰ বাবেও উপযোগী কাৰণ ই হৈছে কম খৰচত কৰিব পৰা অত্যন্ত খৰতকীয়া ব্যৱস্থা। ইয়াৰ ফলত বেংকত গ্ৰাহকৰ সমাগম হ্ৰাস পোৱাৰ লগে লগে বেংকৰ কৰ্মীসকলৰ কামৰ বোজাও হ্ৰাস পায়। সেউজ বেংকিং ব্যৱস্থাৰ জৰিয়তে ব্যৱসায়ীসকলেও বিভিন্ন প্ৰকাৰে উপকৃত হয়।

অৱশ্যে প্ৰযুক্তি বিদ্যা আৰু ইণ্টাৰনেটৰ মাধ্যমত চালিত সেউজ বেংকিং ব্যৱস্থাসমূহৰ কিছুমান অসুবিধাও নথকা নহয়। বেংকৰ সাধাৰণ গ্ৰাহকসকলৰ এই ব্যৱস্থাসমূহ ব্যৱহাৰ কৰিব পৰাকৈ প্ৰয়োজনীয় বিত্তীয় শিক্ষা আৰু সজাগতাৰ অভাৱ। তাৰোপৰি ইয়াৰ প্ৰধান অসুবিধাটো হৈছে নিৰাপদহীনতা। এইবোৰৰ সঠিকভাৱে ব্যৱহাৰ কৰিব নাজানিলে ব্যৱহাৰকাৰীসকল নিৰাপত্তাহীনতাত ভুগিব পাৰে। এই অসুবিধাৰ পৰা হাত সাৰিবলৈ ব্যৱহাৰকাৰীসকলে সদায় বেংকৰ ফালৰ পৰা জাৰি কৰা নিৰ্দেশনাসমূহ পালন কৰিহে এই ব্যৱস্থাসমূহৰ ব্যৱহাৰ কৰিব

লাগে। আনহাতে, এই ব্যৱস্থাসমূহ ব্যৱহাৰ কৰিবলৈ প্ৰয়োজন হোৱা নিৰবিচ্ছিন্ন ইন্টাৰনেট সেৱা, উপযুক্ত ডিভাইচৰ অভাৱ, প্ৰয়োজনীয় বৈদ্যুতিক সেৱাৰ অভাৱ আদিৰ বাবে বহু সময়ত এই ব্যৱস্থাসমূহ ব্যৱহাৰ কৰাটো অসুবিধাজনক হৈ পৰে।

**৭. বৰ্তমান ভাৰতীয় বেংকিং ব্যৱস্থাৰ ৰূপৰেখা**

(Present Banking Scenario in India) ঃ

ভাৰতত বেংকিঙৰ উৎপত্তি হৈছিল ১৮ শতিকাৰ শেষৰ দশকত। ১৭৮৬ চনত আৰম্ভ হোৱা দ্য জেনেৰেল বেংক অৱ ইণ্ডিয়া আছিল ভাৰতৰ সৰ্বপ্ৰথম বেংক। আনটো বেংক 'ৱেংক অৱ হিন্দুস্তান' ১৭৭০ চনত আৰম্ভ হৈছিল, অৱশ্যে দুয়োটা বেংক এতিয়া বন্ধ হৈ গৈছে। অষ্টাদশ শতিকাৰ আৰম্ভণিতে ১৮০৬ চনৰ জুন মাহত প্ৰথমটো প্ৰেচিডেন্সি বেংক 'বেংক অৱ কলিকতা' প্ৰতিষ্ঠা কৰাৰ লগে লগে ভাৰতত বাণিজ্যিক বেংকিঙৰ শিপা ৰোপণ কৰা হৈছিল। ১৮০৯ চনৰ জানুৱাৰী মাহত এই বেংকটোৰ নাম সলনি কৰি 'বেংক অৱ বেংগল' নামেৰে নামাকৰণ কৰা হয়। ১৮৪০ চনত ভাৰতৰ দ্বিতীয়টো প্ৰেচিডেন্সি বেংক 'ৱেংক অৱ বম্বে'ৰ স্থাপন কৰা হয় । ভাৰতৰ তৃতীয়টো প্ৰেচিডেন্সি বেংক 'বেংক অৱ মাদ্ৰাজ'ৰ স্থাপন কৰা হয় ১৮৪৩ চনত। বহু বছৰ ধৰি প্ৰেচিডেন্সি বেংকসমূহে অৰ্ধ-কেন্দ্ৰীয় বেংক হিচাপে কাম কৰিছিল। ১৮৩৯ চনত কলিকতাৰ ব্যৱসায়ীসকলে ইউনিয়ন বেংক স্থাপন কৰিছিল যদিও ১৮৪৮ চনত ই বিফল হৈছিল। ১৮৬৫ চনত প্ৰতিষ্ঠা হোৱা আৰু আজিও কাৰ্যকৰী হৈ থকা এলাহাবাদ বেংক ভাৰতৰ আটাইতকৈ পুৰণি 'জইণ্ট ষ্টক বেংক'। অৱশ্যে প্ৰথমটো সম্পূৰ্ণ ভাৰতীয় 'জইণ্ট ষ্টক বেংক' আছিল ১৮৮১ চনত ফৈজাবাদত স্থাপিত 'অৱধ কমাৰ্চিয়েল বেংক'। ১৯৫৮ চনত ই বিফল হয়। ১৮৯৫ চনত লাহোৰত স্থাপিত হোৱা 'পঞ্জাব নেচনেল বেংক' হৈছে বৰ্তমানলৈকে ভাৰতত সগৌৰৱে চলি থকা অন্যতম বৃহৎ বাণিজ্যিক বেংক। সেইখিনি সময়তে প্ৰতিষ্ঠা লাভ কৰা আৰু আজিকোপতি জীয়াই থকা আন বেংকবোৰ হৈছে বেংক অৱ ইণ্ডিয়া, কৰ্পৰেশ্যন বেংক, ইণ্ডিয়ান বেংক, বেংক অৱ বৰোদা, কানাৰা বেংক আৰু চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া।

যোৱা প্ৰায় ৪০ বছৰৰ ভিতৰত ভাৰতীয় বেংকিং ব্যৱস্থাই উল্লেখযোগ্যধৰণে সম্প্ৰসাৰণ লাভ কৰিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্যকোষ অনুসৰি ১৯৬৯ চনৰ জুন মাহত ভাৰতত থকা সৰ্বমুঠ ৮,২৬২ টা শাখাৰ পৰা ২০২২ চনৰ চেপ্তেম্বৰ মাহলৈকে মুঠ বেংক শাখাৰ সংখ্যা ১,৫১,২৫০ টালৈ বৃদ্ধি পাইছে, তাৰে ৫৩,২১০ টা শাখা গ্ৰাম্যাঞ্চলত, ৪২,৪৭০ টা শাখা অৰ্ধনগৰীয়া অঞ্চলত, ২৭,৪২৬ টা শাখা চহৰ অঞ্চলত আৰু ২৮,১৪৪ টা শাখা মহানগৰত অৱস্থিত। প্ৰতিটো শাখাৰ বিপৰীতে জনসংখ্যা ৬৪,০০০১ পৰা ১০,৮০০ জনলৈ হ্ৰাস পাইছে । ২০২৩ চনৰ মে মাহলৈকে ভাৰতীয় বেংকিং ব্যৱস্থাত মুঠ ১২ টা ৰাজহুৱা খণ্ডৰ বেংক, ২১ টা ব্যক্তিগত খণ্ডৰ বেংক, ১২ টা ক্ষুদ্ৰ সঞ্চয় বেংক, ৪ টা অনুসুচীত পেমেণ্টচ বেংক, ৪৫ টা বিদেশী বেংক, ৪৩ টা আঞ্চলিক গ্ৰাম্য বেংক আছে। ইয়াৰ উপৰিও ২০২১ চনৰ মে মাহলৈকে ভাৰতত মুঠ ১,৫৩১ টা নগৰীয়া সমবায় বেংক আৰু ৯৭,০০৬ টা গ্ৰাম্য সমবায় বেংক আছে। অনুসূচিত বাণিজ্যিক বেংকৰ সংখ্যা এই সময়ছোৱাত ৭৩ৰ পৰা ১৩৭ টালৈ বৃদ্ধি পাইছে। ২০২৩ চনৰ মাৰ্চ মাহলৈকে ভাৰতত মুঠ এটিএমৰ সংখ্যা ২,১৯,৫০৬ লৈ বৃদ্ধি হৈছে। ইয়াৰে ১,২৩,৬১৩ টা অন-চাইট অৰ্থাৎ বেংক চৌহদৰ ভিতৰত অৱস্থিত আৰু ৯৫,৮৯৩ টা অ'ফ-চাইত অৰ্থাৎ বেংক চৌহদৰ বাহিৰত অৱস্থিত এটিএম। ২০২২ চনৰ ৩১ মাৰ্চলৈকে ভাৰতত থকা মুঠ POS টাৰ্মিনেলৰ সংখ্যা হৈছে ৬০,৭০,১৪২ টা। বেংকসমূহে জাৰি কৰা মুঠ ডেবিট কাৰ্ডৰ সংখ্যা ৯১৭.৬ নিযুত আৰু ক্ৰেডিট কাৰ্ডৰ সংখ্যা ৭৩.৬ নিযুত।

**৮. ভাৰতত সেউজ বেংকিঙৰ ব্যৱহাৰ**

(Use of Green Banking in India) ঃ

বিশ্বৰ অন্যান্য দেশৰ বেংকসমূহৰ লগত ফেৰ মাৰি বৰ্তমানৰ ভাৰতীয় বেংকসমূহেও তেওঁলোকৰ বেংকিং কাৰ্য্যকলাপৰ পৰা বহিঃ কাৰ্বন নিৰ্গমন হ্ৰাস কৰিবলৈ অহৰহ চেষ্টা চলাই আছে। ১৯৯৬ চনতে ICICI বেংকে 'ইণ্টাৰনেট বেংকিং' প্ৰচলনৰ জৰিয়তে আমাৰ দেশত সেউজ বেংকিঙৰ পাতনি মেলিছিল যদিও ৰাজহুৱা খণ্ডৰ বেংকসমূহ এই ক্ষেত্ৰত পিছ পৰি আছিল। অৱশ্যে ভাৰতৰ আটাইতকৈ বৃহৎ বাণিজ্যিক বেংক ভাৰতীয় ষ্টেট বেংকে ২০০১ চনত ইণ্টাৰনেট বেংকিং আৰম্ভ কৰি এই পৰ্য্যন্ত এই দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আছে। বৰ্তমানলৈ ভাৰতৰ বেংকসমূহে আৰম্ভ কৰা বিভিন্ন ধৰণৰ সেউজ বেংকিং ব্যৱস্থাসমূহ হৈছে- এ টি এম সেৱা, ম'বাইল বেংকিং, ইণ্টাৰনেট বা অনলাইন বেংকিং, গ্ৰীণ চেনেল কাউণ্টাৰ, টেলিফোন বেংকিং, ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ড, ইউ পি আইকে ধৰি বিভিন্ন পৰিশোধ ব্যৱস্থা, কিয়স্ক বেংকিং, সেউজ গৃহ ঋণ আচনি, সৌৰ প্ৰকল্প

ঋণ, বায়ুকল প্ৰকল্প ঋণ আদি। তদুপৰি ভাৰতীয় বেংকসমূহে তেওঁলোকৰ আভ্যন্তৰীণ বেংকিং কাৰ্য্যকলাপৰ পৰা কাৰ্বন ফুটপ্ৰিণ্ট হ্ৰাস কৰিব পৰা আৰু পৰিৱেশৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলোৱা কেইবাটাও সেউজ বেংকিং ব্যৱস্থা গ্ৰাহকসকলৰ বাবে মুকলি কৰিছে। জ্ঞাতে বা অজ্ঞাতে ভাৰতৰ জনসাধাৰণে এই বেংকিং পদ্ধতিসমূহ গ্ৰহণ কৰি পৰিৱেশ সুৰক্ষাত অৰিহণা যোগাইছে।

**৮.১ এটিএম** (ATM) ঃ বেংক ব্যৱস্থাৰ ওপৰত প্ৰযুক্তিবিদ্যাৰ যুগান্তকাৰী আন্দোলন আৰম্ভ হৈছিল ১৯৭০ ৰ দশকত এটিএম (Automated Teller Machine) প্ৰচলনৰ যোগেদি। ইংলেণ্ডত সেই সময়ৰ বাৰ্কলেইজ বেংকৰ দ্বাৰা বিশ্বৰ প্ৰথমটো এটিএম স্থাপন কৰা হৈছিল। এটিএম বৰ্তমান বেংকৰ গ্ৰাহকসকলৰ মাজত আটাইতকৈ জনপ্ৰিয় বেংকিং ব্যৱস্থা আৰু ই বৰ্তমান এক অবিচ্ছেদ্য অংগলৈ পৰিণত হৈছে। ভাৰতত এটিএম ব্যাৱস্থাৰ সুভাৰম্ভ কৰে HSBC বেংকে, ১৯৮৭ চনত। এটিএম হৈছে কম্পিউটাৰৰ দ্বাৰা পৰিচালিত এক ধৰণৰ স্বয়ংক্ৰিয় ব্যৱস্থা যিয়ে ৰাজহুৱা স্থানত গ্ৰাহকক কোনো বেংক কৰ্মচাৰীৰ সহায় অবিহনে দিনটোৰ ২৪ ঘণ্টাই বিত্তীয় লেনদেনৰ সুবিধা প্ৰদান কৰে। লেখকৰ দ্বাৰা পৰিচালিত শেহতীয়া এক সমীক্ষা অনুসৰি অসমৰ প্ৰায় ৯৫.৩ % বেংকৰ গ্ৰাহকে এটিএম ব্যৱহাৰ কৰে।

শেহতীয়াকৈ ভাৰতত বেংকসমূহে বিভিন্ন ধৰণৰ এটিএম স্থাপন কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে- (ক) নিৰক্ষৰ আৰু অৰ্ধ-নিৰক্ষৰ গ্ৰাম্য লোকসকলে ব্যৱহাৰ কৰিব পৰা বায়'মেট্ৰিক টকিং এটিএম (Biometric Talking ATM) (খ) বেংকবিহীন অঞ্চলত বসবাস কৰা গ্ৰাম্য লোকসকলৰ ব্যৱহাৰৰ বাবে প্ৰচলন কৰা মোবাইল এটিএম (Mobile ATM), (গ) অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠানসমূহে খুলিব পৰা হোৱাইট লেবেল এটিএম (White Label ATM), (ঘ) ধন আহৰণৰ লগতে জমা দিব পৰা ব্যৱস্থা থকা কেচ ডেপ'জিট মেচিন (Cash Deposit Machine) আদি।

**৮.২ মোবাইল বেংকিং** (Mobile Banking) ঃ মোবাইল বেংকিং হৈছে ব্যৱহাৰকাৰীৰ অনুকূল এক কাগজবিহীন বেংকিং ব্যৱস্থা। মোবাইল বেংকিং সুবিধাজনক, সুৰক্ষিত আৰু সহজ। মোবাইল বেংকিং ব্যৱহাৰ কৰি আমি আমাৰ পকেটত থকা ম'বাইলটোৰ পৰাই যিকোনো সময়তে আৰু যিকোনো ঠাইতে বেংকিং কাম-কাজ কৰিব পাৰো। এই বেংকিং ব্যৱস্থাৰ জৰিয়তে ধন স্থানান্তৰ, বিল পৰিশোধ, জমাৰ অনুসন্ধান আদিৰ উপৰিও অন্যান্য বেংকিং লেনদেন কৰিব পাৰি।

**৮.৩ ইণ্টাৰনেট বেংকিং** (Internet Banking) ঃ পৰিৱেশৰ ওপৰত যোগাত্মক প্ৰভাৱ পেলাব পৰা বৰ্তমান সময়ৰ অতিকৈ ব্যৱহাৰ্য্য সেউজ বেংকিং সেৱাটো হৈছে ইণ্টাৰনেট বা অনলাইন বেংকিং। ১৯৯৬ চনত ICICI বেংকে ভাৰতত ইণ্টাৰনেট বেংকিং প্ৰচলন কৰে। বৰ্তমান ভাৰতৰ প্ৰায় সকলো বেংকেই প্ৰদান কৰা এই বেংকিং ব্যৱস্থা হৈছে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলাব পৰা অতিকৈ সহজ বেংক ব্যৱস্থা। ইণ্টাৰনেট বেংকিং হৈছে এক কাগজ বিহীন বেংকিং ব্যৱস্থা। ইয়াৰ বাবে গ্ৰাহকে বেংকলৈ যোৱাৰ প্ৰয়োজন নাই। যিকোনো সময়ত আৰু যিকোনো ঠাইৰ (anytime and anywhere) পৰা এই সেৱাৰ জৰিয়তে বেংকৰ গ্ৰাহকে ঘৰত বহিয়েই বিভিন্ন ধৰণৰ বেংকিং কামকাজ যেনে- টকা স্থানান্তৰ, বিভিন্ন বিল পৰিশোধ, মোবাইল টপ আপ, ডিজিটেল টিভি ৰিচাৰ্জ, চেকবুক আবেদন, বেলেঞ্চ ইনকুৱাৰী আদি কামকাজ কৰিব পৰে। ইয়াৰ ফলত গ্ৰাহকৰ সময় ৰাহি হোৱাৰ উপৰিও উল্লেখনীয়ভাৱে ই পৰিৱেশ সুৰক্ষাত সহায় কৰে। বেংকলৈ নোযোৱাকৈ কৰিব পৰা এই বেংকিং ব্যৱস্থাৰ ফলত ইন্ধন ৰাহি হোৱাৰ লগতে ই বায়ুমণ্ডলত কাৰ্বনৰ পৰিমান কমোৱাত সহায় কৰে। পৰোক্ষভাৱে ই ৰাস্তাত যানজট্ হ্ৰাস কৰাতো সহায় কৰে।

**৮.৪ গ্ৰীণ চেনেল কাউণ্টাৰ** (Green Channel Counters) ঃ ভাৰতীয় ষ্টেট বেংকৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ২০১০ চনৰ ৰ জুলাইত 'গ্ৰীণ চেনেল কাউণ্টাৰ' ব্যৱস্থাৰ আৰম্ভ কৰা হৈছিল। পৰিৱেশ অনুকূল কাগজবিহীন এই গ্ৰীণ চেনেল কাউণ্টাৰ ব্যৱহাৰ কৰাটো তেনেই সহজ। শাখা বেংকৰ কাৰ্য্যালয়ত থকা 'চিঙ্গ'ল উইণ্ড' অপাৰেটৰ' (SWO) কাউণ্টাৰৰ লগত সংলগ্ন 'প'ইণ্ট অৱ ছেল' (POS) মেচিনত এটিএম কাৰ্ডখন চুইপ কৰি ইয়াৰ জৰিয়তে দিনটোত সৰ্বোচ্চ ৪০,০০০ টকালৈকে জমা, আহৰণ নতুবা স্থানান্তৰ কৰিব পাৰি। বেংকৰ যিকোনো গ্ৰাহকে তেওঁলোকৰ নিকততম ষ্টেট বেংক শাখালৈ গৈ এই সুবিধা গ্ৰহণ কৰিব পাৰে।

**৮.৫ টেলিফোন বেংকিং** (Telephone Banling) ঃ টেলিফোন বেংকিং হৈছে এনে এক সেৱা যিয়ে গ্ৰাহকক বেংকৰ শাখা বা এটিএমলৈ নোযোৱাকৈ টেলিফোনৰ জৰিয়তে বেংকিং লেনদেন কৰিবলৈ সক্ষম কৰে। টেলিফোন বেংকিং সেৱা প্ৰাপ্ত কৰিবলৈ গ্ৰাহকে বেংকে প্ৰদান কৰা বিশেষ ফোন নম্বৰলৈ ফোন কৰিব লাগিব। টেলি-বেংকিং গ্ৰাহকৰ বাবে

নিয়মীয়া প্ৰশ্ন কৰাৰ এটা ভাল মাধ্যম। অৱশ্যে বৰ্তমান ইয়াৰ ব্যৱহাৰ সততে দেখিবলৈ পোৱা নাযায়।

৮.৬ **ক্ৰেডিট কাৰ্ড** (Credit Card) ঃ ক্ৰেডিট কাৰ্ড হৈছে 'Use First & Pay Later' নীতিৰ আধাৰত বেংকে গ্ৰাহকক প্ৰদান কৰা এক পোষ্ট পেইড কাৰ্ড। ই এক ধৰণৰ ঋণ ব্যৱস্থা। অনুমোদনৰ চৰ্ত অনুসৰি এই কাৰ্ডৰ গৰাকীয়ে পূৰ্বে অনুমোদিত সীমালৈকে ঋণৰ ধন ব্যৱহাৰ কৰিব পাৰে। এই কাৰ্ডৰ জৰিয়তে গৰাকীক নিৰ্ধাৰণ কৰা ধনৰ সীমাৰ ভিতৰত যিকোনো ঠাইত আৰু যেতিয়াই বিচাৰে খৰচ কৰাৰ ক্ষমতা প্ৰদান কৰা হয়। গ্ৰাহকৰ বেংক একাউণ্টৰ সৈতে ক্ৰেডিট কাৰ্ড সংযুক্ত কৰা হয় আৰু তেওঁলোকে এই ধন বেংকক মাহেকীয়া হিচাপত পৰিশোধ কৰিব পাৰে।

৮.৭ **ডেবিট কাৰ্ড** (Debit Card) ঃ ডেবিট কাৰ্ড হৈছে 'Pay First & Use Latter' নীতিৰ ভিত্তিত গ্ৰাহকক প্ৰদান কৰা এক ধৰণৰ প্ৰিপেইড কাৰ্ড। এই কাৰ্ডৰ গৰাকীয়ে নিজৰ বেংক একাউণ্টত থকা ধনৰ উপলব্ধতাৰ ওপৰত নিৰ্ভৰ কৰি দৈনিক নিৰ্দিষ্ট সীমালৈকে ব্যৱহাৰ কৰিব পাৰে। অনুমোদিত যিকোনো মূল্যৰ ক্ৰয় নাইবা অন্য ব্যৱহাৰৰ লগে লগে গ্ৰাহকৰ হিচাপৰ পৰা সেই পৰিমানৰ ধন ডেবিট কৰা হয়। এটিএম কাৰ্ড হৈছে ডেবিট কাৰ্ডৰ এক উৎকৃষ্ট উদাহৰণ।

৮.৮ **স্ব-সেৱা কিয়স্ক** (Self Service Kiosks) ঃ স্ব-সেৱা কিয়স্ক হৈছে বেংকে নিজৰ শাখাসমূহত প্ৰৱৰ্তন কৰা আন এক সেউজ বেংকিং ব্যৱস্থা। স্ব-সেৱা কিয়স্ক ব্যৱস্থাত বেংক চৌহদৰ ভিতৰত স্ক্ৰীণ, কিপেড, পাছবুক প্ৰিণ্টাৰ আদি স্থাপন কৰা থাকে যাৰ জৰিয়তে বেংকৰ গ্ৰাহকে প্ৰায় ১৬টা বেংকিং কাৰ্য যেনে ফাণ্ড ট্ৰেন্সফাৰ, পাছবুক প্ৰিন্টিং, চেক বুক ৰিকুৱেষ্ট, বেলেঞ্চ ইনকুৱাৰী, বেংক ষ্টেটমেন্ট, ইণ্টাৰনেট বেংকিং ৰেজিষ্ট্ৰেচন, বিল পেমেণ্ট, টাৰ্ম ডিপজিট খোলা আদি কাম কৰিব পাৰে। ইয়াৰ ফলত কৰ্মচাৰীৰ কামৰ হেচা হ্ৰাস পায় আৰু লগতে ইয়াৰ ফলত কাগজ সঞ্চয় হয়।

৮.৯ **পইণ্ট অৱ চেল মেচিন** (Point of Sale Machines) ঃ বেংকৰ ফালৰ পৰা ব্যৱসায়ী প্ৰতিষ্ঠানক প্ৰদান কৰা পইণ্ট অৱ চেল (POS) মেচিনক জনপ্ৰিয়ভাৱে চুইপিং মেচিন বুলিও জনা যায়। এই মেচিনৰ জৰিয়তে ক্ৰেতাই নিজৰ ডেবিট কাৰ্ড বা ক্ৰেডিট কাৰ্ড চুইপিং কৰি নগদবিহীন পৰিশোধ কৰিব পাৰে। এই ব্যৱস্থাত ব্যৱহাৰ কৰা টাৰ্মিনেলসমূহ প্ৰত্যক্ষভাৱে ব্যৱসায়ীজনৰ বেংক হিচাপৰ সৈতে সংযুক্ত কৰা হয় আৰু প্ৰতিটো ক্ৰয়ৰ বিপৰীতে ক্ৰেতাৰ হিচাপৰ পৰা ধন সেই হিচাপলৈ স্বয়ংক্ৰিয়ভাৱে স্থানান্তৰ হয়। ক'ভিড-১৯ দুৰ্যোগৰ আগভাগলৈকে এই ব্যৱস্থাৰ বহুল প্ৰচলন দেখিবলৈ পোৱা গৈছিল যদিও দুৰ্যোগোত্তৰ কালত ইউপিআই ব্যৱস্থাৰ প্ৰচলনৰ লগে লগে ইয়াৰ ব্যৱহাৰ সীমিত হৈ পৰে।

৮.১০ **ইউ পি আই** (UPI) ঃ বৰ্তমান সময়ত অতিকৈ ব্যৱহাৰ্য সেউজ বেংকিং ব্যৱস্থাটো হৈছে ইউনিফাইড পেমেণ্টছ ইন্টাৰফেচ (UPI)। ইউপিআই হৈছে মোবাইল ডিভাইচৰ জৰিয়তে দুটা বেংক একাউণ্টৰ মাজত তাৎক্ষণিক ধন স্থানান্তৰ কৰিব পৰা এক পৰিশোধ ব্যৱস্থা। ভাৰতীয় নেশ্যনেল পেমেণ্টছ কৰ্পৰেশ্যনে (NPCI) ২০১৬ চনত এই ব্যৱস্থা বিকশিত কৰিছিল। ইউপিআই হৈছে এনে এক ব্যৱস্থা যিয়ে একাধিক বেংক একাউণ্টক যিকোনো অংশগ্ৰহণকাৰী বেংকৰ এটা মোবাইল এপলৈ একতৃত কৰি ব্যক্তিৰ পৰা ব্যক্তিলৈ (P2P) আৰু ব্যক্তিৰ পৰা ব্যৱসায়ীলৈ (P2M) লেনদেনৰ সুবিধা প্ৰদান কৰে। মোবাইল ডিভাইচৰ জৰিয়তে এই ব্যৱস্থা ব্যৱহাৰ কৰি দিনটোৰ চৌব্বিশ ঘণ্টা আৰু বছৰৰ ৩৬৫ দিনেই তাৎক্ষণিক ধন স্থানান্তৰ সম্ভৱ। এই ব্যৱস্থা ব্যৱহাৰ কৰিব পৰা বিভিন্ন এপসমূহ হৈছে ফোন পে, গুগল পে, পেটিএম, ভীমএপ, মোবিকুইক আদি।

গ্ৰাহকসকলে প্ৰত্যক্ষভাৱে ব্যৱহাৰ কৰিব পৰা ওপৰোক্ত সেউজ বেংকিং ব্যৱস্থাসমূহৰ উপৰিও ভাৰতৰ বেংকসমূহে আন কিছুমান আঁচনি গ্ৰহণ কৰি পৰিৱেশ সুৰক্ষাৰ দিশত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰি আহিছে। উদাহৰণস্বৰূপে ভাৰতীয় ষ্টেট বেংকে ২০০১ চনত সেউজ গৃহ আঁচনি (Green Home Scheme) আৰম্ভ কৰি সেউজ গৃহ নিৰ্মানৰ উপলক্ষে ৰেহাই হাৰত ঋণ প্ৰদান কৰি আহিছে। দেশৰ প্ৰথমটো বেংক হিচাপে এই বেংকে সেউজ শক্তি উৎপাদনৰ লক্ষ্যৰে তামিলনাডু, মহাৰাষ্ট্ৰ আৰু গুজৰাটত ১৫ মেগাৱাটৰ মুঠ ক্ষমতাৰ ১০টা 'বায়ুকল' স্থাপন কৰিছে। IDBI বেংকে নিজৰ গ্ৰাহকসকলক 'স্বচ্ছ উন্নয়ন ব্যৱস্থা' (Clean Development Machanism)ৰ অধীনত বিভিন্ন সেৱা আগবঢ়াই আহিছে। ICICI বেংকে 'পৰিৱেশ বন্ধু বাহন' (Eco-friendly Vehicles) ৰ ঋণৰ ক্ষেত্ৰত প্ৰচেছিং মাচুলত ৫০% ৰেহাই দি গ্ৰাহকক 'পৰিৱেশ অনুকূল বাহন' ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিছে। ইণ্ডাছ ইণ্ড বেংকে 'হাম আৰু হাৰিয়ালি' শীৰ্ষক 'সেউজ কাৰ্যালয় প্ৰকল্প' অভিযানৰ অংশ হিচাপে মুম্বাইৰ প্ৰথমটো সৌৰশক্তিচালিত এটিএম স্থাপন কৰিছে। মুঠৰ ওপৰত

পৰিৱেশৰ বাবে হিত সাধনকাৰী সৌৰ শক্তি আহৰণ, বায়ুকল স্থাপন, সেউজ গৃহ নিৰ্মান, সেউজ যান-বাহন নিৰ্মান আদি বিভিন্ন সেউজ প্ৰকল্প স্থাপনৰ বাবে ভাৰততীয় বেংকসমূহে উদগনি যোগাই আহিছে ।

**৯. ভাৰতীয় বেংকিং ব্যৱস্থাৰ ভৱিষ্যতৰ ধাৰা** (Future Trends in Indian Banking) ঃ

তথ্য-প্ৰযুক্তিৰ বিকাশে বেংকিং ক্ষেত্ৰখনক ক্ৰমান্বয়ে পৰম্পৰাগত চাৰিবেৰৰ আন্তঃগাঁথনিৰ মাজৰ পৰা উলিয়াই আনি বিকল্প চেনেলৰ জৰিয়তে লেনদেন কৰিব পৰা এক পৰিপূৰক ব্যৱস্থালৈ ৰূপান্তৰিত কৰাৰ প্ৰৱণতাৰ সৃষ্টি কৰিছে। লগতে ই পৰিৱেশ, বেংক, গ্ৰাহক আৰু ব্যৱসায়ীকলৰ বাবে এক লাভজনক পৰিস্থিতিৰ সৃষ্টি কৰিছে। ভাৰতৰ বেংকসমূহে অনেক বিকল্প চেনেলৰ প্ৰৱৰ্তন কৰিছে আৰু গৰিষ্ঠ সংখ্যক লোকে বৰ্তমান এইবোৰৰ জৰিয়তে বেংক শাখাৰ বাহিৰৰ পৰা বেংকিং লেনদেন কৰি আছে। এইবোৰ দেখি-শুনি আৰু পৃথিৱীৰ অন্যান্য দেশৰ বেংকিং ব্যৱস্থাৰ অগ্ৰগতিৰ ধাৰালৈ চাই ধাৰণা কৰিব পাৰি যে অদূৰ ভৱিষ্যতে 'ভাৰ্চুৱেল বেংকিং', 'ভিডিঅ' টেলাৰ মেচিন' আদিৰ দৰে কিছুমান নতুন ব্যৱস্থা ভাৰতৰ বেংকিং ব্যৱস্থাত সংযোজিত হ'ব ।

**৯.১. ভাৰ্চুৱেল বেংকিং** (Virtual Banking) ঃ বেংকিং খণ্ডত তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ আৰু ই-বেংকিঙৰ প্ৰৱৰ্তনৰ ফলশ্ৰুতিত বৰ্তমানৰ বেংকিং ব্যৱস্থাত 'ভাৰ্চুৱেল-বেংকিং' নামেৰে এক নতুন পৰিভাষাৰ জন্ম হৈছে আৰু অদূৰ ভৱিষ্যতে ই অধিক জনপ্ৰিয় হ'বলৈ গৈ আছে। 'ভাৰ্চুৱেল বেংক' হৈছে ভিডিঅ'-কনফাৰেন্স, ইণ্টাৰনেট, এটিএম আৰু টেলিফোনৰ জৰিয়তে বেংকিং সেৱা আগবঢ়োৱা এটা বিত্তীয় ব্যৱস্থা য'ত কোনো ভৌতিক স্থান বা কাৰ্যালয় নাথাকিব। অদূৰ ভৱিষ্যতে বৰ্তমানৰ দৰে কায়ীক ভাৱে কোনো চাৰিবেৰৰ মাজৰ বেংক দেখা নাযাব। বেংকৰ কাম-কাজ অৱশ্যে ঠিকেই চলি থাকিব। সকলো কাম ইণ্টাৰনেটৰ মাধ্যমেৰে অদৃশ্যভাৱে সংঘঠিত হ'ব। পৃথিৱীৰ কিছুমান উন্নত দেশত ইতিমধ্যে এই ব্যৱস্থাৰ আৰম্ভণি হৈছে। ভাৰততো এই পদ্ধতি অচিৰেই উপলব্ধ হ'ব বুলি ধাৰণা কৰিব পাৰি।

এটা সহজ উদাহৰণেৰে ভাৰ্চুৱেল বেংকিং ধাৰণাটো বৰ্ণনা কৰিব পাৰি। বৰ্তমান সময়ত ম'বাইল সেৱা প্ৰায় অত্যাৱশ্যকীয় হৈ পৰিছে। আমি প্ৰত্যেকেই BSNL, জিঅ', এয়াৰটেল, ভ'ডাফ'ন আদি ম'বাইল কোম্পানীয়ে যোগান ধৰা অন্ততঃ এটা কোম্পানীৰ প্ৰিপেইড নাইবা প'ষ্টপেইড সেৱা গ্ৰহণ কৰি আছো। সেই হিচাপে ম'বাইল কোম্পানীসমূহে আমাৰ নামত একোটা হিচাপ নিয়াৰিকৈ চলাই ৰাখিছে। আমি যিকোনো ম'বাইল সেৱা গ্ৰহণ কৰাৰ লগে-লগে তাৰ বিপৰীতে আমাৰ হিচাপৰ পৰা ধন বিয়োগ কৰা হয় (প্ৰিপেইড সেৱাৰ ক্ষেত্ৰত) নাইবা মাহিলি বিলৰ লগত সংযোগ কৰি দিয়া হয় (প'ষ্টপেইড সেৱাৰ ক্ষেত্ৰত)। আমি কিন্তু বহুতেই আমাৰ হিচাপ চলাই ৰখা ম'বাইল কোম্পানীসমূহৰ কাৰ্যালয় দেখা নাই। আমি এনেদৰেও ধৰি ল'ব পাৰো যে জনচক্ষুৰ আঁৰত থাকি তেওঁবিলাকে সেৱা আগবঢ়াই আছে। আন কথাত ক'বলৈ গ'লে তেওঁবিলাকে 'ভাৰ্চুৱেলী' সেৱা আগবঢ়াই আহিছে। আমি কিন্তু তেওঁলোকৰ সেৱাক সন্দেহ কৰা নাই । ভাৰ্চুৱেল বেংকিং ব্যৱস্থাৰ অধীনত ভৱিষ্যতৰ বেংকসমূহেও তেনেদৰেই সেৱা আগবঢ়াই থাকিব।

**৯.২ ভিডিঅ' টেলাৰ মেচিন** (Video Teller Machine) ঃ ভিডিঅ' টেলাৰ মেচিন (যাক ভিডিঅ' বেংকিং বুলিও কোৱা হয়) হৈছে এক প্ৰকাৰৰ বেংকিং ব্যৱস্থা যাৰ দ্বাৰা ভিডিঅ' কনফাৰেঞ্চিং প্ৰযুক্তিৰ মাধ্যমত বেংকৰ বিশেষজ্ঞৰ সৈতে হোৱা কথোপ-কথনৰ জৰিয়তে বেংকিং লেনদেন সম্পূৰ্ণ কৰিব পৰা যায়। এই ব্যৱস্থাত গ্ৰাহক আৰু বিশেষজ্ঞৰ মাজত যোগাযোগ স্থাপন কৰিবলৈ ভিডিঅ' কনফাৰেন্সিং প্ৰযুক্তিৰ উপৰিও নথিপত্ৰ স্ক্যানাৰ, কাৰ্ড ৰিডাৰ আৰু প্ৰিণ্টাৰৰ সহায় লোৱা হয়। যেতিয়া কোনো এজন গ্ৰাহকে বেংকিং কাৰ্য সম্পাদন কৰিবলৈ ভিডিঅ' টেলাৰ মেচিন সংযুক্ত এটিএম সদৃশ বুথত প্ৰৱেশ কৰিব বুথৰ দেৱালত সংলগ্ন স্ক্ৰীনত কোনো এক বেংক কৰ্মচাৰীৰ ছবি ভাহি আহিব। লগে লগে কৰ্মচাৰীজনে গ্ৰাহকজনক সম্ভাষণ জনাব আৰু কথোপকথনৰ জৰিয়তে তেওঁক বেংকিং কাৰ্য সমাপন কৰাত সহায় কৰিব। মুঠৰ ওপৰত বেংকত প্ৰৱেশ কৰা গ্ৰাহক এজনক যেনেদৰে সেৱা আগবঢ়োৱা হয় ভিডিঅ' টেলাৰ মেচিনৰ জৰিয়তেও ঠিক একে ধৰণৰ সেৱাই আগবঢ়োৱা হ'ব। অৱশ্যে ই অনলাইন মাধ্যমত হ'ব। এই ধৰণৰ ভিডিঅ' বেংকিং পৰম্পৰাগত মূল বেংকিং শাখা এলেকাৰ বাহিৰৰ কোনো স্থানতো স্থাপন হ'ব পাৰে।

**১০. উপসংহাৰ** (Conclusion) ঃ

পৰিৱেশ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বেংকসমূহে লোৱা পদক্ষেপ সচাকৈয়ে প্ৰসংশনীয়। সেউজ বেংকিং

আহিলাসমূহ যদি প্ৰকৃতাৰ্থত ব্যৱহাৰ কৰিব পৰা হয় তেনেহলে পৰিৱেশৰ ওপৰত ইয়াৰ যোগাত্মক প্ৰভাৱ যে পৰিব তাত কোনো দ্বিমত নাই। অৱশ্যে প্ৰয়োজনীয় বিত্তীয় শিক্ষাৰ অভাৱত বেংকৰ সাধাৰণ নিৰক্ষৰ গ্ৰাহকসকল এতিয়াও এই বিষয়ে সজাগ নহয়। তেওঁলোকক এই বিষয়ে অৱগত কৰোৱাৰ দায়ীত্ব দেশৰ বিদ্বত সমাজ আৰু সংবাদ মাধ্যমে ল'ব লাগিব। বেংকসমূহেও এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিব লাগিব আৰু সজাগতা সভা পাতি সাধাৰণ গ্ৰাহকক সেউজ বেংকিং ব্যৱস্থাৰ সঠিক ব্যৱহাৰৰ বিষয়ে অৱগত কৰাব লাগিব। সাধাৰণ মানুহক এই বিষয়ে সজাগ কৰিব পাৰিলেহে বেংকসমূহে যি উদ্দেশ্য আগত ৰাখি এই আহিলাসমূহৰ সৃষ্টি কৰিছিল সেয়া সাফল্যমণ্ডিত হ'ব।

ভাৰতীয় বেংকিং উদ্যোগটো বৰ্তমান প্ৰযুক্তি, ব্যৱসায়িক ব্যৱস্থা আৰু প্ৰক্ৰিয়াৰ ক্ষেত্ৰত বহু দূৰ আগবাঢ়ি গৈছে আৰু বৰ্তমান ইয়াৰ দৃশ্যপট সম্পূৰ্ণৰূপে সলনি হৈছে। সময়ৰ লগে লগে ইয়াৰ অধিক পৰিবৰ্তন হ'ব। বৰ্তমান সময়ত বেংকিং লেনদেনৰ অধিকাংশই বেংক চৌহদৰ বাহিৰত চলিবলৈ লৈছে আৰু ভাৰতীয় বেংকিং ব্যৱস্থাই লাহে লাহে ভাৰ্চুৱেল বেংকিঙৰ নতুন যুগত প্ৰৱেশৰ দিশে গতি কৰিছে। অদূৰ ভৱিষ্যতে ভাৰতৰ বেংক ব্যৱস্থাই কোন দিশলৈ গতি কৰে সেয়া সহজে অনুমান কৰিব পৰা নাযায় যদিও পৃথিৱীৰ অন্যান্য দেশৰ বেংক ব্যৱস্থাৰ অগ্ৰগতিলৈ চাই অৱশ্যে এইটো ধাৰণা কৰিব পাৰি যে ভাৰতৰ বেংক ব্যৱস্থাতো আমূল পৰিবৰ্তন যে ঘটিব সেইটো ধ্ৰুৱপ। ❑


**তথ্যসূত্ৰসমূহ** (References) ঃ

- DEKA G. (2015). Green Banking Practices: A Study on Environmental Strategies of Banks with Special Reference to State Bank of India. Indian Journal of Commerce and Management Studies, 6(3), 11–19. Retrieved from https://www.ijcms.in/index.php/ijcms/article/view/280
- DHEWANTHI, L. (2007) Assistant Deputy Minister for Incentive and Environmental Fund, The Ministry of Environment, Indonesia; Greening the Business and Making Environment a Business Opportunity, (Online) Available at http://www.greengrowth.org/download/green-businesspub/Greening_of_the_Businesss/Governments / Laksmi_Dhewanthi_Indonesia_Policy_Initiatives.pdf accessed on 10-08-11.
- GUO, H. (2005) Pathways to Sustainable Banking in China: From Environmental Risk Management to Green Financing -An Explorative Case Study of the Financing System for Corporate Customers in the Industrial and Commercial Bank of China.Thesis, Lund University, Sweden, available at http://lup.lub.lu.se/luur/download?func= downloadFile& recordOId=1325685&fileOId=1325686 accessed on 21-05-2023.
- JOSHUA, A. J. & KOSHY, M. P. (2011) Usage Patterns of Electronic Banking Services by Urban Educated Customers: Glimpses from India. Journal of Internet Banking and Commerce, 16(1), available at http://www.arraydev.com/ commerce/jibc/2011-04/JoshuaAmbat.pdf accessed on 21-05-2023.
- SAHOO, P. & NAYAK, B. P. (2008) Green Banking in India. available at http// www.indiaenvironmentportalorg.in accessed on 21-05-2023.
- SRIVATSA, H. S. (2011) Speaker, Seminar on 'Environmentally sustainable business practices in Banks. TAPMI, Manipal available at http://www.tapmi.edu.in/Research _Seminars/ Srivatsa(05012011).pdf accessed on 18-3-12.
- THOMBRE, K. A. (2011) New Face of Banking: Green Banking. Indian Streams Research Journal. 1(2), pp.1-4, available at http://www.isrj.net/August/2011 Commerce_The_New_Face_of_ Banking_Green_Banking.html accessed on 7-12-11.
- https://www.rbi.org.in

# लेखकों से निवेदन

- द्विभाषी राष्ट्रसेवक में प्रकाशन हेतु पत्रिका की प्रकृति के अनुरूप भाषा, साहित्य, समाज, कला व संस्कृति विषयक लेख आमंत्रित हैं।
- अनूदित रचनाओं के संदर्भ में मूल लेखक की अनुमति/स्वीकृति अनिवार्य है।
- लेखक अपनी रचनाएँ केंद्रीय हिंदी निदेशालय द्वारा स्वीकृत मानक हिंदी यूनिकोड में 13 प्वाइंट में टंकित कराकर पत्रिका के ई-मेल : rastrasewak51@gmail.com पर अथवा स्पष्ट अक्षरों में लिखकर समिति कार्यालय के पते (मंत्री, असम राष्ट्रभाषा प्रचार समिति, रूपनगर, गुवाहाटी-781032, असम) पर भेजें।
- अस्वीकृत रचनाएँ लौटाई नहीं जाएँगी। अत: भेजी गई रचना की प्रति अपने पास अवश्य रखें।
- लेखक अपनी रचना के साथ अपना नाम, पदनाम, मोबाइल नं., ई-मेल, पूरा पता सहित एक पासपोर्ट साइज फोटो अवश्य भेजें।
- शोधपत्र की न्यूनतम शब्द-सीमा 2000 और अधिकतम 3000 होनी चाहिए और सार 150 से 200 शब्दों के भीतर होना चाहिए।
- असमीया भाषा में लिखे गए लेख को पेजमेकर फारमेट में गीतांजलि फंट, 12 प्वांइट में टाइप कराकर भेज सकते हैं।
- शोधपत्र के लेखन में एमएलए शैली का अनुपालन करना होग।
- शोधपत्र में क्रमश: शीर्षक, सार, प्रस्तावना, उद्देश्य, संसाधन/सामग्री, प्रविधि/पद्धति, क्षेत्र, मूल विषयवस्तु का विश्लेषण, परिणाम/उपलब्धियाँ, निष्कर्ष और उद्धृत कार्य शामिल होंगे।
- शोधपत्र की मौलिकता हेतु रचना के साथ घोषणा-पत्र संलग्न किया जाना आवश्यक है।
- लेखक अपनी तथ्यात्मक सटीकता के लिए पूरी तरह जिम्मेदार हैं।

## द्विभाषी राष्ट्रसेवक का सदस्यता प्र-पत्र

यहाँ से काटिए

नाम : ..............................................................................................

पदनाम : ..............................................................................................

पूरा पता : ..............................................................................................

: ..............................................................................................

ई-मेल : ......................................................... मोबाइल : .............................

RTGS का विवरण : ..................................................................................................

**सदस्यता शुल्क**

| ***व्यक्तिगत*** | | ***संस्थागत*** | |
|---|---|---|---|
| प्रति अंक | : रु. 100/- | प्रति अंक | : रु. 150/- |
| वार्षिक | : रु. 1000/- | वार्षिक | : रु. 1,500/- |
| आजीवन सदस्य | : रु. 10,000/- | | |

निर्धारित शुल्क मनीऑडर/डी.डी. के द्वारा असम राष्ट्रभाषा प्रचार समिति के नाम से समिति कार्यालय के पते पर भेजा जा सकता है। ऑनलाइन शुल्क निम्न विवरण के अनुसार भेजें :-

| | | |
|---|---|---|
| Name of Beneficiary | : | Asom Rastrabhasha Prachar Samiti |
| A/c No. | : | 0853010182614 |
| Name of Bank & Branch | : | Punjab National Bank, G.S. Road |
| IFS Code | : | PUNB0085320 |

अधिक जानकारी के लिए संपर्क करें -

डॉ. क्षीरदा कुमार शइकीया, मंत्री, असम राष्ट्रभाषा प्रचार समिति, सेवा मंदिर पथ, रूपनगर, डाक : इंद्रपुर, जिला : कामरूप महानगर, गुवाहाटी-781032 (असम), मो. 9101541380, ई-मेल : rastrasewak51@gmail.com

POSTAL REGISTRATION NO. GH/127/2022-24 ❖ Date of Publication : 31st October, 2023 ❖ RNI No. ASSBIL/2009/31008




एक हृदय हो भारत जननी
असम राष्ट्रभाषा प्रचार समिति, गुवाहाटी

**संपादकीय कार्यालय :**
प्रधान संपादक, द्विभाषी राष्ट्रसेवक, असम राष्ट्रभाषा प्रचार समिति, सेवा मंदिर पथ, रूपनगर, गुवाहाटी–781032
मो. 9101541395 / 9101541380, ई-मेल : rastrasewak51@gmail.com